# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

## তাৰিখঃ ৩/৩/২০২৫ সোমবাৰ

**ইংৰাজী ০৩-০৩-২০২৫ তাৰিখে অসম বিধান সভাৰ বাজেট অধিবেশন পূৰ্ব্ব নিৰ্ধাৰিত কাৰ্য্যসূচীমতে ৰাতিপুৱা ৯.৩০ বজাত আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ৪১, সন্মানীয় সদস্য শ্ৰীমৃণাল শইকীয়া। মাননীয় মন্ত্ৰী ।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰীমৃণাল শইকীয়া, (খুমটাই) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ে দিয়া উত্তৰটো পাইছো। মোৰ প্ৰশ্নটো উত্থাপন কৰাৰ বিশেষ কাৰণ হ'ল মৰঙি হ'ল সপ্ত শ্বহীদৰ স্থান লগতে অসম আন্দোলনৰ জৰিয়তে নুমলিগড়ো তাতে স্থাপন হৈছে। স্থাপন হওঁতে মৰঙি অঞ্চলত নামবৰ reserve হৈছে। যিটো bio-diversity ৰ কাৰণে কাজিৰঙাৰ পিছতে নামবৰ বনাঞ্চল, কালিয়নি নদী, দৈগ্ৰোং নদী আদিৰে এটা বৃহৎ সুন্দৰ অঞ্চল। গতিকে সেই সুন্দৰ অঞ্চলটো যদি উন্নয়ন কৰিব পৰা যায়, তেতিয়া হলে এটা ডাঙৰ tourism ৰ ক্ষেত্ৰ এখন তাত গঠন কৰিব পৰা হয়। কিন্তু tourism ৰ কাৰণে road infrastructure ৰ লাগে। সেই কাৰণে মই মৰঙিৰ কাৰণে ২০০ কোটি টকাৰ এটা পেকেজ বিচাৰিছো। উত্তৰত হিচাপ এটা দিছে যে ৮০ কোটি টকাৰ কাম তাত আৰম্ভ হৈ আছে, সেই খিনি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা মই লৈ লৈছো। কিন্তু মই বিচাৰিছো যে সেই অঞ্চলত tourism sector ক আগত ৰাখি, তাৰ কাৰণে ২০০ কোটি টকাৰ এটা পেকেজ দিব লাগে, যিটোৱে অসমৰ গোটেই tourism map টোত এটা সলনি আনি দিব পাৰে।

সেই কাৰণে এই ক্ষেত্ৰত মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক এটা অনুৰোধ কৰিম যে যাতে সেইটো special package হিচাপে ৰাখি infrastructure development ৰ কাৰণে ২০০ কোটি টকা আৱন্টন দিয়ে, যিটোৱে আমাৰ tourism ৰ ক্ষেত্ৰত বহুখিনি আগুৱাই লৈ যাব পাৰে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য শ্ৰীমৃণাল শইকীয়া ডাঙৰীয়াই যিটো কথা কৈছে, সেইটো ঠিকে যে সেই অঞ্চলটো এটা সুন্দৰ অঞ্চল আৰু tourism ৰ কাৰণে তাত যথেষ্ট scope আছে। কাষতে নামবৰ বনাঞ্চল আছে, তাতো tourism ৰ বহুত scope আছে। গতিকে পৰ্য্যায়ভিত্তিত এই অঞ্চল বিলাক নিশ্চয় আগবাঢ়ি গৈ আছে মাননীয় অধ্যক্ষ ডাঙৰীয়া আপুনি নিজে দেখিছে।

মাননীয় অধ্যক্ষ মহোদয়, মই সদস্য গৰাকীক কওঁ যে ইতিমধ্যে সেই অঞ্চলত মুখ্যমন্ত্ৰীৰ পকীপথ নিৰ্মাণৰ অধীনত প্ৰায় ৯.৯০ কোটি টকাৰে ৮.৪০ কিলোমিটাৰ পথ নিৰ্মাণ কৰা হৈছে। তাৰোপৰি, ২১ খন চাহ বাগিছাত প্ৰায় ৩০.৭৬ কিলোমিটাৰ পথ নিৰ্মাণ কৰা হৈছে প্ৰায় ২০.৯৩ কোটি টকা খৰছ কৰি।

সমষ্টি পুনৰ নিৰ্ধাৰণৰ পিছত NRL ৰ পৰা প্ৰায় ২৮.৮৫ কিলোমিটাৰ পথৰ নিৰ্মাণৰ ভিতৰত বৰ্তমান ২৬.৬০ কিলোমিটাৰ নিৰ্মাণ কাৰ্য্য ইতিমধ্যে সম্পূৰ্ণ হৈছে। গতিকে বাকী অংশখিনিৰ কাম অতি সোনকালে সম্পূৰ্ণ হ'ব। উক্ত উন্নয়ন খণ্ডত ২৮.৫৭ কিলোমিটাৰ পথৰ নিৰ্মাণ বা পুনৰ নিৰ্মাণ বাবে বিভিন্ন শিতানৰ পৰা প্ৰাক্ কলন প্ৰস্তুত কৰি থকা হৈছে। মই ভাৰো মাননীয় সদস্যগৰাকীয়ে যিটো সুধিছে, গতিকে পেকেজ বুলি নহলেও fragment কৰি হলেও, গোটেই কামখিনি আগবাঢ়ি গৈছে আৰু ২৮.৫৭ কিলোমিটাৰ পথৰ নিৰ্মাণ বা পুনৰ নিৰ্মাণৰ বাবে কাম কৰি থকা হৈছে, এইখিনি হলে তেখেতৰ বহুখিনি আগবাঢ়ি যাব আৰু তেখেতে যিটো কথা ইয়াত উত্থাপন কৰিছে, মই তেখেতক appreciate কৰিছে যে সেই অঞ্চলটো tourism ৰ কাৰণে উন্নয়ন কৰিব লাগে।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

**শ্ৰীমৃণাল শইকীয়া, (খুমটাই)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা অভিযোগ আছে যে নুমলীগড় ৰিফাইনাৰী লিমিটেডক লৈ। তেখেতসকলে ৰিফাইনাৰীটো থকা অঞ্চলত, তাৰ যিখিনি বেয়া গোন্ধ, pollution, সেই মানুহখিনিয়ে affected হৈ থাকে। কিন্তু ৰিফাইনাৰীৰ পৰা সেই অঞ্চল যিখিনি priority দিব লাগে, সেই priority টো তেওঁলোকে নিদিয়ে, তেওঁলোকে সেই অঞ্চলটো ইমান বছৰে pollution free কৰি দিব লাগিছিল, সেই ধুলি - বালিখিনি সেই স্থানীয় মানুহখিনিয়ে খায়। সেই কাৰণে তাৰ bad effect টো তেওঁলোকে পাইছে, তাৰ good effect খিনি সেই অঞ্চলত হোৱাটো প্ৰয়োজনীয়।

সেই কাৰণে মাননীয় অধ্যক্ষ মহোদয়, মই বিচাৰো যে সদনৰ পৰা এটা নিৰ্দেশনা যাব লাগে first priority they should give to the local people and local area যাতে তাত এটা প্ৰদুষণ মুক্ত সুন্দৰ বাতাবৰণ এটা সৃষ্টি হয়, NRL লৈ পেলাই তাত এখন যাতে ম'ডেল এৰিয়া স্থাপন হয়, কিয়নো তাত অসম আন্দোলৰ যোগেদি NRL টো আনিছিল আৰু অসম অন্দোলনৰ সপ্ত শ্বহীদৰ ঘৰে হ'ল তাত। সেই কাৰণে অঞ্চলটো ৫ কিলোমিটাৰ radius কৰি দিব লাগে আৰু সেইটো এটা ম'ডেল এৰিয়া হিচাপে ঘোষণা কৰিব লাগে।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। মন্ত্ৰী ডাঙৰীয়া ।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, নুমলীগড় ৰিফাইনাৰীয়ে মৰঙি অঞ্চলত বা অন্যান্য অঞ্চলত তেওঁলোকে CSR fund ৰ পৰা যথেষ্টখিনি কাম কৰি আছে আৰু কৰিব। এতিয়া নুমলীগড় ৰিফাইনাৰী উৎপাদন যেতিয়া ৩ মিলিয়ন টনৰ পৰা ৯ মিলিয়ন টন হ'ব, প্ৰায় ২৮.৫০০ কোটি টকা তাত খৰছ হ'ব। গতিকে যেতিয়া এছিয়াৰ ভিতৰতে প্ৰথম bamboo based bio diesel refinery ৰ কাম প্ৰায় শেষ হ'ব, নুমলীগড় ৰিফাইনাৰীয়ে CSR fund ৰ পৰা যথেষ্টখিনি কাম কৰি আছে আৰু কৰিব। NRL যিহেতুকে তেখেতৰ সমষ্টিতে পৰিছে, তেখেতৰ লগত নুমলীগড় ৰিফাইনাৰী কৰ্তৃপক্ষই নিশ্চয় আলোচনা কৰিব আৰু আমিও আমাৰ ফালৰ পৰা নুমলীগড় ৰিফাইনাৰীৰ M.D. ক কম যাতে বিধায়ক গৰাকীৰ লগত আলোচনা কৰি pollution ৰ বিষয়টো যাতে তেওঁলোকে নিৰাময় কৰিব পাৰে। সেইখিনি কথা চৰকাৰৰ ফালৰ পৰাও তেওঁলোকক কোৱা হ'ব।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই সদায় এটা কথা কৈ আছে যে এটা আন্দোলন বৰ্জিত পৰিবেশৰ কাৰণে আজি Advantage Assam successful হৈছে। আজি investment আহিছে। গতিকে সন্মানীয় সদস্য শ্ৰীমৃণাল শইকীয়া ডাঙৰীয়াক মই এটা

অনুৰোধ কৰিম যে নুমলীগড় ৰিফাইনাৰীৰ লগত আলোচনাৰ মাধ্যমেৰে যিখিনি CSR ৰ পৰিকল্পনা ল'ব লাগে, বা যিটো pollution ৰ বিষয় আছে, এই গোটেইবোৰ কথাই ভালকৈ আলোচনা কৰি ল'ব লাগে। অসমত স্থাপন কৰিবৰ বাবে Advantage Assam দৰে পদক্ষেপ লোৱা হৈছে। pollution ৰ কথাটো মই Pollution Control Board ৰ Chairman ক লগত লৈ তেখেতৰ লগত আলোচনা কৰিম।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া প্ৰশ্ন নং ৪২, সন্মানীয় সদস্য ড০ ৰফিকুল ইছলাম।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**ড° ৰফিকুল ইছলাম, (জনিয়া)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিত কেইটামান ৰাস্তাৰ কাম ২,৩ বছৰ আগৰ পৰা আৰম্ভ হৈছিল। ৮ ৰ পৰা ১০ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৰাস্তা এটাৰ repairing ৰ এটা package আছিল। দুটা ৰাস্তাৰ কাম এতিয়ালৈ আৰম্ভ হোৱাই নাই, আৰু আন দুটা সামান্য আৰম্ভ কৰিছে। উত্তৰত দিয়া মতে ৭ শতাংশ সম্পূৰ্ণ হৈছে। কিন্তু ২ বছৰ উকলি গৈ ৩ বছৰত ভৰি দিছে, এতিয়ালৈ হোৱা নাই। তেখেতসকলে লিখিছে যে বাতিল কৰি শীঘ্ৰেই ব্যৱস্থা কৰি থকা হৈছে। মই যিমানখিনি জানো, এতিয়ালৈ বাতিল কৰা হোৱা নাই। গতিকে মই আপোনাৰ জৰিয়তে বিভাগক অনুৰোধ কৰিম যাতে অতি সোনকালে বাতিল কৰি বেলেগ এজনক দায়িত্ব দিয়ে নহলে আকৌ পঞ্চায়তৰ হৈ যাব।

আন এটা ৰাস্তা ইতিমধ্যে ৩ বছৰ হ'ল, সেইটো উত্তৰত দেখুৱাইছে যে দ্ৰুতগতিত কাম চলি আছে। ২ মাহ আগত মই গৈছিলে, তেতিয়া এইটো হৈ থকা নাছিল। এক বা ডেৰ মাহত কিমানখিনি হৈছে, সেইটোত এটা সন্দেহ আছে। সেই ৰাস্তাটো, যিটো embankment cum road, যিটো ২ বছৰ আগতেই সম্পূৰ্ণ হ'ব লাগিছিল, এতিয়া ৩ বছৰ হৈ গ'ল সম্পূৰ্ণ হোৱা নাই। গতিকে বিভাগে যাতে এই বিষয়ত দৃষ্টি দিয়ে আৰু অতি কম সময়ৰ ভিতৰত আগৰটো বাতিল হ'ব লাগে আৰু দ্বিতীয়তে যদি কৰি আছে মাৰ্চ মাহৰ ভিতৰত সম্পূৰ্ণ কৰাৰ ব্যৱস্থা কৰিব লাগে। মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা উত্তৰ বিচাৰিছো।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে, সেইটো হয়। আচলতে এইবোৰ মেৰামতিৰ আঁচনি আছিল। কোনোবা ঠিকাদাৰে তাত বহুত লাভ কৰিব বুলি কামটো লৈছিল। কিন্তু তেওঁ যিবিলাক pothole আছে, সেই pothole বিলাকৰ কাম কৰি কৰি গৈ থাকোতে দেখিলে যে তেওঁৰ কামটোৰ পৰা বিশেষ লাভ নহ'ব। গতিকে তেখেতে এই কামটো লেহেমীয়া কৰি দিলে, কামটো সম্পূৰ্ণ নহ'ল। এতিয়া লোক নিৰ্মাণ বিভাগে এই ঠিকাদাৰ জনৰ কামটো বাতিল কৰিছে আৰু নতুন ঠিকাদাৰক দিয়াৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। নতুন ঠিকাদাৰ দিলে তেখেতে কামখিনি ভালকৈ কৰিব পাৰিব।

সন্মানীয় বিধায়ক জনৰ যিটো দ্বিতীয় প্ৰশ্ন আছিল, embankment cum road, সেইটো প্ৰায় ৭৪ শতাংশ শেষ হৈছে আৰু মই সদনৰ মজিয়াত আপোনাক আশ্বাস দিব বিচাৰিছো যে ৩১ মাৰ্চৰ ভিতৰত এই কামটো সম্পূৰ্ণ হ'ব।

**ড° ৰফিকুল ইছলাম, (জনিয়া)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ দ্বিতীয় প্ৰশ্নটো হ'ল SH-2 জনিয়াৰ পৰা যিটো অভয়াপুৰীলৈ গৈছে, বেকী দলংৰ আৰম্ভণিৰ পৰা ২০০ ৰ পৰা ২৫০ মিটাৰ ঠাই বেয়াকৈ খহনীয়া হৈছে। যাৰ কাৰণে ২ বছৰ ধৰি গধুৰ যান-বাহনৰ চলা-চল বন্ধ হৈ আছে।

মাননীয় সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ডাঙৰীয়াইও সেই ৰাস্তাটোৰে গৈছে আৰু আমাৰ মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী, তেখেতেও গৈছে আৰু temporary ভাৱে কিছুমান কামও কৰিছে। ৰাস্তাটো গোটেই চিঙি যোৱা নাই, কিন্তু ২০০-২৫০ মিটাৰ বহুত sensitive হৈ আছে। সেইখিনি Water Resource বিভাগে কৰিব নোৱাৰে পি. ডব্লিউ. ডি বিভাগে কিছু কাম কৰিব লাগিব। যাৰ কাৰণে হয়তো Water Resource ৰ পৰা হৈ উঠা নাই। যিখিনি Water Resource ৰ আছিল কাম চলি আছে। কিন্তু মই বিভাগক অনুৰোধ কৰিম যে এটা টাইড বান্ধ যদি তাত নপৰে তেতিয়াহলে সন্মুখত যি বানপানী আহি আছে চিঙি যোৱাৰ পূৰ্ণ সম্ভাৱণা আছে। আজি ২ বছৰৰ পৰা যানবাহন চলাচল বন্ধ। গতিকে মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে অনুৰোধ কৰিছো মন্ত্ৰী মহোদয়ক, মাননীয় মুখ্যমন্ত্ৰীয়ে নিশ্চয়কৈ শুনিব তাত বেছি নালাগে মাত্ৰ ৫ কোটি মান টকা দিলেই হ'ব। এই বেকী দলং ষ্টেট হাইৱে দুবছৰৰ পৰা গধুৰ যান বাহন চলাচল বন্ধ হৈ আছে আৰু এশ কোটিৰ দলঙো useless হ'ব, যদি চিঙি যায়। সেই কাৰণে মাননীয় Water Resource ৰ মন্ত্ৰীয়ে দেখিছে, কামো তাতো কৰাইছে তেখেতে, তেখেতক ধন্যবাদ, তেখেতৰ বিভাগৰ পৰা কৰাইছে। কিন্তু এতিয়া পি. ডব্লিউ. ডি বিভাগে কৰিব লগীয়া আছে মই অনুৰোধ কৰিম মাত্ৰ ৫/৭ কোটি টকা আৱন্টন দি যদি কাম খিনি নকৰে চিঙি যোৱাৰ সম্ভাৱণা আছে মন্ত্ৰী মহোদয়ৰ পৰা আশ্বাস বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ হ'ব, ধন্যবাদ। মাননীয় মন্ত্ৰী।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে যে আমাৰ বেকী নদীৰ মথাউৰিটোত বেকী নদীৰ পানীৰ যিটো সোঁত সেই সোঁতটো বেলেগ ফালে আহি যোৱাৰ কাৰণে এই দুৰ্ঘটনাটো হৈছে আচলতে। আৰু আপুনি যিটো কথা কৈছে সেইটো সঁচাকৈ concern হয়। আৰু সেইটো অকল মোৰে concern নহয় আমাৰ মাননীয় মন্ত্ৰী পীযুষ হাজৰিকা ডাঙৰীয়াও concerned. আমি দুয়োজনে এবাৰ আলোচনাও কৰিছো মাজতে। তেখেতেও এই কথাটো চেষ্টা কৰি আছে। কাৰণ বেকী নদীৰ প্ৰধান যিখন দলং সেইখন বহুত ডাঙৰ দলং। এতিয়া দলঙৰ তলেৰে পানী কমকৈ যায় অন্যফালেৰেহে পানী বেছিকৈ যায় আছে। গতিকে Water Resource বিভাগৰ কাৰণে সেইটো এটা ডাঙৰ চেলেঞ্জ হৈ আছে। কাৰণ বেকী নদী খনে কেতিয়া কোন ফালে সোঁত লৈ গুচি যায় তাৰ কোনো ঠিকনা নাই। গতিকে সেই কাৰণে এই কথাটোত আমি দেখিছো যে পি. ডব্লিউ. ডি বিভাগৰ এই ক্ষেত্ৰত কিবা এটা প্লেন আছিল তেওঁলোকে বনাই আছে। আপুনি কোৱাৰ দৰে ৫/৬ কোটি নালাগে ৪ কোটি মান টকা হ'লেই কামখিনি সম্পূৰ্ণ হ'ব। এতিয়া Plan Estimate তেওঁলোকে বনাই আছে আৰু পুঁজি সাপেক্ষে নিশ্চয় এই কামটো কৰিব লাগিব। এই কথাটোত আপোনাৰ কথাত মই একমত। কাৰণ সেই ৰাস্তাটোৰে আমি আজি অভয়াপুৰীৰ পৰা বৰপেটা ৪৫ কি.মিটাৰৰ ভিতৰত আহি পাই যাওঁ। এটা দীঘলীয়া ৰাস্তা ইয়াৰ এটা ডাঙৰ কানেক্টিভিটি আছে। গতিকে পি. ডব্লিউ. ডি বিভাগে এইটোৰ এটা ডি পি আৰ বনাই আছে। গতিকে পুঁজি সাপেক্ষে এই কথাখিনি নিশ্চয় হ'ব।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে ধন্যবাদ। এতিয়া প্ৰশ্ন নং ৪৩, শ্ৰীশ্বেৰমান আলী আহমেদ। মাননীয় মন্ত্ৰী।

**শ্ৰীকৃষ্ণেন্দু পাল, মন্ত্ৰী** ঃ উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰীশ্বেৰমান আলী আহমেদ, বাঘবৰ** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি প্ৰশ্নটো দিওঁ যাতে কামটো হয়। এতিয়া বিষয়া সকলে যেনেকৈ লিখি দিয়ে তেনেকৈ উত্তৰটো দিলে সদনক ভুল পথে পৰিচালিত কৰা হয়। ইয়াত কেইবাটাও মিছা কথা কোৱা হৈছে যে ২০২২ চনত বানপানীৰ

কাৰণে ৰাস্তাটোৰ কাম কৰিব পৰা নাই, এইটো সম্পূৰ্ণকৈ ভুল। সেই ৰাস্তাটোত কোনো দিন বানপানীয়ে নহয়। ২০২৩ চনত ৰাস্তাটোৰ ৫০ মিটাৰ চিঙি গৈছিল। ১৫ দিনৰ ভিতৰত বি ডি অ' ৰ দ্বাৰা সেইখিনি গাড়ী চলাচল কৰিব পৰাকৈ কৰি দিয়া হৈছে। ২০২১ চনত কামটো এল'টমেন্ট কৰা হ'ল ৩ মাহৰ ভিতৰত কাম resume কৰিব লাগে কিন্তু ঠিকাদাৰে এবছৰলৈকে কাম resume নকৰিলে। ২০২১ চন গ'ল, ২০২২ চন গ'ল, ২০২৩ চন গ'ল, ২০২৪ চন গ'ল, ৪ বছৰ গ'ল, ঠিকাদাৰৰ প্ৰতি চৰকাৰৰ, বিভাগৰ ইমান মৰম কিয়? কিয় কামটো বাতিল কৰিব পৰা নাই? আৰু দ্বিতীয়তে, জি এচ ভি লেভেললৈ কাম হৈছে। জি এচ ভি লেভেললৈ টকা হ'ল ২ কোটি ৭৩ লাখ আৰু ঠিকাদাৰ জনক দিছে ৬ কোটি ১৯ লাখ। Why this extra favour for the Contractor? ঠিকাদাৰৰ ঠিকাটো কিয় কেনচেল কৰা নাই? ৬ কোটি ১৯ লাখ কিয় দিয়া হ'ল? মই ইয়াৰ স্পষ্ট উত্তৰ বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। মাননীয় মন্ত্ৰী।

**শ্ৰীকৃষ্ণেন্দু পাল, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমতে যিটো কথা ক'লে যে মিছা কথা সেইটো Unparliamentary word.

**শ্ৰীশ্বেৰমান আলী আহমেদ, বাঘবৰ** ঃ This is untrue, This is misleading the House.

**মাননীয় অধ্যক্ষ** ঃ Please, please। মাননীয় মন্ত্ৰী।

**শ্ৰীকৃষ্ণেন্দু পাল, (মন্ত্ৰী)** ঃ ইয়াত পেকেজ দুটা আছে, এটা হ'ল ৫২২ আৰু এটা হ'ল ৫২৩। ৫২২ কেনচেল হৈছে, কেনচেল হোৱাৰ পিছত ৰি এলট কৰা হৈছে আৰু ৩১ মাৰ্চ, ২০২৫ ত এইটো completion কৰিব। ইতিমধ্যে ৭৫ শতাংশ কাম সম্পূৰ্ণ হৈছে। ৫২৩ একে ঠিকাদাৰক কাম দিয়া হৈছে আৰু ইয়াত যিটো Stipulated date of completion ৯-২-২০২২ ত এইটো সম্পূৰ্ণ কৰাৰ কথা আছিল কিন্তু তাত ২০২২ ত যিটো বানপানী, বানপানীৰ কাৰণে ইয়াত প্ৰায় ৭০ মিটাৰ Erosion হৈ washout হৈ গ'ল। তাৰ কাৰণে District Transport officer Barpeta imposed Ban in the movement of heavy vehicles. গধুৰ যানবাহন যাতে তাত চলাচল কৰিব নোৱাৰে তাৰ কাৰণে কাম কৰিব পৰা নাই ঠিকাদাৰে। তাৰ পিছত water Resource বিভাগৰ ফালৰ পৰা এই portion টো ইতিমধ্যে fill up কৰা হৈছে। তাৰ পিছত ঠিকাদাৰে আকৌ কাম আৰম্ভ কৰিছে তেওঁক যিটো সময় দিয়া হৈছে সেই সময়টো হ'ল যে ৩১ মাৰ্চ, ২০২৫ ত এইটো সম্পূৰ্ণ কৰিব। ইতিমধে দ্ৰুত গতিত কাম আগবাঢ়ি গৈ আছে। ইয়াত আৰু এটা কথা মাননীয় অধ্যক্ষ মহোদয়, যে কোৱা হৈছে যে তাত যি পেমেন্ট দিয়া হৈছে,যিটো First running Bill সেইটোহে পেমেন্ট কৰা হৈছে। তাত ২০২২ First running Bill ২ কোটি ৬৫ লাখ, ৮৩ হাজাৰ ৯৪৪ টকা, দ্বিতীয় running Bill এপ্ৰিল ২০২২ ত ২ কোটি ১২ লাখ ৮০ হাজাৰ ২০১ টকা As per DPR, As per estimate যি কাম কৰিছে তাৰ ওপৰত ভিত্তি কৰি বিল পেমেন্ট কৰা হৈছে।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। ধন্যবাদ।

**শ্ৰীশ্বেৰমান আলী আহমেদ, বাঘবৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথম কথাটো হ'ল মন্ত্ৰী মহোদয়ে mechanically উত্তৰটো দিলে একো লাভ নাই।

**মাননীয় অধ্যক্ষ** ঃ এটাটো কেনচেল কৰিলে।

**শ্ৰীশ্বেৰমান আলী আহমেদ, বাঘবৰ** ঃ মই প্ৰথমটোৰ কথা কোনো প্ৰশ্নই কৰা নাই। Supple-

mentary কৰা নাই। দ্বিতীয় ৫২৩ ৰ বিষয়ে মই Supplementary কৰি আছো। Date of completion was 9th February, 2022.

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰীয়ে কৈছে।

**শ্ৰীশ্বেৰমান আলী আহমেদ, বাঘবৰ** ঃ ছাৰ, যিটো বানপানীৰ কথা কৈছে ২০২২ চনৰ This is a Blatent lie, let the Government enquire. ২০২৩ চনতহে ৫০ মিটাৰো নহয় ৩০ মিটাৰ ঠাই চিঙিছিল আৰু Water Resourceৰ পৰা নহয় এনৰেগাৰ পৰা বিডিঅ'ৰ দ্বাৰা ২০২৩ চনতে ১৫ দিনৰ ভিতৰত ক্লিয়াৰ কৰিছো।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী ডাঙৰীয়াই এতিয়া সম্পূৰ্ণ কৰিব ২০২৫ চনত। মন্ত্ৰী ডাঙৰীয়াই ইতিমধ্যে উত্তৰ দিলে।

**শ্ৰীশ্বেৰমান আলী আহমেদ, বাঘবৰ ঃ** মিছা কথা ৰিপ্লাই দিলে লাভ নাই।

**মাননীয় অধ্যক্ষ** ঃ আপোনাৰ যিটো আছিল কৈছে সেইটো।

**শ্ৰীশ্বেৰমান আলী আহমেদ, বাঘবৰ ঃ** ঃ মই আপোনাৰ জৰিয়তে অনুৰোধ কৰিছো এটা enquiry কৰিব দিয়ক। জি. এচ. বি লৈ কাম গৈছে ছাৰ, জি. এচ. বিৰ মুঠ টকা হ'ল ২ কোটি ৭৩ লাখ।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় বিধায়ক এইটো সকলো স্বীকাৰ কৰি উত্তৰ দিছে আৰু এতিয়া ইতিমধ্যে আৰম্ভ কৰিছে আৰু ২০২৫ চনৰ ভিতৰত সম্পূৰ্ণ কৰিব।

**শ্ৰীশ্বেৰমান আলী আহমেদ,বাঘবৰ** ঃ ছাৰ, টকা হ'ল ২ কোটি ৭৩ লাখ। টকা দিলে ৬ কোটি ১৯ লাখ। ৪ বছৰ কামটো পেণ্ডিং আছে। আপোনাক অনুৰোধ কৰিছো এটা enquiry কৰিব দিয়ক। এই ঠিকাদাৰৰ প্ৰতি কিয় ইমান মৰম। ৪ বছৰ পাৰ হৈ গ'ল কাম নহ'ল, ৩১ মাৰ্চৰ ভিতৰত কাম কৰিবলৈ টকা কোনোবাই ঠিকাদাৰক খাবলৈ দিয়ে নেকি?

**মাননীয় অধ্যক্ষ** ঃ বিভাগে enquiry কৰিব দিয়ক। মন্ত্ৰীয়ো ইয়াত আছে।

**শ্ৰীকৃষ্ণেন্দু পাল, মন্ত্ৰী** ঃ কিয় Blacklisted কৰা হয়? ইয়াত blacklisted কৰা নাই। Blacklisted এনেকৈ নহয়। দুটা প্ৰশ্নৰ উত্তৰ দি আছো। Blacklisted ৰ এটা normsআছে। এই কেইটা tender হোৱাৰ পাছত তাৰ bit document Original যিটো demad draft আৰু origing affidavit Regarding the machineries and document যিখন submit কৰে, তেওঁলোকে tcehnical যিটো open কৰে open কৰাৰ পাছত irrigular pice পোৱা যায়, তেতিয়া হ'লে তেখেতক এই Contractor জন ৫ বছৰৰ কাৰণে depart কৰি দিয়া হয়। যাতে তেখেতে participate কৰিব নোৱাৰে tender year ত, আৰু এটা কথা ইয়াত কোৱা হৈছে যে কোনো Flood হোৱা নাই, NREGA পৰা কাম হৈছে কিন্তু ইয়াত Water Resource Department য়ে যি NOC বিচাৰিছে, PWD Department য়ে NOC দিছে সকলো Document ইয়াত আছে। As per document মই কৈছো।

**মাননীয় অধ্যক্ষঃ** please , Please , Hon'ble Member arguement কৰিব নালাগে। এইটো debate নহয়। তেখেতে উত্তৰ দি আছে। Next quetion No.44 শ্ৰী ধৰ্ম্মেশ্বৰ কোঁৱৰ,মাননীয় মন্ত্ৰী ।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ)ঃ** চাৰ, আপুনি protection কৰিব লাগে।

**মাননীয় অধ্যক্ষঃ** Reply দিলে, এইটোৱেটো protection, .কাজিয়া কৰাৰ কাৰণে নহয় Assembly. আপুনি প্ৰশ্ন কৰিছে তেখেতে Reply দিলে। Department য়ে যিটো কৰিছে

সেইটোহে Reply দিব। আপুনি satisfied যদি নহয় সেইটো আপোনাৰ কথা। আপুনি satisfied হ'ব লাগে বুলি কি কথা আছে। please বহক। আপুনি কিয় আগৰ কথাটো কৈ আছে। আপুনি যিখিনি কৈছে সকলো admit কৰি Reply দিলে, আপুনি যে ক'লে সকলো হ'ব লাগে আপোনাৰ মতে কেনেকৈ হ'ব। please please sit down Hon'ble Member এনেকৈ কৰিব নালাগে। এইখন House হয়। এইটো question hour, not debate .

**শ্ৰী ধৰ্ম্মেশ্বৰ কোঁৱৰ, (মৰাণ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰধানমন্ত্ৰী অমৃত সৰোবৰ নামত বিশেষকৈ মোৰ সোণাৰী সমষ্টিত প্ৰায় ৫৩ টা অমৃত সৰোবৰ খন্দা হৈছিল,এই অমৃত সৰোবৰ খন্দা এটা বৃহৎ সিদ্ধান্ত, আমাৰ মাননীয় প্ৰধানমন্ত্ৰী মহোদয়েৰ এটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত। গতিকে এই অমৃত অমৃত সৰোবৰ সমূহত কিয়নো জলবায়ু আৰু প্ৰদূষণ লক্ষ্য কৰি প্ৰতি লক্ষ্য ৰাখি পৃথিৱীৰ ওপৰিভাগত যদি পানী সঞ্চিত কৰি ৰখা হয় ভূ-গৰ্ভৰ পানী বৃদ্ধি পায়। যি হ'লেও এইটো বৈজ্ঞানিক পদ্ধতি। কিন্তু কথা হ'ল যে এই আমাৰ যি অমৃত সৰোবৰ সমূহত বৈজ্ঞানিক পদ্ধতিয়ে মীন পালনৰ প্ৰশিক্ষণ দি যিবিলাক নিবনুৱা যুৱক -যুৱতী আছে, সেই সকলক অন্তত আত্মসংস্থাপনৰ কাৰণে কিবা মীন পালন কৰিবলৈ সুবিধা কৰি দিব পৰা ব্যৱস্থা আমাৰ বিভাগে লৈছে নেকি? তাৰ কাৰণে আমাৰ বিভাগীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিলে ভাল হ'ব। তাৰোপৰি লগতে আমাৰ এই পদক্ষেপ যদি গ্ৰহণ কৰিছে তেন্তে স্থানীয় যুৱক- যুৱতী সকলক উন্নত প্ৰশিক্ষণ দিয়াৰ আৰ্থিক সাহাৰ্য্য প্ৰদান কৰাৰ লগতে যিবিলাক দানা, সেইবোৰ যোগান ধৰাৰ বাবে কিবা পদক্ষেপ গ্ৰহণ কৰিছে নেকি? মাননীয় মহোদয়ৰ পৰা জানিলে নিশ্চয় ভাল হ'ব।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ।

**শ্ৰী কৃষ্ণেন্দু পাল, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক ধৰ্ম্মেশ্বৰ কোঁৱৰ মহোদয়ে গুৰুত্বপূৰ্ণ এটা প্ৰশ্ন কৰিছে, ইয়াত অমৃত সৰোবৰ আঁচনিৰ it is related with PNRD Department. কিন্তু অমৃত সৰোবৰ, মীন বিভাগে পুখুৰী খনন কৰা নাই। এইটো PNRD Department. ফালৰ পৰা পুখুৰী খনন কৰা হৈছে। তাৰ পিছত পঞ্চায়ত আৰু গ্ৰাম উন্নয়ন বিভাগে এটা SOP ৰ জাৰি কৰিছে যে director পৰা CLF যিটো cluster Level আমাৰ Federation তেওঁলোকে এই অমৃত সৰোবৰ যিটো খনন কৰা হৈছে এইটো তেওঁলোকক হস্তান্তৰ কৰণৰ কৰাৰ কাৰণে ০১-০৬-২০২২ চনত order কৰা হৈছে। তাৰ পিছত আমাৰ 50 crore আৰু আমাৰ Fishery Department এ as per যিটো আমাৰ Training কৰা হৈছে 17,462 Cluster Level Federation ৰ Traning দিয়া হৈছে। Training দিয়াৰ পিছত তেওঁলোকে যিটো ক্ষমতা fishing টো কৰিব লাগে আৰু অমৃত সৰোবৰ পৰাৰ যিটো as per norms ৰ খনন হোৱা কথা কৈছে , তাতে আমাৰ কেইটামান দিয়া আছে, 17,462 সেই Traning camp ৰ পিছত এতিয়া আকৌ আমাৰ যিটো CMGSY জৰিয়তে fish sheed তাত যাতে মীন বিভাগে দিয়া ব্যৱস্থাত কৰা হয়। তাৰ কাৰণে কেইটামান প্ৰকল্প হাতত লোৱা হৈছে, আৰু আমাৰ বিশেকৈ যিটো SIPA প্ৰতেক টা জিলাৰ পৰা ১২ ৰ পৰাৰ ১৫ জন progressive farmers, তেওঁলোকক যাতে ভাল Training দিয়া যায়। তাৰ কাৰণে kolkata ,West Bengal আৰু Odisha আমাৰ মীন বিভাগৰ পৰা এটা Training Session already Complete হৈছে, আৰু নতুনকে প্ৰতেকেইটা জিলাৰ পৰা আমি already progressive fish farmers ৰ নাম আহিছে। এতিয়া আমি যতিয়া SIPA ৰ পৰা পাই যাম। তাৰ পিছত সেই progressive farmers বিলাকক Training ৰ কাৰণে পঠোৱা হ'ব।

২নম্বৰ আমাৰ মাননীয় বিধায়ক মহোদয়ে যিটো কথা কছে "প্ৰধানমন্ত্ৰী মৎস্য সম্পদা যোজনা" জৰিয়তে আমাৰ বহুত কেইটা আঁচনি হাতত লোৱা হৈছে। তাৰ মাজত নতুন পুখুৰী খনন আৰু সুসংগত মৎস্য পালনৰ জৰিয়তে বিত্তীয় সাহাৰ্য্য দিয়া হৈছে, আৰু সকলোকে ডাঙৰ কথা হৈছে এইটো PMMSY অধীনত যদি কোনবা মানুহে পুখুৰী খনন পাৰে তাৰ কাৰণে মহিলা আৰু অনুসূচিত জাতিৰ বা জনজাতি ৬০ শতাংশ ৰাজ সাহাৰ্য্য আৰু পিছপৰা জাতিৰ কাৰণে ৪০ শতাংশ ৰাজ সাহাৰ্য্য দিয়া ব্যৱস্থা হাতত লোৱা হৈছে। আজি আপুনি যি প্ৰশ্ন কৰিছে তাৰ বাবে আমি কোপ ভাল পাইছো । কিন্তু আমাৰ এটা আবেদন আছে। সকলো মন্ত্ৰী বা বিধায়ক মহোদয় আছে, আমাৰ যিটো breeding period অসমত ১ এপ্ৰিল পৰাৰ ১৫ জুলাইলৈকে মাছ ধৰাৰ নিষেধ সময়, যিটো breeding period ৰ সেই সময়ত আমি elected all repreeatatives গোটেই অসমৰ চ'ব নাগৰিকে যদি এই সময়টো আমি ভালকৈ follow up কৰো Fihshary যাতে breeding period প্ৰজননৰ সময় থাকে, এই সময়ত যাতে fishing নহয়। আমাৰ মাননীয় মূখ্য মন্ত্ৰী মহোদয়ক যি তাৰগেট, যে অসমৰ বাহিৰৰ পৰা ম্যাদ যদি আনিব নালাগে, অসম যাতে নিজে মাছ উৎপাদন কৰিব পাৰো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী জাকিৰ হুছেইন শিকদাৰ ডাঙৰীয়াই কওঁক।

**শ্ৰী জাকিৰ হুছেইন শিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে মাননীয় মন্ত্ৰী ডাঙৰীয়াই কৈছে যে প্ৰধানমন্ত্ৰী মৎস্য সম্প্ৰদায় যোজনা (PMMSY) ৰ অধীনত হিতাধিকাৰী যিসকল মীন পালক তেখেতসকলক মাছৰ পোনা আৰু মাছৰ দানা দিয়া হয়। এতিয়া মোৰ প্ৰশ্ন আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী ডাঙৰীয়ালৈ যে এই বিত্তীয় বৰ্ষত অসমৰ কিমানজন মীন পালকক মাছৰ পোনা আৰু মাছৰ দানা দিয়া হৈছে, সেইটো উল্লেখ কৰিব লাগে। লগতে আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে অসমত মীন পালক সকলে মাছৰ পোনা আৰু মাছৰ দানা নাপায়, বিভাগীয় সকলৰ জৰিয়তে মাছৰ পোনা আৰু মাছৰ দানা বাহিৰৰ বজাৰত বিক্ৰী কৰে। এই কথাটো মই দৃষ্টিগোচৰ কৰিব বিচাৰিছো আৰু ইয়াৰ উত্তৰ বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিব।

**শ্ৰী কৃষ্ণেন্দু পাল, মন্ত্ৰী, পশুপালন আৰু পশু চিকিৎসা বিভাগ ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ হাতত বৰ্তমান এনেকুৱা কোনো তথ্য নাই আৰু আমাৰ বিভাগে প্ৰত্যেকটো ক্ষেত্ৰতে খুব ভালকৈ কাম কৰি আছে। আজিৰ দিনত গোটেই ভাৰতবৰ্ষৰ ভিতৰতে মৎস্য উৎপাদনৰ ক্ষেত্ৰত অসম স্থান চতুৰ্থ। যদি কোনোবা ঠাইত এনেকুৱা হৈছে আপুনি আমাক লিখিতভাৱে দিব আৰু ইয়াৰ ওপৰত পদক্ষেপ গ্ৰহণ কৰা হ'ব।

**শ্ৰী জাকিৰ হুছেইন শিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ কিমানজন মীন পালকক মাছৰ পোনা আৰু মাছৰ দানা দিয়া হৈছে, সেই কথাটো মাননীয় মন্ত্ৰী মহোদয়ে উল্লেখ কৰা নাই। আশা কৰিছো তেখেতে সদনত উল্লেখ কৰিব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিব।

**শ্ৰী কৃষ্ণেন্দু পাল, মন্ত্ৰী, পশুপালন আৰু পশু চিকিৎসা বিভাগ ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ হাতত বৰ্তমান এনেকুৱা কোনো তথ্য নাই । আপুনি আমাৰ তালৈ আহিব, আমি আপোনাৰ সমষ্টিৰ কিমান জনক দিয়া হৈছে তাৰ তথ্য নামৰ সৈতে প্ৰদান কৰিম।

**শ্ৰী জাকিৰ হুছেইন শিকদাৰ,(সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই গোটেই অসমৰ কথা কৈছো। বিভাগৰ হাতত তথ্য থাকিব লাগে।

**माननीय अध्यक्ष ঃ** আপুনি সংখ্যাৰ কথা সুধিছে। এইটো প্ৰশ্নই নাছিল। আপুনি ইয়াৰ তথ্য পিছত Â±Â¼Ûĵ Âþ› ¶ŸöÑ৪৫। এতিয়া মাননীয় সদস্য ড° পৰমানন্দ ৰাজবংশী ডাঙৰীয়াই কওঁক।

**শ্ৰীমতী নন্দিতা গৰ্লোছা, মন্ত্ৰী, ক্ৰীড়া আৰু যুৱ কল্যাণ ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**ড° পৰমানন্দ ৰাজবংশী, (ছিপাঝাৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ভাৰতীয় ঐতিহ্য আৰু পৰম্পৰাৰ এবিধ ক্ৰীড়া হৈছে- Kallaripayattu. সনাতনী সভ্যতাৰ এগৰাকী বিশেষ ব্যক্তি পৰশুৰাম এই খেলবিধৰ উদ্ভাৱক। কেৰেলা চৰকাৰ আৰু তাৰ পিছত কেন্দ্ৰীয় চৰকাৰে এই খেল বিধক স্বীকৃতি দিছে। যোৱাবেলি গোৱাত যি ৰাষ্ট্ৰীয় খেল অনুষ্ঠিত হৈছিল তাত অসমৰ দলৰ ৯ জনে পদক পাবৰ বাবে সক্ষম হৈছিল আৰু আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ চিন্তা-চেতনাৰ বাবে আটাইগৰাকীয়ে চাকৰি পাবলৈ সক্ষম হৈছে। এইবেলি যি ৰাষ্ট্ৰীয় খেল হৈছিল, তাত অসম চৰকাৰৰ ফালৰ পৰা যিসকলে Kallaripayattu যোগদান কৰিছিল, তাতেও তেওঁলোকে ১৬ টা প্ৰদৰ্শনী খেলত যোগদান কৰি পদক লাভ কৰিছে। আমাৰ বাবে আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়টো হৈছে যে এই খেলবিধ অসমত অতি জনপ্ৰিয় হৈছে আৰু পৰশুৰামৰ দ্বাৰা উদ্ভাৱন হোৱা এইয়া এবিধ আত্মৰক্ষা মূলক খেল। এই খেল ছাত্ৰ-ছাত্ৰী বা যুৱক-যুৱতী সকলৰ মাজত অতি জনপ্ৰিয় খেল হিচাপে পৰিগণিত হৈছে। মোৰ কথাটো হৈছে যে অসম অলিম্পিক সংস্থাই এই খেলবিধক কেন্দ্ৰীয় চৰকাৰে যি মৰ্য্যদা দিছে, সেই মৰ্য্যদা দিয়াৰ ক্ষেত্ৰত অসম চৰকাৰে অকণমান অৱহেলা কৰিছে। মোৰ এটাই কথা যে যিসকলে এইবাৰ প্ৰদৰ্শনীমূলক খেলত তেওঁলোকে ১৬ টা পদক আজুৰি আনিবলৈ সক্ষম হৈছে, সেই ১৬ গৰাকী খেলুৱৈ আমাৰ বিধান সভাৰ মজিয়াতে আছে আৰু তেওঁলোকে আমাৰ বিধান সভা চাবলৈ আহিছে। তেওঁলোকে মাননীয় মন্ত্ৰী মহোদয়ক লগ ধৰিব। যোৱাবাৰ যেনেকৈ অসম চৰকাৰে চাকৰি নিযুক্তি বা অন্যান্য সা-সুবিধা দিছে, সেইখিনি সা-সুবিধা এইবাৰ এই খেল খনত যিসকলে যোগদান কৰিছে তেওঁলোকক দিলে ভাল হ'ব। এই দিশটোৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিবলৈ মই এই প্ৰশ্নৰ অৱতাৰণা কৰিছো। এই খেলটো জনপ্ৰিয় কৰাৰ ক্ষেত্ৰত অসম চৰকাৰে কি ধৰণে পদক্ষেপ গ্ৰহণ কৰিব তাৰ আশ্বাস দিলে ভাল হয়।

**माननীয় অধ্যক্ষ ঃ** এতিয়া মাননীয়া মন্ত্ৰী মহোদয়াই উত্তৰ দিব।

**শ্ৰীমতী নন্দিতা গৰ্লোছা, মন্ত্ৰী, ক্ৰীড়া আৰু যুৱ কল্যাণ ইত্যাদি বিভাগ ঃ** Hon'ble Speaker Sir, for the game of Kallariyapayattu , we got the information that this year in the National Games it is not in the compitative mode .It not only about Assam , it for the rest of India.When the National Games was played in the Goa , it was taken as a compitative one. To decide it wheather it will come as a compition or exibhition it not in the hands of the Assam Olympic Association, it is under the Indian Olympic Association. They decide it waht type game should be included when. But unfortunately , in the month of 15th or 16th December, we got the information that the whole picture of the games were declared. From there we understood that Kallariyapayattu is not there in the list of National Games as a compition. But as the days procceeded we understood that they are supposed to be in the

National Games and finally when Assam Olympic Games registered in the month of January, they are in the process to go to Uttarakhand and they have already played there.The Hon'ble MLA had asked the Question like wheather the Assam Olympic Association has taken any interest or not? We are in the process of taking an interest. The Govt. of Assam has keen interest in taking games as National sports. But wheather it will go as National Games will be decided by Indian Olympic Association.The Hon'ble M LA has asked wheather the Assam Govt will take steps for giving jobs to those medal winner players, if it come under our policy we will definetely follow it but to make it more clear , those who had played Kallariyapayattu and won silver and broze medals except one who is under age has given incentive of Rs 40000 and all rest have given jobs from the Govt. of Assam. Thank you.

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ. এতিয়া প্ৰশ্ন নং-৪৬। মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী ওৱাজেদ আলী চৌধুৰী, (বিলাসীপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিলাসীপাৰা মই এই প্ৰশ্নটো আৰু কেইবাবাৰো কৰিছো। ২০১৯ চনত এই দলংখন কৰিবৰ বাবে অৰ্ডাৰ দিছিল আৰু ২০২১ চনত সম্পূৰ্ণ হোৱাৰ কথা আছিল। বৰ্তমান ২০২৫ চন চলি আছে আৰু আজি উত্তৰ দিয়া মতে ৬০ শতাংশ কাম সম্পূৰ্ণ হৈছে। উত্তৰ দিয়া হৈছে যে ভূমি অধিগ্ৰহণ আৰু HT Line স্থানান্তৰণৰ কাৰণে প্ৰস্তুত কৰা এষ্টিমেট ইতিমধ্যে অনুমোদিত হৈছে। এইখিনি অনুমোদিত কৰাৰ কাৰণে পাঁচ বছৰ সময় লাগিল। মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে ভূমি অধিগ্ৰহণ আৰু HT Line ৰ টকাখিনি কেতিয়া দিব আৰু কামটো কেতিয়া সম্পূৰ্ণ কৰা হ'ব?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে সকলোখিনি জানে আৰু উত্তৰটো তেখেতে দিছেই। দলংখনৰ ভূমি অধিগ্ৰহণ আৰু HT Line তাৰ পৰা আঁতৰোৱা এই দুটা কথা আছিল। এই গোটেইখিনি কথা বিভাগে নিগ'চিয়েট কৰি প্ৰক্ৰিয়াটো আৰম্ভ কৰিছে। এইটো আপোনাৰ বাবে এটা ভাল খবৰ যে অতি সোনকালে ভূমি অধিগ্ৰহণৰ পইচা দিয়া আৰু HT Line তাৰ পৰা আঁতৰোৱা প্ৰক্ৰিয়াটো বিভাগে অতি সোনকালে আৰম্ভ কৰিব। পইচাখিনি আদায় দিয়াৰ লগে লগে আমি মাটিখিনি পাই যাম আৰু তাৰ পিছত আপোনাৰ দলংখনৰ যিখিনি কাম বাকী আছে সেই কামখিনি হৈ যাব। আপোনাৰ নিজৰ জিলাৰ ঠিকাদাৰে সেই কামখিনি কৰি দিব।

**মাননীয় অধ্যক্ষ ঃ** আপুনি ভাল খবৰ পালে।

**শ্ৰী ওৱাজেদ আলী চৌধুৰী, (বিলাসীপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ভাল খবৰ প্ৰত্যেকবাৰে পাই আছো। কিন্তু এইটো শেষ হ'ব কেতিয়া? এই টকাখিনি কেতিয়া পাব আৰু দলং খন কেতিয়া সম্পূৰ্ণ হ'ব তাৰ এটা নিৰ্দ্দিষ্ট তাৰিখ আমাক দিয়ক।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, দলং খন কেতিয়া সম্পূৰ্ণ হ'ব তাৰ এটা নিৰ্দ্দিষ্ট তাৰিখ সময় ক'ব নোৱাৰি। মাননীয় সদস্য ওৱাজেদ আলী ডাঙৰীয়া আপুনি এজন জ্যেষ্ঠ বিধায়ক আৰু এটা সময়ত মন্ত্ৰীও আছিল। আপুনিও জানে যে কেতিয়া সম্পূৰ্ণ হ'ব তাৰ নিৰ্দ্দিষ্ট সময় কোনেও ক'ব নোৱাৰে। ইয়াৰোপৰি আপোনাৰ ধুবুৰী জিলা এখন বানপীড়িত অঞ্চল। মই যদি কওঁ কালি সম্পূৰ্ণ হ'ব আৰু হঠাৎ বানপানী আহি যায় আৰু কামটো নহ'ল, তেতিয়া আপুনি ক'ব যে মই কোৱা কথাটো নহ'ল। কিন্তু এটা কথা যে আপুনি যিখিনি কথা মোক অনুৰোধ কৰিছে আৰু যোৱা চৰকাৰৰ দিনতো অনুৰোধ কৰিছিল সেইখিনি অলপ দেৰী হ'লেও কামখিনি হৈছে। এই কথাটো আপুনিও নিশ্চয় মানে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং-৪৭। মাননীয় সদস্য কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই ক'ব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ** অধ্যক্ষ মহোদয়, ৰাজ্যত অপৰাধ আৰু অপৰাধীৰ সংখ্যা drastically reduce হৈছে। এইটো আমি অস্বীকাৰ কৰিব নোৱাৰো। আগতে, কিবা হ'লেই ৰাস্তা বন্ধ হৈ গৈছিল, আন্দোলন হৈছিল। এতিয়া এনে পৰিৱেশ নাই। আমি দেখা পাওঁ যে আগতে থানাত গ'লে দালালৰ লগত গৈ লগ ধৰিব লাগিছিল। আজিকালি দালাল ধৰিব নালাগে। মুখ্যমন্ত্ৰীৰ চিন্তা-ধাৰা আৰু বিশেষকৈ অসম পুলিচৰ মানসিকতাৰ কাৰণে আজি এনেকুৱা এটা পৰিৱেশ হৈছে। মই এটা কথা সুধিছিলো যে যোৱা তিনি বছৰত বাংলাদেশৰ কিমান লোকে প্ৰৱেশ কৰিছে? তেওঁলোকৰ নাম সদনত উল্লেখ কৰিব কৈছিলো। বিভাগে দিয়া তালিকাখন চাই মই দেখিলো প্ৰথম নামটো ফকৰুদ্দিন আৰু শেষৰ নামটো ছাহাব উদ্দিন। তাৰে মাজত যিমান নাম আছে অৰ্থাৎ ৯৮% বাংলাদেশত ধৰ্মীয় নিৰ্যাতন পাই থকা লোক। মই অসত্য কথা কোৱা নাই। বিভাগে দাখিল কৰা Annexure ত আছে। মই এইটো কাৰণতে কৈছো যে, এই যিটো অনুপ্ৰৱেশ হৈ আছে, তাৰ কাৰণে চৰকাৰে কি ধৰণে পদক্ষেপ লৈছে? .......interruptions......

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, সৰুক্ষেত্ৰীঃ** চাৰ, Border Police বিফল হৈছে। এনেধৰণে অনুপ্ৰৱেশকাৰী অসমলৈ আহিছে, Border Policeয়ে কি কৰি আছে?.....interruptions........

**মাননীয় অধ্যক্ষঃ** Questionner য়ে সুধি আছে, মন্ত্ৰীয়ে উত্তৰ দিব নহয়। মন্ত্ৰীয়ে উত্তৰ দিয়াৰ পিছত ক'ব। Please sit down. .......interruptions......

**শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ** অধ্যক্ষ মহোদয়, মই তথ্যৰ ওপৰত ভিত্তি কৰি কৈ আছো। মই হিন্দু মুছলমান কৰিব বিচৰা নাই। মই যিমান নাম পাইছো, বিভাগে যি তথ্য দিছে, তাৰ ওপৰত ভিত্তি কৰিহে কৈছো

**(সদনত হুলস্থূল)**

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী.......interruptions......

**শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ** মই যি তথ্য পাইছো তাৰ ওপৰতে কৈছো।

**মাননীয় অধ্যক্ষঃ** আপুনি নিজৰ প্ৰশ্নটো সোধক ......interruptions......

**শ্ৰী দেবব্ৰত শইকীয়া, মাননীয় বিৰোধী দলপতিঃ** অধ্যক্ষ মহোদয়, অসম চুক্তি অনুসৰি বিদেশী মানে বিদেশী। ইয়াৰ কোনো ধৰ্মৰ ভিত্তিত চিনাক্তকৰণ হ'ব নালাগে। সেই গতিকে এনেকুৱা

ধৰণৰ প্ৰশ্নই উঠিব নালাগে। বিদেশীক বিদেশী হিচাপে গণ্য কৰিব লাগে.........interruptions......

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী .....interruptions......

**শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ** অধ্যক্ষ মহোদয়, মোক ক'বলৈ দিয়ক। আচলতে কথাটো হৈছে যে এইটো মোৰ কথা কোৱা নাই.........interruptions......

**মাননীয় অধ্যক্ষঃ** প্ৰশ্ন নং ৪৮। শ্ৰী ভৰেন্দ নাথ ভড়ালী।

**শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ** অধ্যক্ষ মহোদয়, মোৰ উত্তৰটো নিদিয়ে নেকি ?

**মাননীয় অধ্যক্ষঃ** আপুনি দেখোন উত্তৰ বিচৰাই নাই। সেইকাৰণে এওঁলোকৰ লগত লাগি আছে। Specific প্ৰশ্নটো সোধক। আপুনি কি জানিব বিচাৰে সেইটো সোধক।

(সদনত হুলস্থূল)

**শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ** অধ্যক্ষ মহোদয়, মোক উত্তৰটো লাগে।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** অধ্যক্ষ মহোদয়, আমি কিছুমান সৰু সৰু কথাত সদনত যদি এনেকৈ বেছিকৈ তৰ্ক বিতৰ্ক কৰোঁ, তেন্তে সদনত .......interruptions...

**মাননীয় অধ্যক্ষঃ** আপুনি উত্তৰটো দিয়ক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** অধ্যক্ষ মহোদয়, ইমান হুলস্থূল হ'বলগীয়া কোনো কথা নাই। তেওঁ যিকেইটাৰ নাম পাইছে, সেই নামকেইটাৰ কথা তেওঁ কৈছে। তেওঁ কোৱাৰ কাৰণটো হ'ল যে বাংলাদেশৰ পৰা কিছুমান মানুহ ধৰ্মীয় উৎপীড়ন হোৱাৰ ফলত আহে। কিছুমান মানুহ আকৌ ধৰ্মীয় উৎপীড়নৰ বাবে নাহি অৰ্থনৈতিক কাৰণতো আহে। তেওঁ কথাটো হয়তো সেই লাইনতে কৈছিল যে অৰ্থনৈতিক কাৰণত কোনোবা আহিছে নেকি ......interruptions... ৰ'ব, মই কথাটো কৈ আছো।

**মাননীয় অধ্যক্ষঃ** Please উত্তৰটো শুনক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** অধ্যক্ষ মহোদয়, ধৰ্মীয় উৎপীড়নত অহা আৰু অৰ্থনৈতিক উৎপীড়নৰ বাবে অহা দুইটাৰ বিষয়-বস্তু বেলেগ বেলেগ। মই কোনো জাতি ধৰ্মৰ কথা কোৱা নাই। সদস্য গৰাকীয়ে হয়তো কথাটো সেইটো লাইনতে কৈছিল। কিন্তু কথাটো misinterprete হ'ল। মহোদয়, মই অসমীয়া যিমান ভালকৈ কৈছো, বেংগলী ভাষা সিমান ভালকৈ হয়তো নোৱাৰিম। তেওঁ যিহেতু শ্ৰীভূমি জিলাৰ মানুহ, সেয়েহে অসমীয়া ভাষাত তেওঁ হয়তো ভালকৈ বুজাব পৰা নাই........interruptions...

**মাননীয় অধ্যক্ষঃ** হ'ব। ধন্যবাদ। প্ৰশ্ন নং ৪৮। শ্ৰী ভৰেন্দ্ৰনাথ ভড়ালী ......interruptions...

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** গতিকে অধ্যক্ষ মহোদয়, এইটো আচলতে কোনো বিষয় নহয়। সকলোতকৈ ভাল কথাটো হৈছে তেখেতে নিজে উল্লেখো কৰিছে আৰু প্ৰশ্নৰ উত্তৰো বিচাৰিছে যে ড° হিমন্ত বিশ্ব শৰ্মা অসমৰ মুখ্যমন্ত্ৰী হোৱাৰ পিছত ২০২১ চনৰ পৰা আজিৰ দিনটোলৈকে আমাৰ থানাবোৰত থকা ১৮,১২,৬২২ টা কেচৰ ১৭,৯৯,৩৪৭টা কেচ dispose হৈছে আৰু এতিয়া dispose হ'বলৈ মাত্ৰ ১৩০০০ কেচ বাকী আছে। আনহাতে, হিমন্ত বিশ্ব শৰ্মা অসমৰ মুখ্যমন্ত্ৰী হোৱাৰ পিছত conviction rate টো ২২.৯% লৈ বৃদ্ধি হৈছে। সেই ক্ষেত্ৰত আমি মুখ্যমন্ত্ৰীক ধন্যবাদ দিছো যে তেখেতে বলিষ্ঠ পদক্ষেপ লৈছে।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ .....interruptions...

**শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ** চাৰ, বিহাড়া Outpost টো থানালৈ ৰূপান্তৰিত কৰিব নেকি? তাৰ ওপৰত এটা প্ৰশ্ন আছিল।.......interruptions...

**মাননীয় অধ্যক্ষঃ** এইটো relevant নহয়।

পৰৱৰ্তী প্ৰশ্ন মাননীয় সদস্য শ্ৰী ভবেন্দ্ৰনাথ ভড়ালী। মাননীয় মন্ত্ৰী।

**শ্ৰী কৃষ্ণেন্দু পাল, মাননীয় মন্ত্ৰী, পশুপালন আৰু পশু চিকিৎসা ইত্যাদিঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী ভবেন্দ্ৰ নাথ ভড়ালী, (দেৰগাওঁ)ঃ** অধ্যক্ষ মহোদয়, মোৰ সমষ্টি দেৰগাঁৱত নতুনকৈ অন্তৰ্ভুক্ত হোৱা হাতীয়ে খোৱা ৰাজ্যিক পশু চিকিৎসালয়ত ২০২১ চনৰ পৰা এতিয়ালৈকে এগৰাকী ডাক্তৰ আছিল কিন্তু তেওঁকো গুৱাহাটীত attachment ত আনি ৰাখি থ'লে । মই প্ৰশ্ন অনাৰ পিছত, পৰহি দিনা, তাত ডাঃ শশাংক বৰা নামৰ ডাক্তৰক এজনক দিছে। ৩ বছৰ সময় তেওঁলোক কষ্টত থাকিল। তেনেধৰণৰ dispensary আৰু কেইবাখনো আছে। মোৰ চকুত তিনিখন আছে। তাতো তেনেধৰণে ডাক্তৰ নাই। সেয়েহে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে খালী থকা dispensary কেইখনত regular basis ত ডাক্তৰ নিযুক্তি দিব লাগে। Attachment ত দিব নালাগে।

**শ্ৰী কৃষ্ণেন্দু পাল, মাননীয় মন্ত্ৰী, পশুপালন আৰু পশু চিকিৎসা ইত্যাদিঃ** অধ্যক্ষ মহোদয়, হাতীয়ে খোৱা ৰাজ্যিক পশু চিকিৎসালয়ত ডাঃ দেৱনীতা শইকীয়া নামৰ পশু চিকিৎসক গৰাকী কৰ্মৰত হৈ আছিল। কিন্তু শাৰীৰিক অসুস্থতাৰ বাবে তেওঁ ইয়াত attachment ত আছিল। কিন্তু, মই যিদিনা দায়িত্ব পাইছো তাৰ পিছত বহুত attachment withdraw হৈ গৈছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ প্ৰয়াস যে প্ৰত্যেক চিকিৎসালয়ত যাতে ডাক্তৰ থাকে, তাৰ বাবে যোৱা ১৬-০২-২০২৩ ত ৬৯ জন ডাক্তৰক নিযুক্তি দিয়া হৈছে। আপুনি কৈছে যে হাতীয়ে খোৱা ৰাজ্যিক পশু চিকিৎসালয়ৰ প্ৰশ্ন উত্থাপন কৰাৰ বাবেই চিকিৎসক নিযুক্তি দিছে। কিন্তু, কথাটো তেনেকুৱা নহয়। আমি serially চাই যিবোৰ হস্পিতালত ডাক্তৰ নাই তাত ডাক্তৰ দিয়াৰ ব্যৱস্থা কৰিছো। কাৰণ আমাৰ ইয়াত sufficient ডাক্তৰ আছে আৰু সকলো ডাক্তৰেই ভাল কাম কৰি আছে। ডাঃ শশাংক বৰাক তাত দায়িত্ব দিয়া হৈছে আৰু জনা মতে তেখেতে আজি যোগদান কৰিব।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। ধন্যবাদ। এতিয়া প্ৰশ্ন নং ৪৯। আমিনুল ইছলাম (কনিষ্ঠ) ........interruptions....

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ** অধ্যক্ষ মহোদয়, মোৰ এটা supplementary আছে .....interruptions...

**মাননীয় অধ্যক্ষঃ** নালাগে। এইটো হাতীয়ে খোৱাৰ specific প্ৰশ্ন ...interruptions...

**শ্ৰী দেবব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতিঃ** অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো deputation ৰ ওপৰতে আছে। সকলো চিকিৎসক attachment তে আছে .......interruptions...

**মাননীয় অধ্যক্ষঃ** নালাগে supplementary ।এইটো relevant নহয়। তেওঁ কেৱল হাতীয়ে খোৱা ৰাজ্যিক পশু চিকিৎসালয় সন্দৰ্ভত প্ৰস্তুত হৈ আহিছে........interruptions...

**শ্ৰী ভবেন্দ্ৰ নাথ ভড়ালী, (দেৰগাওঁ)ঃ** অধ্যক্ষ মহোদয়, মোৰ এটা অনুৰোধ আছে। গোলাঘাট জিলাত .........interruptions........ তেখেতে দায়িত্ব লোৱাৰ বাবে ধন্যবাদ জনাইছো আৰু এই কেইটাও যাতে সোনকালে কৰে ........interruptions....

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ** অধ্যক্ষ মহোদয়, মোৰ এক লাইনৰ supplementary এটা আছে .......interruptions......

**মাননীয় অধ্যক্ষঃ** নহ'ব। এতিয়া প্ৰশ্ন নং ৪৯।

**মোঃ আমিনুল ইছলাম (মানকাচৰ)ঃ** অধ্যক্ষ মহোদয়, আমি উত্তৰ পাইছো যে দক্ষিণ শালমাৰা মানকাচৰ জিলাত সৰ্বমুঠ ৪২৩.৮৫ কিঃমিঃ বাটপথ আছে আৰু ইয়াৰে ৬৩.১৪% পকী পথ আছে। আমাৰ কথাটো হ'ল যে আমাৰ জিলাত ৰাষ্ট্ৰীয় ঘাইপথ নাই, ২০২৩ চনত ২৯ কিঃমিঃ ৰাজ্যিক ঘাইপথ দিয়া হৈছে। আমাৰ HM ৰোডটো ৰাজ্যিক ঘাইপথ দিয়া হৈছে ২০২৩ চনত। তাৰ পিছত কাম কৰা হোৱা নাই। আমাৰ অসমমালা নাই, ভাৰতমালা নাই, ৰাষ্ট্ৰীয় ঘাইপথ নাই। ৰাজ্যিক ঘাইপথ এটা ঘোষণা কৰা হৈছে যদিও কোনো কাম কৰা হোৱা নাই। দ্বিতীয় কথাটো হ'ল HM ৰোডটো মই বিধায়ক হোৱাৰ পিছৰে পৰাই মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ পৰা লিখি DPR হ'ল, কেবিনেটত পাছ কৰা হ'ল, টেণ্ডাৰ কৰা হ'ল, এতিয়া শুনিছো সেই ৰাস্তাৰ কামটো নহয়। আমাৰ জিলা খনত যিহেতু ৰাষ্ট্ৰীয় ঘাইপথৰ কোনো connectivity নাই। প্ৰতিখন জিলাৰ লগত ৰাষ্ট্ৰীয় ঘাইপথৰ connectivity আছে। District major roads আছে। প্ৰতিখন জিলাত অসম মালাৰ কাম হৈ আছে, ভাৰত মালাৰ কাম হৈ আছে। প্ৰতিখন জিলাৰ লগত বেলেগ জিলাৰ connectivity আছে। আমাৰ জিলাত কি আছে? এই কথাবিলাক মই ২০২১ চনৰ পৰাই পাতি আছো। টেণ্ডাৰ হোৱাৰ পিছতো টেণ্ডাৰ কি হয় আমি নাজানো। পইচা চেংচন হোৱাৰ পিচত, কেবিনেটে ঘোষণা কৰাৰ পাছতো process টো ক'ত গৈ ৰখিছে আমি নাজানো। মাত্ৰ ২২ কিঃমিঃ যোৱাত আমাৰ আঢ়ৈ ঘন্টা সময় লাগে। কোনো মন্ত্ৰী আমাৰ সেই ৰাস্তাৰে নাযায়। Governor গ'লে সেই ৰাস্তাৰে নাযায়, ডাঙৰ অফিচাৰ গ'লে সেই ৰাস্তাৰে নাযায়, গোটেই খিনি বাংলাদেশ সীমান্ত ৰাস্তৰে যায়, য'ত কোনো জন সাধাৰণ উঠিব নোৱাৰে। গোটেই মানুহখিনি আমি যমৰ যাতনা ভুগি ২২ কিঃমিঃ যাওঁতে আঢ়ৈ ঘন্টা সময় খৰছ কৰি যাবলগীয়া হয়। আমাৰ কথাটো হৈছে কিহৰ কাৰণে, কি সমস্যা আছে দক্ষিণ শালমাৰা মানকাছাৰ জিলাত। মুখ্যমন্ত্ৰী ডাঙৰীয়াই অসমৰ প্ৰতিখন জিলাত গৈছে, তেওঁ PWD বিভাগটোও চায়। মুখ্যমন্ত্ৰী ডাঙৰীয়াই ক'ৰবাত ক'ৰবাত হেলিকপ্তাৰ লৈ জন্মদিন খাবলৈও যায়। প্ৰশ্নটো হৈছে দক্ষিণ শালমাৰা মানকাছাৰ জিলাত যোৱা চাৰি বছৰত মুখ্যমন্ত্ৰীয়ে এবাৰো যোৱা নাই। কিহৰ কাৰণে এই জিলাখনলৈ ইমান অৱহেলা, ইয়াৰ কাৰণটো কি? মুখ্যমন্ত্ৰীয়ে এবাৰো আমাৰ জিলাখন ভ্ৰমণ কৰা নাই, আৰু এই ৰাস্তাটো তেখেতে লিখি দিয়াৰ পিছতো আজিলৈ কিয় হোৱা নাই? এইটো কেতিয়ালৈ হ'ব এই উত্তৰটো লাগে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে আমিনুল ইছলাম ডাঙৰীয়া কনিষ্ঠই, প্ৰথমতে প্ৰশ্নটোৰ উত্তৰ দিয়াৰ আগতে মই এটা কথা কওঁ যে মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ এটা পদমৰ্য্যদা আছে, মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ কথা যেতিয়া কয়, সেইটো কথা ক'ব নাপায় যে মুখ্যমন্ত্ৰী ডাঙৰীয়াই জন্মদিন খাবলৈ হেলিকপ্তাৰ লৈ যায়।

**শ্ৰী আমিনুল ইছলাম, (কনিষ্ঠ, মানকাচৰ)ঃ** অধ্যক্ষ মহোদয়, আমি এইটো নিজাববীয়াকৈ কোৱা নাই, সদায় পেপাৰত পাই আছো, সদায় T.V ত পাই আছো, বিভিন্ন discussion ত, বিভিন্ন debate ত পাই আছো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰীঃ** শুনক আপুনি এজন responsible বিধায়ক হয়, তেনেকুৱা কথা আপোনাৰ মুখত শোভা নাপায় আৰু আপুনি এজন ভদ্ৰলোক মানুহ, আপোনাৰ লগত আমাৰ

বহুত দিনৰ পৰাই ৰাজনৈতিক সম্পৰ্ক আছে, গতিকে আপোনাৰ মুখত তেনেকুৰা শব্দই শোভা নাপায়। মোৰ প্ৰথম কথা তেখেতৰ সেইটো প্ৰশ্নৰ উত্তৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই হেলিকপ্টাৰ লৈ জন্মদিন খাবলৈ যোৱা কথাটো clear কৰি দিলো। মুখ্যমন্ত্ৰী তেনেকৈ যোৱা নাই আৰু মাননীয় সদস্য গৰাকীয়েও মুখ্যমন্ত্ৰীৰ পদমৰ্য্যদা ৰক্ষা কৰি কথা ক'ব লাগে। যি নহওঁক এতিয়া মই আপোনাৰ প্ৰশ্নটোলৈ আহিছো, আপোনাৰ প্ৰশ্নটো হ'ল যে আপোনাৰ জিলাখনত ৰাষ্ট্ৰীয় ঘাইপথ নাই। আমাৰ ৰাজ্যিৰ ঘাইপথ এটা হৈছে, আৰু ৰাজ্যিক ঘাইপথ যিটো ঘোষণা কৰা হৈছে, সেই ৰাজ্যিক ঘাইপথটোৰ কাম হোৱা নাই। আমাৰ যিটো মাটিয়া হৈ মানকাছাৰ যাব লাগে, সেই ৰাস্তাটো ভাল অৱস্থাত নাই আৰু সেই ৰাস্তাটোৰ এটা অঞ্চল মেঘালয়ত পৰে। আমাৰ ৰাস্তাখিনি ভাল কৰিলেও মেঘালয়ে সেই ৰাস্তাটো ভাল নকৰাৰ বাবে মাজত সেইটো গণ্ডোগোল হয়। গতিকে টুৰা হৈ আমি মানকাছাৰ যাব লাগিলে comfortable হয়। ময়ো গৈছিলো মাজতে যোৱা চৰকাৰৰ সময়ত আৰু মই তেতিয়া Transport Minister আছিলো আৰু তাত যেতিয়া DTO অফিচ নাছিল। ৰাইজে কোৱাত মই তাত DTO অফিচ কৰি দিছিলো। গতিকে এতিয়া মুখ্যমন্ত্ৰী ডাঙৰীয়াই connectivity ৰাস্তাৰ কাৰণে চেষ্টা কৰি আছে। আপুনি যিটো কথা কৈছে সঁচা এই ৰাস্তাটোৰ NESIDS, অসম মালাৰ আঁচনি হোৱা নাই। ৰাস্তাটো চেংচন হৈছিল, এইটো সত্য, টেণ্ডাৰো হৈ গৈছিল। টেণ্ডাৰ cancel কৰিবলগীয়া হ'ল। এই আঁচনি আমি যেতিয়া দিছিলো, দিয়াৰ পিছত DONER Ministry য়ে তেওঁলোকৰ technical কাৰণত এই ৰাস্তাটো cancel কৰি দিলে। আপুনি হয়তো ক'ব পাৰে যে কিহৰ technical কাৰণত, এইটো আমি আমাৰ ফালৰ পৰা technically ok কৰি DONER Ministry ক দিছিলো। আপুনি যিটো কথা কৈছে ৰাস্তাটোৰ টেণ্ডাৰ হয় আৰু বন্ধ হয়। এতিয়া এই ৰাস্তাটো PWD বিভাগে নতুনকৈ take-up কৰিছে। এটা কথা ঠিক যে আজি হওঁক বা কালি হওঁক যিহেতু ধুবুৰী-ফুলবাৰী দলংখন হ'বই আৰু এই দলংখন হোৱাৰ পিছত automatically ৰাষ্ট্ৰীয় ঘাইপথৰ লগত connect হোৱাকৈ আপোনালোকৰ তাত ৰাস্তা হ'বই সেইটো নিশ্চিত। সেই ৰাস্তাটো লাগিব কাৰণ ইমান ডাঙৰ দলং এখন বনাই যদি ৰাষ্ট্ৰীয় ঘাইপথৰ লগত connectivity নহয়, তেতিয়াহ'লে অসুবিধা হ'ব। এই আঁচনিখন এইবাৰ আকৌ DONER Ministry লৈ পঠাব যদি কিবা query থাকে, তেওঁলোকে meet-up কৰি পঠাব।এই ক্ষেত্ৰত আপোনাৰ concern টো appreciate কৰিছো। মুখ্যমন্ত্ৰী ডাঙৰীয়াইও appreciate কৰিছে । মুখ্যমন্ত্ৰী ডাঙৰীয়াৰো সেইটো চিন্তা আছে যে মানকাছাৰ জিলাখনৰ কেনেকৈ উন্নতি কৰিব পাৰি। কাৰণ এই জিলাখনৰ কেইবাটাও দিশৰ পৰা importance আছে। সেইটো Indo-Bangladesh border। গতিকে ব'ৰ্ডাৰ এৰিয়া যিহেতু সেই এৰিয়াটো উন্নতি কৰা মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ চিন্তা-ধাৰাত আছে।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰী আমিনুল ইছলাম, (কনিষ্ঠ,মানকাচৰ) ঃ** অধ্যক্ষ মহোদয়, প্ৰশ্নটো হ'ল আমাৰ আগতে ১২৬ বি, ১২৭ বি যিটো ৰাষ্ট্ৰীয় ঘাইপথ হ'ল সেইটোৰ লগত আমাৰ জিলাৰ connectivityৰ ব্যৱস্থা হোৱা নাই। আগিয়াৰ পৰা মহেন্দ্ৰগঞ্জলৈকে বাংলাদেশৰ লগত দুটা transit point আছে, international border আছে, তাৰ লগত highwayৰ কোনো connectivity নাই। আজি Indo-Bangla ৰ লগত আমাৰ সম্পৰ্ক ইমান বেয়া যে সেইটো এটা national threat হৈ আছে। এইটো এটা অত্যন্ত concern ৰাস্তা। ইয়াৰ বিষয়ে বিশেষকৈ চিন্তা কৰিব লাগে আৰু এটা

আমাৰ প্ৰশ্ন আছে, যিটো ‘ঘ’ নম্বৰ প্ৰশ্ন নতুনকৈ আমাৰ জিলাৰে ৭টা GP আমাৰ সমষ্টিত আছে, সেই সমষ্টিৰে ৭টা GP, তাৰ পিছত হাজিৰাহাট connectivity কৰাৰ কাৰণে আমি এটা ব্যৱস্থা কৰি আছো। এতিয়ালৈকে মণিশ্বৰ, পাটাকাতা, টোমনী, দক্ষিণ শালমাৰা, ছাগৰটকীয়া, বৰাদোপা এই ৭টা GPৰ এতিয়ালৈকে প্ৰায় ৭০ হাজাৰ মানুহ আমাৰ জিলাৰ মোৰ সমষ্টিৰ লগত connectivity নাই। আমি depend কৰিব লাগে মেঘালয়ৰ ওপৰত তাৰ কাৰণে কিবা ব্যৱস্থা ল’ব নেকি? মই শুধিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ**Hon'ble Minister.

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, আচলতে কথাটো হৈছে যে হাজিৰহাট গাওঁ পঞ্চায়তত RIDF ৰ কাম চলিছে। তাত আমাৰ ২.২৫ কিঃমিঃ ৰাস্তাৰ কাম চলিছে আৰু PMGSY-3 ত ৩.৫ কিঃ মিঃ ৰ কাম চলিছে।**

**মাননীয় অধ্যক্ষ ঃ** Question hour is over.Thank you.

**শ্ৰীশ্বেৰমান আলী আহমেদ, বাঘবৰ ঃ** Sir, I want to move a breach of privilege.

**মাননীয় অধ্যক্ষ ঃ আপুনি notice দিয়া নাই। Notice দিলেহে ক’ব পাৰিলে হয়।**

**শ্ৰীওৱাজেদ আলী চৌধুৰী, দক্ষিণ শালমাৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা সভাস্থগিত প্ৰস্তাৱ আছিল। আপোনাৰ চেম্বাৰত বহি আমাৰ এটা সিদ্ধান্ত হৈছিল আৰু Partliamentary Affairs Minister ডাঙৰীয়াও কথা দিছিলে যে তেখেতসকলে আজিৰ দিনৰ আগতে এটা বিবৃতি দিব আৰু সেইটোৰ ওপৰত action taken কি হ’ব এই কথাখিনি কৈছিল।**

**মাননীয় অধ্যক্ষ ঃ মাননীয় মন্ত্ৰী মহোদয়।**

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, সেইদিনা সদনত আমি যেতিয়া এই কথাবিলাক আলোচনা কৰিছিলো তেতিয়া আমি এটা বিবৃতি দিছিলো আৰু কৈছিলো যে এই বিষয়টো inquiry কৰা হ’ব আৰু যিসকল দোষী ব্যক্তি, তেখেতসকলৰ ওপৰত ব্যৱস্থা লোৱা হ’ব। এই সম্পৰ্কত ৰকিবুল হুছেইন ডাঙৰীয়াৰ P.S.O জনেও এখন এজাহাৰ দিছে, ৰকিবুল হুছেইন ডাঙৰীয়াও দিছে। সেই FIR খনত তেওঁলোকে প্ৰায় ২২ জনতকৈও অধিক মানুহৰ নাম দিছে। সেইদিনাখনো মই কৈছিলো যে এই বিষয়টো Central Zone DIG য়ে তদন্ত কৰি আছে । তেখেতে নিজে তাত দুদিন থাকি এই গোটেইখিনি inquiry কৰি আছে। FIR খনত যিসকল ব্যক্তিৰ নাম দিয়া হৈছে, সেই মানুহখিনিক পুলিচে ধৰিবলৈ চেষ্টা চলাই আছে। কিন্তু বেছিভাগ মানুহে পলাতক অৱস্থাত আছে। ইতিমধ্যে কেমেৰাৰ ভিডিও ফুটেজত পোৱা দুজন ব্যক্তিক ধৰিবলৈ সক্ষম হৈছে। তেখেতসকল হ’ল-বচিৰ উদ্দিন, son of unknown,জিলা নগাওঁ আৰু এজন হ’ল আব্দুল খালেক son of unknown,জিলা নগাওঁ। ৰকিবুল হুছেইন ডাঙৰীয়াৰ P.S.O জনে দিয়া এজাহাৰৰ ভিত্তিত তেওঁলোকক যোৱা ২ তাৰিখে পুলিচে গ্ৰেপ্তাৰ কৰিছে। বাকী যিসকলৰ নাম আছে, তেওঁলোককো ধৰিবলৈ পুলিচে চেষ্টা চলাই আছে। পুলিচে**

এই ক্ষেত্ৰত কোনো compromise নকৰে। Security ৰ ক্ষেত্ৰত আমাৰ কোনোবা বিধায়ক, মন্ত্ৰী বা বিষয়া যিয়ে নহওঁক, তাত চৰকাৰে কেতিয়াও compromise নকৰে।

মাননীয় অধ্যক্ষ ঃ ধন্যবাদ। —interruption-----

শ্ৰী নুৰুল হুদা, ৰূপহীহাট ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যিটো বিবৃতি দিছে তাত যিসকল আচল দোষী তেওঁলোকক গ্ৰেপ্তাৰ কৰা নাই আৰু যিজন মূল অভিযুক্ত, OC ৰ লগতে থকা মানুহ, তেওঁলোকে জানে ডকাইত, মাৰ্ডাৰ কেচৰ আচামী আৰু এজন আছে ড্ৰাগছৰ মাফিয়া, সি গোটেই সমষ্টিত ড্ৰাগছৰ supply দিয়ে। পুলিচে জানে তাৰ পিছতো ইমানদিনৰ পৰা বিচাৰি আছে। যি দুজনক কালি ধৰিছে, সেইটো এটা নাটক কৰিছে। আচল যিসকল কালপ্ৰিট তেওঁলোকক কৰায়ত্ত কৰা নাই। গতিকে তেওঁলোকক কৰায়ত্ত কৰাৰ কাৰণে ব্যৱস্থা লওক।

মাননীয় অধ্যক্ষ ঃ মাননীয় মন্ত্ৰী মহোদয়।

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, যিসকলক আমি ধৰিছো সেইটো নাটক নহয়। তেওঁলোকে দিয়া এজাহাৰৰ ভিত্তিতহে এই দুজন ব্যক্তিক কৰায়ত্ত কৰা হৈছে। –-Interruption----

মাননীয় অধ্যক্ষ ঃ মাননীয় মন্ত্ৰী ডাঙৰীয়া, LOP ডাঙৰীয়াই ক'ব খুজিছে, আপুনি একেলগে তেখেতৰ প্ৰশ্নৰো উত্তৰ দিব।

শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ মাননীয় অধ্যক্ষ মহোদয়, ২০ তাৰিখৰ ঘটনাটোৰ সন্দৰ্ভত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ২০ তাৰিখৰ দিনাই সদনত কৈছিল যে দিনৰ আঢ়ৈ বজাত ৰকিবুল হুছেইনে ৰূপহীৰ অন্তৰ্গত গুলামৰী গাৱঁলৈ গৈ থকা অৱস্থাত জনতাই বাধা প্ৰদান কৰে। তেতিয়া তেওঁৰ লগত থকা দেহৰক্ষীয়ে শূণ্যলৈ চাৰিজাই গুলী চালনা কৰে আৰু মহোদয়, গুলীচালনাৰ কথাটো উল্লেখ হৈছিল। এই বিষয়ত কি হ'ল কি নহ'ল এতিয়ালৈকে আমাক একো কোৱা নাই। সচাঁকৈয়ে গুলীচালনাত কোনোবা আঘাত হ'ল নে কি ? দ্বিতীয়তে, FIR খন দিয়া হৈছিল ২১ তাৰিখত, নগাওঁ পুলিচ ষ্টেচনত। তাত কোৱা হৈছিল যে, এইখন ৰকিবুল হুছেইনে নিজে দিছিলে- I call the officer incharge of Rupohihut Police Station, Mobile 9435152338, several times for adequate security arrangement but he willfully and deliberately misguided me paving the way from miscreants and goes for brutal attack.My true programme was also duly infromed to the SB control, Guwahati, Police control Nagaon.

মহোদয়, ইয়াত স্পষ্টকৈ উল্লেখ আছে যে থানাৰ OC জনক কেইবাবাৰো কোৱা হৈছিল, তেখেতে জানি শুনি protection নিদিলে। সেই গতিকে অকল যিকেইজন দুস্কৃতিকাৰী,তেওঁলোকৰ ওপৰত শাস্তি হ'লৈই ব্যৱস্থাটো সম্পূৰ্ণ নহয়। পুলিচে কিয় মনোযোগ

**নিদিলে, যেতিয়া এই সাংসদ জনে তেওঁৰ নিৰাপত্তাৰ প্ৰতি ভাবুকি আহিব পাৰে বুলি আগতীয়াকৈ খৱৰ দিছিলে। এই কথাখিনিও যদি সদনত উল্লেখ নকৰে, তেতিয়াহ'লে আমাৰ সঠিক উত্তৰ নাপাম।**

**মাননীয় অধ্যক্ষ ঃ মাননীয় মন্ত্ৰী মহোদয়।**

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, আচলতে কথাটো হ'ল যে ৰকিবুল হুছেইন ডাঙৰীয়াই যিখন মিটিঙত যোৱাৰ কথা আছিলে, সেই মিটিঙৰ স্থানত যদি এনেকুৱা ধৰণৰ এটা ঘটনা ঘটিলেহেতেন, য'ত মিটিংখন হ'ব, পুলিচে তাতহে protection দিব। গতিকে তাত যদি পুলিচে protection দিয়াত ব্যৰ্থ হ'লহেতেন তেতিয়া তেখেতসকল responsible হ'লহেতেন। কিন্তু মিটিঙস্থলী পোৱাৰ এক কিঃমিঃ আগতে তেখেতে গাড়ীৰ পৰা নামি যেতিয়া এখন স্কুটাৰত গ'ল, ঘটনাটো হ'ল তাৰ মাজত। গতিকে পুলিচে কেনেকৈ জানিব যে তাৰ মাজত তেনেকুৱা এটা ঘটনা ঘটিব।**

**দ্বিতীয়তে, ৰকিবুল হুছেইন ডাঙৰীয়াই ঘটনাটো ঘটি যোৱাৰ প্ৰায়২৪ ঘন্টা পাছত এজাহাৰ দিছে আৰু তেখেতে মেডিকেলো প্ৰায় ৩০ ঘন্টাৰ পাছত কৰিছে। অধ্যক্ষ মহোদয়, মই আগতে কৈছো যে এজন বিধায়ক, মন্ত্ৰী বা সাংসদ বা যিকোনো এজন ব্যক্তি যাৰ জীৱনৰ প্ৰতি threat আছে বা যাক PSO দিয়া হয়, যাক পুলিচ বা security দিয়া হয়, তেনেকুৱা ধৰণৰ সাধাৰণ মানুহ হ'লেও তেওঁৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তাৰ দায়িত্ব অসম চৰকাৰৰ আৰু অসম চৰকাৰে ইয়াত কেতিয়াও compromise নকৰে। মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ এইটো স্পষ্ট কথা যে মানুহৰ জীৱন আৰু সম্পত্তিক লৈ কেতিয়াও চৰকাৰে compromise নকৰে।**

**মাননীয় অধ্যক্ষ ঃ ধন্যবাদ।** মাননীয় সদস্য শ্ৰী অখিল গগৈ ডাঙৰীয়া, আগতে মাননীয় মন্ত্ৰী শ্ৰী পীযুষ হাজৰিকা ডাঙৰীয়াই কিবা ক'ব বিচাৰিছে, আগতে তেখেতৰ কথাখিনি শুনি লওঁক। তেখেতে কিবা এটা information দিব বিচাৰিছে।

**শ্ৰী পদ্ম হাজৰিকা, (চতিয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি মাননীয় সাংসদ শ্ৰী ৰকিবুল হুছেইন ডাঙৰীয়াৰ ওপৰত হোৱা ঘটনাটো গৰিহনা দিছো আৰু লগতে তাৰ বিচাৰ হোৱাতো বিচাৰিছো। কিন্তু ২০০১ চনৰ কংগ্ৰেছ চৰকাৰৰ দিনত ........সদনত হুলস্থুল.................

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই মাত্ৰ কথা এটা add কৰিব বিচাৰিছো।

**শ্ৰী পদ্ম হাজৰিকা, (চতিয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, .........................

.................................. (সদনত হুলস্থুল).......................................................................

(সদনৰ হুলস্থুলীয়া পৰিবেশৰ বাবে মাননীয় বিধায়ক শ্ৰী পদ্ম হাজৰিকা ডাঙৰীয়াৰ বক্তব্যখিনি শুদ্ধভাৱে লিপিবদ্ধ কৰিব পৰা নগ'ল)।

**মাননীয়অধ্যক্ষ ঃ** মাননীয় সদস্য, মাননীয় মন্ত্ৰী মহোদয়ে কৈ আছে। এতিয়া আমাৰ শূন্যকালীন ঘন্টাৰ সময় হৈছে। এনেকৈ হৈ থাকিলে শূন্যকালীন ঘন্টাৰ সময় গুছি যাব।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই উত্তৰ দিব খোজা নাই। উত্তৰ মাননীয় Parliamentary Affairs Minister ডাঙৰীয়াই দি আছে। তেখেত এই গোটেই কেচটোত চিৰিয়াচ নাছিল। গোটেই ঘটনাটো হৈছিল ৰূপহী থানাত। ৰূপহী থানাৰ পৰা নগাঁওলৈ ঘূৰি

আহিল। ২৪ ঘন্টাৰ পিছত নগাওঁ সদৰ থানাত তেখেতে কেচ দিলে। মই যিমানখিনি জানো নগাওঁ সদৰ থানাত তেখেতক কোৱা হ'ল যে.........

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ** আপুনি চাফাই কিয় দি আছে? আপুনি এইটো বিভাগৰ মন্ত্ৰী নহয়।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰী অখিল গগৈ ডাঙৰীয়া, আপুনি বহক। মাননীয় মন্ত্ৰীয়ে উত্তৰ দিব। মাননীয় সদস্য শ্ৰী অখিল গগৈ ডাঙৰীয়াৰ বক্তব্যখিনি ৰেকৰ্ডত নাহিব। কেৱল মাননীয় মন্ত্ৰী মহোদয়ৰ বক্তব্যখিনি থাকিব। অনুমতি দিলে সকলোৱে ক'ব পাৰিব। সন্মানীয় সদন আমি এই বিষয়ে সিদিনা ও আলোচনা কৰিছো। চৰকাৰে statement দিলে। আজি adjourment motion আহিছে। Action taken ত নিজেও জনাইছে। মই তাৰ বাবে House adjourn কৰি আলোচনা কৰাৰ অনুমতি দিব নোৱাৰো। কাৰণ আমাৰ Rule 54 ৰ আলোচনা আছে। সেই কাৰণে সভা স্থগিত প্ৰস্তাৱটোৰ জাননীখন প্ৰত্যাহাৰ কৰা হৈছে।

.....................................সদনত হুলস্থুল............................

**মাননীয় অধ্যক্ষ ঃ** মাননীয় বিধায়ক শ্ৰী পৰমানন্দ ৰাজবংশী।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, কেতিয়া শাস্তি দিব এই বিষয়ে একো কোৱা নাই আৰু আৰক্ষীৰ ওপৰত কি তদন্ত হ'ব এইবিলাকো কোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শূন্যকালীন ঘন্টা।

.....................................সদনত হুলস্থুল............................

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় বিধায়ক শ্ৰী বিদ্যা সিং ইংলেং।

**শ্ৰী বিদ্যা সিং ইংলেং, ডিফু ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমীয়া খৱৰ কাকতত প্ৰকাশ পোৱা মতে ২০১১ চনৰ পাছত জন্ম হোৱা লোক সকলৰ নাম নাই। আয়ুস্মান কাৰ্ডৰ সুবিধা লোৱা ক্ষেত্ৰতো ব্যৰ্থ।

............................সদনত হুলস্থুল.......................

**শ্ৰী নুৰুল হুদা, ৰূপহীহাট ঃ** মাননীয় অধ্যক্ষ মহোদয়, মেইন কালপ্ৰীত সকলক কেতিয়া গ্ৰেপ্তাৰ কৰা হ'ব? আমি মাননীয় মন্ত্ৰী মহোদয়ৰ উত্তৰত অসন্তুষ্ট।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, দোষীৰ ওপৰত শাস্তি কেনেকুৱা ধৰণৰ শাস্তি হ'ব সেইটো specially ক'ব লাগে।

............................সদনত হুলস্থুল.......................

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকে নটিচ দিয়ক। আমি আলোচনা কৰিব পাৰিম। কিন্তু adjourment motion ৰ সময়ত নহ'ব।

............................সদনত হুলস্থুল.......................

**শ্ৰী বিদ্যা সিং ইংলেং, ডিফু ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অসমৰ ৬০ লাখতকৈ অধিক ল'ৰা-ছোৱালীৰ নাম এতিয়ালৈকে লোকপিয়লত সোমোৱা নাই আৰু সেই ৬০ লাখৰ নাম কেতিয়া সোমাব চৰকাৰে সেইটো জনাব লাগে আৰু আচল কথাটো হৈছে তেওঁলোকৰ যদি লোকপিয়লত নাম নাথাকে তেতিয়াহ'লে ৰেচন কাৰ্ড নোহোৱাৰ ফলত আয়ুস্মান ভাৰত আৰু খাদ্য আৰু অসমাৰিক বিভাগৰ পৰা চাউল নাপাব। এই ৬০ লাখ লোকক আয়ুস্মান ভাৰত, আয়ুস্মান কাৰ্ড, ৰেচন কাৰ্ড পোৱাৰ সুবিধা দিব লাগে। এই কথাটোৰে মই জনাব বিচাৰিছো। অসমৰ লোকপিয়লৰ মতে ৩ কোটিতকৈ বেছি জনসংখ্যা হৈছে আৰু তেওঁলোকৰ বাবে লোকপিয়ল কৰি ৰেচন কাৰ্ডৰ সুবিধা দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় খাদ্য আৰু অসামৰিক বিভাগৰ মন্ত্ৰী মহোদয়।

.......................সদনত হুলস্থুল.........................

(সদনত থকা বিৰোধী দলৰ সদস্য সকলে সদনৰ পৰা walk out কৰে)

**শ্ৰী কৌশিক ৰয়, (খাদ্য আৰু অসামৰিক বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় বিধায়ক শ্ৰী বিদ্যা সিং ইংলেং ডাঙৰীয়াই বক্তব্যত যিটো উল্লেখ কৰিছে, মই তেখেতৰ লগত কথা পাতি সমাধানৰ চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে পুরকায়স্থ (উত্তর শ্রীভূমি)ঃ-** মাননীয় অধ্যক্ষ মহোদয়, গত **২৮-০২-২০২৫** তারিখে 'নববার্তা প্রসঙ্গ পত্রিকায় প্রকাশিত "বদরপুর শহরে তীব্র জলসংকট, **২৪** কোটি টাকার জল সরবরাহ প্রকল্প নিয়ে প্রহর গুনছেন শহরবাসী"—— এই বিষয়টি উত্থাপন করার সুযোগ দেওয়ার জন্য অধ্যক্ষ মহোদয় আমি ধন্যবাদ জ্ঞাপন করছি।

অধ্যক্ষ মহোদয়, বদরপুর টাউনে ওয়াটার সাপ্লাই প্রজেক্ট **১৯৯২** সনে আরম্ভ হয়েছিল অর্থাৎ জল সরবরাহ শুরু হয়েছিল। তখন বদরপুরের জনসংখ্যা ছিল পাঁচ থেকে সাড়ে পাঁচ হাজার। বর্তমানে জনসংখ্যা হচ্ছে বিশ থেকে পঁচিশ হাজার। এই **১৯৯২** সন থেকে **২০২৫** সন অবদি অনেক সরকার আসল কোন সরকার নতুন কোন প্রজেক্ট সেংসন করেনি বদরপুরে। তারজন্য বদরপুরের মানুষ পানীয় জলের জন্য বিরাট সমস্যার সম্মুখীন হয়। আমরা সবাই জানি, **২০২২** এর **২৯** নভেম্বর ক্যাবিনেট মিটিং হয়েছিল শিলচর শহরে। আমি ধন্যবাদ জানাই মামনীয় মূখ্যমন্ত্রীকে। এবং আমাদের বরাক ভ্যালিতে বিশেষ করে শ্রীভূমি, হাইলাকান্দি এবং বদরপুরে জলের অনেক সমস্যা ছিল। মাননীয় মন্ত্রী জানেন উনি যখন কাছাড়েব ইনচার্জ মিনিষ্টার ছিলেন। আমরা বদরপুর, হাইলাকান্দি, শ্রীভূমির মানুষ গিয়ে বলি এবং সেই মর্মে মাননীয় মূখ্যমন্ত্রী ক্যাবিনেট মিটিং করেছিলেন এবং সেখানে শ্রীভূমিতে পঞ্চান্ন কোটি টাকা সেংশন হয়েছিল ওয়াটার সাপ্লাই প্রজেক্টের জন্য। হাইলাকান্দিতে ছাপান্ন কোটি টাকা এবং বদরপুরে চব্বিশ কোটি টাকা সেংশন হয়েছিল। এবং সেই মর্মে শ্রীভূমি এবং বদরপুরে ইতিমধ্যে টেন্ডারও হয়ে গিয়েছে। কাল প্রিলিমিনারি অর্ডার হয়েছে কাজ শুরু হবে। অধ্যক্ষ মহোদয়, দুঃখের সঙ্গে বলতে হচ্ছে যে বদরপুর ওয়াটার সাপ্লাই প্রজেক্ট সেংশন হয়েছিল সেটা এখনও ডিপিআর করেনি এবং অ্যাডমিনিস্ট্রেটিভ এপ্রোভেল বের হয়নি। আমার মাননীয় মন্ত্রীর কাছে অনুরোধ থাকবে যে অতি সত্তর যাতে অ্যাডমিনিস্ট্রেটিভ এপ্রোভেল বের করে ইতিমধ্যে কাজ শুরু করতে পারি। কারন পানীয় জলের জন্য বদরপুরের মানুষ অনেক ভূক্তভোগী, আমরা অনেক সমস্যার সম্মূখীন। মাননীয় অধ্যক্ষ মহোদয়,জল জীবন মিশনে কারেন্ট ন্যাশনেল প্রগরেস হচ্ছে এভারেজ **৭৯** শতাংশ আর আসামে প্রগরেস হচ্ছে **৮১.৪** শতাংশ। অর্থাৎ জল জীবন মিশনে **৮১** শতাংশ থেকে বেশি মানুষকে আমরা জল সরবরাহ করতে পারছি। অনেক পরিবর্তন হয়েছে এবং পরিবর্তন চলছেও। কিন্তু এই জল জীবন মিশনের **৫** বা **৬** শতাংশ কাজ না হওয়ার জন্য সম্পূর্ণ প্রজেক্টটি অর্ধসমাপ্ত হয়ে আমরা জল সরবরাহ করতে পারছিনা। সেই ব্যাপারে আমি মন্ত্রী মহোদয়ের দৃষ্টি আকর্ষন করছি। আমি কাঠিগড়া সমষ্টির অনেক জায়গা পরিদর্শন করেছিলাম যেমন– লক্ষীপুর পার্ট ওয়ান, মনিপুর পার্ট-ওয়ান, কল্যানপুর পার্ট-টু, চন্দ্রনাথপুর, নাতানপুর, খাশিরবন্দ, মোহনপুর পার্ট-টু ছাড়া আরোও অনেক জায়গায় ভিজিট করেছিলাম সব জায়গায় একই সমস্যা যে জলের প্রজেক্ট সুন্দর হয়েছে এবং দেওয়ার জন্য প্রস্তুত কিন্তু **৫** শতাংশ কাজ অসম্পূর্ণ থাকার জন্য পুরো প্রজেক্টটি বিকল হয়ে আছে। আমি মন্ত্রী মহোদয়ের

কাছে অনুরোধ রাখব কাঠিগড়া অঞ্চলের যে পানীয় জলের সমস্যা সেখানে একটি হাই ল্যাভেলের এনকোয়ারি টিম পাঠানো হোক। আমাদের সরকার খুব ভালো কাজ করছে। **৮১** শতাংশ জল সরবরাহ করা সম্ভব হচ্ছে কিন্তু **৫** শতাংশ কাজ না হওয়ার জন্য আমরা মানুষকে পানীয় জল দিতে পারছি না সেই ব্যাপারে মন্ত্রী মহোদয়ের দৃষ্টি আকর্ষন করছি। এবং বদরপুর ওয়াটার সাপ্লাই প্রজেক্টের এডমিনিস্ট্রেটিভ এপ্রোভেল বের করে ইতিমধ্যে যাতে কাজ শুরু করা যায় সেটাই অনুরোধ করছি। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, মাননীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, “বদরপুর শহরে তীব্র জলসংকট, **২৪** কোটি টাকার জল সরবরাহ প্রকল্প নিয়ে প্রহর গুনছেন শহরবাসী” এটা সংবাদ মাধ্যমৰ দৃষ্টি আকৰ্ষণ কৰি মাননীয় সদস্য ডাঙৰীয়াই যিটো প্ৰশ্ন আনিছে, মই তেখেতক জনাই থওঁ যে বদৰপুৰ পৌৰ এলেকাত থকা যিটো প্ৰকল্প আছিল সেইটো ১৯৯২ চনত আৰম্ভ কৰা এতিয়া প্ৰায় ৩৩ বছৰ হৈ গ'ল এই প্ৰকল্পটোৱে চহৰ খনৰ যিটো বৰ্দ্ধিত জনসংখ্যা বা চহৰখনৰ যি demand বাঢ়ি গৈছে সেই demand ৰ লগত এই প্ৰকল্পটোৱে পানী যোগান ধৰাটো সম্ভৱ নহয়। এই কথা খিনি লক্ষ্য কৰি আমাৰ জল জীৱন মিশ্যন যেতিয়া চলি আছে এই জলজীৱন মিশ্যনৰ আঁচনিৰ অধীনত যিখিনি অংশত আমি কৰিব পাৰিছিলো তাত আমি এটা পানী যোগান আঁচনি কৰিছিলো বদৰপুৰ বজাৰ পানী যোগান আঁচনি নামেৰে আৰু এই আঁচনিটোৰ জৰিয়তে ১৮৭৫ ঘৰ পৰিয়ালক পানী যোগান দি থকা হৈছে।

( Hon'ble Deputy Speaker on the Chair)

গতিকে আগৰ পুৰণা Scheme টোৰেই কিছু অংশই পানী পাই আছে, ১৮৭৫ গৰাকীয়ে নতুনকৈ জলজীৱন মিশ্যনৰ জৰিয়তে পানী পাই আছে। তথাপিটো ১০০ % বদৰপুৰৰ লোকে পানী নোপোৱাৰ কাৰণে যোৱা শিলচৰত হোৱা কেবিনেটত আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত সিদ্ধান্ত লোৱা হৈছিল যে শ্ৰীভূমি , হাইলাকান্দি আৰু বদৰ পুৰত তিনিটাকৈ পানী যোগান আঁচনি কৰা হ'ব। তাৰ কাৰণে আমি সেই সময়ত এটা estimate কৰিছিলো যে তাত প্ৰায় ২৪ কোটি মান টকাৰ প্ৰয়োজন হ'ব। তাৰ পিছত আমি DPR বনাব দিছিলো। তিনিও খন চহৰৰ কাৰণে DPR বনোৱা হৈছিল। বাকী দুখন চহৰৰ DPR ত কোনোধৰণৰ অসুবিধা হোৱা নাই। DPR সমূহ approved হৈ গ'ল আৰু আমি সেই মতে tender call কৰি কামো allotment দিলো। কাম তাত আৰম্ভ কৰাৰ পৰ্য্যায়লৈকে গৈছে। কিন্তু বদৰপুৰ চহৰৰ যিটো DPR হৈছিল তাত কিছুমান সংশোধনী আৰু কিছু queries আহিছিল, যাৰ কাৰণে তাৰ এটা পুনৰ নিৰীক্ষণ চলি আছে আৰু DPR ইতিমধ্যে প্ৰস্তুত হৈছে মাত্ৰ পুনৰ নিৰীক্ষণ চলি আছে। মই ভাবো যে এমাহ মানৰ ভিতৰত মাৰ্চ মাহতেই পুনৰ নিৰীক্ষণৰ কামটো হৈ যাব বুলি আমি আশা ৰাখিছো। এই কামখিনি সম্পূৰ্ণ হোৱাৰ লগে লগে আমি AA দিম আৰু tender পৰ্য্যায়লৈকে যাম। গতিকে এইটো সম্পূৰ্ণ process ত আছে আৰু এইখিনি কাম হোৱাৰ লগে লগে প্ৰায় ৩২৯২ ঘৰ পৰিয়ালে ইয়াৰ পানী পাব । এই যিটো নতুন scheme আমি ধৰিছো তাৰ লগত মই ভাবো যে এই খিনি পোৱাৰ লগে লগে বদৰপুৰত ১০০% পৰিয়ালেই পানী পোৱা আৰম্ভ হ'ব। তাৰ লগে লগে তেখেতে যিখিনি দৃষ্টি আকৰ্ষণ কৰিছে, তেখেতে কেইবাটাও scheme ৰ কথা কৈছে। কিছুমান scheme ৰ ৫%, ২% আৰু ১০% ৰ ভিতৰত কাম শেষ হোৱা নাই। মই এটা আগ্ৰহ প্ৰকাশ কৰিম যে আমাৰ বিভাগৰ ফালৰ পৰা আমি সময়ে সময়ে review লোৱা বা সময়ে সময়ে contractor সকলক

মাতি আনি pressure দিয়াৰ  কাম আমি চলাই আছো। মাননীয় বিধায়কসকলেও যদি নিজৰ নিজৰ সমষ্টিত এই কামবোৰত initiative লয় তেনেহ'লে মই ভাবো যে কামসমূহ  সোনকালেই সমাপ্ত হ'ব। বিভাগৰ ফালৰ পৰা আমি সম্পূৰ্ণ প্ৰচেষ্টা চলাই আছো। বিধায়কসকলোকো মই অনুৰোধ কৰিম যে অন্ততঃ যিবোৰ কাম ১০%ৰ তলত আছে সেই খিনিত আপোনালোকে অলপমান ঠেলা মাৰি দিলেই কামটো সমাপ্ত হ'ব। য'ত ৪০ বা ৫০% কাম হোৱা নাই সেইবোৰত আমি বেলেগ বেলেগ ব্যৱস্থা ল'ব লাগিব। কিন্তু য'ত ৫%-১০%ৰ কাৰণে scheme বোৰ হৈ উঠা নাই তাত বিধায়ক সকলে নিজেই monitor কৰক আৰু তেনে যিকোনো ধৰণৰ তথ্য থাকিলে মোক ব্যক্তিগত  ভাৱেও জনাব পাৰে বা আমাৰ বিভাগক দি দিব। আমি immediately তাত process কৰাম যাতে অলপ কামৰ কাৰণে ৰৈ থকা scheme বোৰ ১০০% সমাপ্ত কৰিব পাৰো। এই খিনিয়েই বিধায়ক সকলৰ প্ৰতি মোৰ অনুৰোধ থাকিল।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী পৰামানন্দ ৰাজবংশী।

**শ্ৰী পৰামানন্দ ৰাজবংশী, (ছিপাঝাৰ) ঃ** সন্মানীয় উপাধ্যক্ষ মহোদয়, ছিপাঝাৰ সমষ্টিৰ বাণিজ্যিক দিশত আৰু উদ্যোগিক দিশত এটা গুৰুত্বপূৰ্ণ নাম আছিল -প্ৰাগবছিমি চিন্থেটিক লিমিটেড। এই উদ্যোগটোৰ অৱস্থা অলপতে কাকতত প্ৰকাশ পোৱা অনুসৰি এই সন্দৰ্ভত মই দুটা মান কথা উল্লেখ কৰিব বিচাৰিছো। এই উদ্যোগটোৱে যিধৰণে সম্ভাৱনা কঢ়িয়াই আনিছিল উদ্যোগটোৰ মুম্বাইত থকা মূল মানুহ জনৰ মৃত্যু হোৱাত সেই সম্ভাৱনা নাইকীয়া হ'ল। মাননীয় মন্ত্ৰী শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়াদেৰে এই বিষয়টো ভালদৰেই জানে কিয়নো মই বিধায়ক  হোৱাৰ পাছত তেখেতৰ দিনতেই কৰ্মচাৰী সকলৰ লগত বুজা-বুজি কৰি এই গোটেই দিশতো ইতিবাচক দিশলৈ লৈ আহিছিলো। কিন্তু সেই উদ্যোগটোৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ওচৰত ২৯৯ বিঘা মাটি আজিও পৰি আছে আৰু এই বিষয়টোৱে ছিপাঝাৰৰ নবীন উদ্যোগীসকলৰ মনোভাবৰ ওপৰত কুঠাৰাঘাট কৰিছে। কাৰণ এই উদ্যোগটোৰ এতিয়া কোনোধৰণৰ কামেই নাই। বেলেগ এটা উদ্যোগৰ কথা কৈ আছে যদিও এই ক্ষেত্ৰত কোনো ধৰণৰ কাম আগবঢ়া নাই আৰু আমাৰ সৈতে আলোচনা কৰা কথাবিলাকো আগবঢ়া নাই। অলপতে প্ৰকাশিত বাতৰিটোৰ সন্দৰ্ভত মই এটা কথাই ক'ব বিচাৰিছো যে নতুন উদ্যোগৰ ক্ষেত্ৰত Advantage Assam ত আমাৰ যশস্বী মুখ্যমন্ত্ৰী ডাঙৰীয়াই সমগ্ৰ দেশ-বিদেশৰ লগতে অসমৰ সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছে । সেই ক্ষেত্ৰত মই এটাই অনুৰোধ কৰিব বিচাৰিছো যে AIDC কৰ্তৃপক্ষই অতি শীঘ্ৰেই নতুন উদ্যোগৰ ক্ষেত্ৰত যি সম্ভাৱনা আহি আছে এই ক্ষেত্ৰত ছিপাঝাৰৰ এই মাটি খিনিও এটা ভাল উদ্যোগৰ লগতে থলুৱা উদ্যোগীসকলক গুৰুত্ব দি মাটি খিনি থলুৱা উদ্যোগীক দিয়াৰ বাবে যাতে বিশেষ ব্যৱস্থা গ্ৰহণ কৰে তাৰ বাবে মই এই বিষয়টো আজি  সদনত উত্থাপন কৰিছো। প্ৰাগবছিমি উদ্যোগটোত এতিয়া এজন ব্যক্তিয়ে মুনাফা লুটি আছে। আজি এই বিভাগৰ মন্ত্ৰী ডাঙৰীয়া উপস্থিত নাই যদিও আগৰ মন্ত্ৰী ডাঙৰীয়া উপস্থিত আছে আৰু মই জানো তেখেতৰ হাতত এই প্ৰশ্নৰ উত্তৰৰ তথ্য নিশ্চকৈ আছে।  আজি এই পৱিত্ৰ বিধান সভাত এই বাতৰিটোৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিছো ছিপাঝাৰ সমষ্টিৰ সকোলো মানুহক আশ্বস্ত কৰিবৰ বাবে কিয়নো মই প্ৰথম নিৰ্বাচনত অৱতীৰ্ণ হওতে মই কথা দিছিলো যে এই প্ৰাগবছিমি উদ্যোগটো জনমুখী উদ্যোগলৈ পৰিৱৰ্তনৰ বাবে আপ্ৰাণ চেষ্টা কৰিম আৰু সেই মতে আমাৰ মাননীয় মন্ত্ৰী পাটোৱাৰী ডাঙৰীয়াৰ সৈতে বহিছিলো। এতিয়া আমাৰ যি এটা সুন্দৰ বাতাৱৰনৰ সৃষ্টি হৈছে  আৰু  এটা নতুন দিগন্তৰ উদয় হ'ব বুলি আমি আশা কৰিছো লগতে সেই ২৯৯ বিঘা মাটিত জনহিতকৰ স্বাৰ্থত এটা উদ্যোগ স্থাপনৰ ক্ষেত্ৰত যাতে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে আৰু

অনতিপলমে সেই মাটিখিনি AIDC ৰ হাতলৈ আনিব লাগে আৰু তাত উদ্যোগ স্থাপন কৰি যাতে ছিপাঝাৰ বাসীক এটা নতুন আশা দিব পাৰে। এতিয়া যি পৰিৱৰ্তন হৈ আছে এই ক্ষেত্ৰত মই এটা কথাই কৈ সামৰণি মাৰিব বিচাৰিছো যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে নাৰেংগী আৰু কুৰুৱাত যি ৰিং ৰোডৰ ব্যৱস্থা কৰিছে সেই ৰিং ৰোডে গুৱাহাটী মহানগৰৰ লগতে ছিপাঝাৰৰ গোটেই অঞ্চলটো ইয়াৰ উপকণ্ঠ হিচাপে স্মাৰ্ট চিটীত অন্তৰ্ভুক্ত কৰাৰ ক্ষেত্ৰত এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। আশা কৰিছো সমগ্ৰ অসম বাসীৰ বাবে এটা বাৰ্তাই সদনৰ পৰা যাব লাগে যে এই উদ্যোগটোৱে থলুৱা খিলঞ্জীয়া মানুহৰ আশাৰ ওপৰত যি চেঁচা পানী ঢালিলে সেইয়া অতি শীঘ্ৰে নাইকিয়া কৰি তাত এটা গুৰুত্বপূৰ্ণ উদ্যোগ স্থাপন কৰি থলুৱা উদ্যোগী সকলৰ ক্ষেত্ৰত যাতে আশাৰ বতৰা কঢ়িয়াই আনে আৰু যথা বিহীত ব্যৱস্থা ল'বৰ বাবে মই বিধান সভাত এই বিশেষ প্ৰসংগটো উল্লেখ কৰিলো। ধন্যবাদ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য পৰমানন্দ ৰাজবংশী ডাঙৰীয়াই যিটো বিষয় আনিছে প্ৰাগ বচেমিৰ সন্দৰ্ভত, এই বিষয়টো সচাকৈয়ে গুৰুত্বপূৰ্ণ বিষয়। কাৰন সেইটো এটা সময় আছিল যে, প্ৰাগ বচেমি চিন্থেচিকছ লিমিটেডটো অসমৰ pride আছিল। সেইটো এটা দৰং জিলাৰ বুলি নহয় গোটেই অসমৰে এটা pride আছিল। ইয়াৰ এটা দুৰ্ভাগ্যৰ কথা হ'ল যে প্ৰথমতে বঙাইগাওঁ ৰিফাইনাৰীৰ যিটো আমাৰ ভিচকচ বনাই, সেই plant টো আমাৰ shut-down হৈ গ'ল আৰু বঙাইগাওঁ ৰিফাইনাৰীৰ এই plant টো shut-down হৈ যোৱাৰ ফলত বৈইটামাৰী, টিহু, নাথকুছি, প্ৰাগ বচেমি এপল আৰু জাগীৰোড চিনটেস্ক এই গোটেই কেইটা একে দিনতে বন্ধ হৈ গৈছিল। কাৰণ কিয় যে এই যিটো সূতা বনাব লাগে সেই সূতাটো যে ভিচকচৰ পৰা বনাই, সেইটো গুজৰাটৰ পৰা ভিচকচ, আনি বনাব লাগিব। গতিকে সেইটো cost effective নহয়। গতিকে এই বৈইটামাৰী, টিহু, নাথকুছি, প্ৰাগ বচেমি আৰু জাগীৰোড হওঁক এই গোটেইখিনি কি হ'ল? এই গোটেই কেইটা মিল বন্ধ হৈ গ'ল। বন্ধ হৈ যোৱাৰ পিছতে তাতে কিছু কিছু পৰিমানে তাতে যি জন owner আছিল, তেওঁ চলাই আছিল। মই মাজতে উদ্যোগ মন্ত্ৰী হৈ থকাৰ অৱস্থাত তাতে মই ৰাজবংশী ডাঙৰীয়াৰ লগত গৈছিলো। তেতিয়া মই তেওঁলোকৰ লগত কথা পাতি কিছু জানিব লগা কথা আছিল। এটা কথা ঠিক যে সেইখন এখন ভাল textile park হ'ব পাৰে আজিৰ দিনটোত। গতিকে সেই সময়ত ৰাজবংশী ডাঙৰীয়াই মোক বহুখিনি অনুৰোধ কৰিছিল আৰু অনুৰোধ কৰাৰ কাৰণে মই তেখেতক এটা Ethanol Industry ও দিছো তাতে। গতিকে তেখেতক মই এটা ডাঙৰ উদ্যোগ দিছো, তেওঁৰ মনটো যাতে ভালে থাকে। এই প্ৰাগ বচেমিৰ দুখটো কমাব কাৰণে। সেই হিচাবত কি হয় এতিয়া এই প্ৰাগ বচেমি টোৰ ক্ষেত্ৰত আমাৰ এইবাৰ ভাল হৈছে, এটা কথা যে মাননীয় মুখ্যমন্ত্ৰীয়ে এইবাৰ Advantage Assam ত roadshow কৰিবলৈ মোম্বাইত গৈছিল, তেতিয়া মোম্বাইত roadshow কৰিবলৈ যাওঁতে তেখেতে টেক্সটাইল উদ্যোগ সমূহৰ লগত কথা পাতিছিল। আমাৰ ইয়াতে এটা কথা ঠিক যে উপাধ্যক্ষ ডাঙৰীয়া, মুখ্যমন্ত্ৰী ডাঙৰীয়াই কথা পতাৰ পিছত মুখ্য সচিব ডাঙৰীয়াক নিৰ্দেশ দিলে আৰু মুখ্য সচিবে সেই মতে বিভিন্ন টেক্সটাইল কোম্পানীৰ লগত কথা পাতিলে। এতিয়া আমাৰ Coimbatore, Shirpur এই জিলা বিলাক তামিল নাডুত, তেওঁলোকৰ Apparel উদ্যোগ টো ইমান বেছি ওপৰত, টেক্সটাইল ইমান বেছি ওপৰলৈ গৈছে এতিয়া যে তেওঁলোকৰ লগটো কথা বতৰা চলি আছে। এই কথা বতৰা বিলাক মাননীয় মুখ্যমন্ত্ৰীয়ে ভালকৈ Textile উদ্যোগৰ লগত কথা পাতিছে। মুখ্য সচিব ডাঙৰীয়াই Textile উদ্যোগ

সমূহৰ লগত কথা পাতিছে। গতিকে এটা আশাৰ ৰেঙণি আছে যে Textile উদ্যোগ সমূহ আহিবলৈ হ'লে, এতিয়া যি Coimbatore জিলাত যিবিলাক উদ্যোগ আছে, যেনেকৈ Shirpur জিলাত যিবিলাক আছে Textile, গুজৰাটৰ চূৰাটত আছে, গতিকে তাতে যিবিলাক উদ্যোগ established হৈ গৈছে, আমাৰ ইয়াতে Textile উদ্যোগ আনিবলৈ হ'লে, আমি তেওঁলোকক কিছুমান incentive দিব লাগিব। আৰু incentive দিলেহে তেওঁলোক নিশ্চয় ইয়াত আহিব। সেই কাৰণে অসম চৰকাৰে এটা Textile and Apparel Policy 2025-26 তেওঁলোকে প্ৰস্তুত কৰি আছে। সেই Policy টোত পিছে incentive থাকিব । তাত কিছুমান power tariff ৰ ক্ষেত্ৰত কিছু incentive থাকিব, inter-subvention থাকিব, ঠিক তেনে ধৰণে আমাৰ কেপিটেল subsidy থাকিব বা paid subsidy থাকিব। গতিকে এনেকুৰা বিভিন্ন ধৰণৰ incentive এই Policy টোত থাকিব। যিটো not available in Gujrat, or not available in Coimbatore and Shirpur District or other places.গতিকে তেনেকুৰা ধৰণৰ Policy হ'লে এই উদ্যোগবোৰ ইয়াত আহিবলৈ সক্ষম হ'ব। গতিকে উপাধ্যক্ষ মহোদয়, ৰাজবংশী ডাঙৰীয়াই বেছি চিন্তা কৰিব লগা নাই যে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিটো ব্যৱস্থা লৈছে, উৰিষ্যা, গুজৰাটত যেনে ধৰণৰ টেক্সটাইল উদ্যোগ grow কৰিছে, ইয়াটো grow কৰাৰ কাৰণে মুখ্যমন্ত্ৰী ডাঙৰয়াই নিজাববীয়াকৈ ব্যৱস্থা কৰিছে। এইবাৰ ৰোড শ্ব' ত যাওঁতে মুম্বাইত তেওঁ এই কথাখিনি ভালকৈ industrialist সকলৰ লগত পাতিছে। মই ভাবো, মোৰ এটা দীঘলীয়া উত্তৰ আছে। সেই উত্তৰটো মই Lay কৰি দিম যিহেতু সেইটো অলপ দীঘলীয়া।

**মাননীয় উপাধ্যক্ষ** ঃ ঠিক আছে, সেইটো Lay কৰি দিয়ক।

(উত্তৰটো সদনৰ মেজত Lay কৰি দিয়ে)

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** মই থোৰতে কথাখিনি কৈ দিলো। উত্তৰটো তাত নোট হৈ থাকক। গতিকে ৰাজবংশী ডাঙৰীয়াক মই এটা কথা কৈছো যে আপুনি যিমান সমষ্টিত কষ্ট কৰি থাকে, আপুনি এখন ভাল টেক্সটাইল পাৰ্ক নিশ্চয় দেখা পাব। মোৰ এটা ভাব, মোৰ এটা আশা আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিহেতু এতিয়া ব্যৱস্থা গ্ৰহণ কৰিছে, গতিকে মুখ্যমন্ত্ৰী ডাঙৰীয়াই নিশ্চয়কৈ সেই পাৰ্কখন তেনেকৈ পেলাই নথয়। গতিকে আপুনি এটা ভাল আশাৰ ৰেঙণি আগন্তুক দিনত দেখিবলৈ পাব। আশাবাদী হৈ থাকক।

**মাননীয় উপাধ্যক্ষ** ঃ শূণ্যকালীন ঘন্টা সমাপ্ত। পিছৰ কাৰ্য্যসূচী ৰুল ৫৪।

মাননীয় সদস্য ৰমেন্দ্ৰ নাৰয়ণ কলিতা।

**শ্ৰী ৰমেন্দ্ৰ নাৰয়ণ কলিতা, (পশ্চিম গুৱাহাটী ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ৰুল ৫৪ ৰ অধীনত মই নিয়মীয়া বাৰ্তা, অসমীয়া প্ৰতিদিন, ইত্যাদি কাকতত প্ৰকাশিত মৰা ভৰলু পৰিষ্কাৰ কৰাৰ দাবীত বিক্ষোভ চেভ ভৰলু অভিযানৰ। মাননীয় উপাধ্যক্ষ মহোদয়, গুৱাহাটীৰ মাজ মজিয়াত তিনিখন বোৰতী নদী আছে। এখন হৈছে বাহিনী নদী, এখন হৈছে ভৰলু নদী আৰু এখন হৈছে মৰা ভৰলু নদী। এই তিনিখন নদীৰ অৱস্থা একেবাৰে শোচনীয়। আমাৰ ছেভ গুৱাহাটী অভিযানে ইতিমধ্যে এই নদী তিনিখনৰ কথা বিভিন্ন সময়ত কৈ আহিছে। তেখেতসকলে কিছু কাৰ্য্যসূচীও লৈছে। তেখেত সকলে পৰিস্কাৰ পৰিচ্ছন্নতাৰ ক্ষেত্ৰত কিছু ব্যৱস্থাও লৈছে। আমাৰ এই তিনিখন নদীৰ অৱস্থা একেবাৰে শোচনীয় হোৱাৰ মুল কাৰণটো হৈছে যে গুৱাহাটী মহানগৰীৰ যিমান বিলাক আৱৰ্জনা, আজি এই আৱৰ্জনা বিলাক এই তিনিখন নদীত পেলোৱা হয়। তাৰ মানে এইটো ডাষ্টবিন হিচাপে ব্যৱহাৰ কৰি অহা হৈছে আৰু ঠিক তেনেকৈ আমাৰ গুৱাহাটী মহানগৰীৰ যিবিলাক

লেতেৰা পানী এই গোটেই লেতেৰা পানীখিনি আজি বিশেষ ভাবে ভৰলু আৰু মৰা ভৰলুত পেলোৱা হৈছে। তাৰোপৰি নদীৰ পাৰত থকা বাসিন্দা সকলৰো যি দুষিত লেতেৰা পানী, সেই পানীও আজি এই নদীত পেলোৱাৰ কাৰণে আজি এই অৱস্থা সৃষ্টি হৈছে। অসম ৰাজ্যিক প্ৰদূষণ নিয়ন্ত্ৰণ বোৰ্ডে এটা সমীক্ষা চলাইছিল, ভাৰতবৰ্ষৰ যিমানখিনি নদী আছে, সেই নদী বিলাকৰ ভিতৰত আটাইতকৈ প্ৰদুষিত নদী হৈছে ভৰলু, মৰা ভৰলু নদী। এতিয়া গুৱাহাটী পৌৰনিগমে মাজে মাজে পৰিস্কাৰ কৰে। কিন্তু সেইটো ওপৰে ওপৰে কৰা হৈছে। ভালদৰে পৰিস্কাৰ কৰা হোৱা নাই। আজি এই নদী কেইখনত প্লাষ্টিকো পেলোৱা হৈছে। গতিকে আজি আমাৰ বিশেষভাবে ভৰলু আৰু মৰা ভৰলু নদীৰ যি অৱস্থা, যি ধৰণে প্ৰদুষিত হৈছে, আজি এই প্ৰদুষনৰ ফলত যথেষ্ট মানুহো ৰোগত আক্ৰান্ত হ'ব লগীয়া হৈছে। গতিকে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰীক, যিহেতু মাননীয় মন্ত্ৰী নতুনকৈ এই দায়িত্ব পাইছে, গতিকে মই দুটামান পৰামৰ্শ দিব বিচাৰিছো। এতিয়া গুৱাহাটী মহানগৰীৰ দুয়োখন নদী ভৰলু আৰু মৰা ভৰলু নদী এইটো প্ৰয়োজন সাপেক্ষে, গুৱাহাটী পৌৰনিগমৰ যদি টেকনিকেল মানুহ নাই, expert যদি নাই, তেনেহ'লে water resource বিভাগক দি গোটেই নদীকেইখন পৰিস্কাৰ কৰাৰ ব্যৱস্থা কৰিব লাগে আৰু লগতে যিবিলাক গুৱাহাটীৰ লেতেৰা পানী, যিবিলাক ন'লাৰে আহে, মই ভাবো, মৰা ভৰলু বা ভৰলু বা বাহিনী ইত্যাদি নদী যিখিনি আমাৰ আছে ইয়াৰ পাৰত ৰাতি পোহৰাই তুলিবৰ বাবে লাইটৰ ব্যৱস্থা কৰিব লাগে আৰু প্ৰয়োজন হ'লে চিচি-টিভি -কেমেৰা ইত্যাদি ঠায়ে ঠায়ে ইনষ্ট'ল কৰিব লাগে । আবৰ্জ্জনা পেলোৱাত বাধা দিবলৈ প্ৰয়োজন হ'লে সদনত বিল আনিও শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিব লাগে। মই দুই এখন বাহিৰৰ দেশত গৈছিলো। মই আমষ্টাৰডামত দেখিছো যে, এনেধৰনৰ নদীত দুয়োফালে গাৰ্ডৱাল দি - তাত বোটিঙৰ ব্যৱস্থা কৰিছে। আমিও যদি ইয়াত তেনেকুৱা কিছুমান ঠাই উলিয়াই, আইডেন্টিফাই কৰি বিশেষকৈ মৰা ভৰলু, ভৰলু নদীত চাৰ্ভে কৰি যদি আমি বোটিঙৰ ব্যৱস্থা কৰিব পাৰো মই ভাবো এইটো এটা বহু ভাল কাম হ'ব। মই জানো এইটো ক'ম দিনৰ ভিতৰত কৰিব পৰা কাম নহয় কিন্তু চৰকাৰে এটা মাষ্টাৰ প্লেন তৈয়াৰ কৰিব পাৰে । গুৱাহাটীৰ দৰে মহানগৰৰ মাজমজিয়াত ইমান ধুনীয়া তিনিখন বোঁৱতী নদী আছে, এই নদী তিনিখনক সংৰক্ষন কৰি সজাই তুলি আমি পৰ্য্যটনৰ কেন্দ্ৰ হিচাপেও গঢ়ি তুলিব পাৰো । মই ভাৱো , প্ৰয়োজন হ'লে মাননীয় মন্ত্ৰী মহোদয়ে আজি ইয়াতে যদি, ৱাটাৰ ৰিৰ্চোছ ডিপাৰ্টমেন্ট , ট্যুৰিজিম ডিপাৰ্টমেন্ট, জিএম ডিএ - জি এম চি, পোলিউশ্যন বোৰ্ড এই বিভাগকসমূহক লৈ এটা কোঅৰ্ডিনেশ্যন কমিটি গঠন কৰি লয় আৰু আমাৰ এইক্ষেত্ৰত যিখিনি এক্সপাৰ্ট আছে তেওঁলোকক লৈ প্ৰয়োজন সাপেক্ষে বাহিৰৰ পৰাও এক্সপাৰ্ট আনি এটা মাষ্টাৰ প্লেন তৈয়াৰ কৰি ল'ব পাৰি। আমি কেনেদৰে গুৱাহাটী মহানগৰৰ এই নদী তিনিখন সংৰক্ষণ কৰিব পাৰো, কিদৰে চুৱাৰেজ ট্ৰিটমেন্ট প্লেন্ট ইয়াত কৰিব পাৰো - আমাৰ দেশৰ ভিতৰতে অন্যতম প্ৰদুষিত এই নদী তিনিখন কিদৰে আমি প্ৰদূষণমুক্ত কৰিব পাৰো এই গোটেই কথাবিলাক আগত ৰাখি এটা মাষ্টাৰ প্লেন তৈয়াৰ কৰি ল'ব লাগে । যিটো আমি ইয়াত দুখৰ নদী বুলি কৈছো- মই ভাবো ভৱিষ্যতে এই নদীতিনিখন ভৱিষ্যতে আমাৰ বাবে সুখৰ নদী হিচাপে পৰিগণিত কৰিবলৈ মাননীয় মন্ত্ৰী মহোদয়ৰ নেতৃত্বত কৰিব পাৰিব বুলি মোৰ দৃঢ় বিশ্বাস আছে । গতিকে এইধৰনে ব্যৱস্থা ল'বলৈ আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক বিশেষভাৱে অনুৰোধ জনাইছো ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ, মন্ত্ৰী ডাঙৰীয়াৰ উত্তৰ ।

**শ্ৰীজয়ন্তমল্ল বৰুৱা, (মন্ত্ৰী, গুৱাহাটী উন্নয়ণ বিভাগ ইত্যাদি)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়,

ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই এটা সুন্দৰ কথাৰে দৃষ্টি আকৰ্ষণ কৰিছে। নিয়মীয় ৰাৰ্ত্তা কাকতৰ ‘ মৰাঁ ভৰলু পৰিস্কাৰ কৰাৰ দাবীত বিক্ষোভ’ - ‘ চেভ ভৰলু অভিযানৰ’ তেখেতসকলে যোৱা দুইদিন আগত বিক্ষোভৰ দাবীত যিখিনি কথা ইয়াত লিখিছে , সেই সম্পৰ্কত মই কিছু কথা ক’ব বিচাৰিছো । আমাৰ মাননীয় বিধায়ক গৰাকীয়ে ভাল পৰামৰ্শ দিছে । এই পৰামৰ্শ মতে ইতিমধ্যে আমি কিছু কাম আগবঢ়াইছো । ভৰলু- মৰাঁ ভৰলু আৰু বাহিনী এই তিনিটা নদী পৰিস্কাৰৰ কাৰণে বিভাগে - গুৱাহাটী পৌৰনিগম আৰু জি এম ডিএৰ দ্বাৰা প্ৰতি বছৰে এনেধৰণৰ কিছুমান কাম কৰি আছে । প্ৰতিবাৰে নদীত থকা মাটি খনন কৰি উঠাই দিয়া হয় কিন্তু এটা কথা স্পষ্ট যে, গোটেই গুৱাহাটীৰ জাঁৰৰ - জোঁথৰৰ পৰা আৰম্ভ কৰি আৱৰ্জ্জনাসমূহ এই তিনিটা নদীত আহি পৰে যাৰ কাৰণে আমি ভৰলু পৰিস্কাৰ কৰাৰ কেইদিনমান পিচতে আকৌ পাহাৰৰ পৰা বালি মাটি আৰু গুৱাহাটীৰ আৱৰ্জ্জনাসমূহ নদীবিলাকত পৰিবলৈ আৰম্ভ হয় । যোৱা বছৰো আমি কিছু খনন কাৰ্য্য কৰিছিলো । এই জাঁৰৰ- জোঁথৰবোৰ নদীত পৰাৰ পৰা ৰখাবৰ বাবে কিছুমান ছেকনীৰ ব্যৱস্থা কৰি এই জাৰঁৰবোৰ ৰখাবলৈ চেষ্টা কৰিছো কিন্তু আমাৰ মাজত বা ৰাইজৰ মাজত সজাগতাৰ অভাৱ । সজাগতাটো যিধৰনে হ’ব লাগিছিল সেই ধৰণে হোৱা নাই যাৰ কাৰণে যোৱা ১৫ ডিচেম্বৰৰ পৰা আমি তিনিমাহৰ কাৰণে স্বচ্ছ গুৱাহাটী অভিযান এটা আৰম্ভ কৰিছিলো । এই অভিযানৰ জৰিয়তে আমি ৰাইজৰ মাজত সজাগতাৰ চেষ্টা চলাইছিলো যাতে আমি ৰাইজ সচেতন হয়। আমাৰ সদস্যগৰাকীয়ে এই বিভাগৰ বিষয়ে কিছু কথা কৈছে ইতিমধ্যে যে আমাৰ ফ্লাড ফ্ৰি মিশ্যন আছে । তাত আমাৰ সকলো বিভাগ যেনে ৱাটাৰ ৰিৰ্চোছ- পি এইচ ই, জি এম ডি, ৰেইল ৱে, জি এম চি আদি সকলো বিভাগক লৈ আমি প্ৰতিমাহতে মুখ্য মন্ত্ৰীৰ নিৰ্দেশনাত সময়ে সময়ে ৰিভিউ লৈ আছো। আৰু মাননীয় মুখ্যমন্ত্ৰী গৰাকীও তাৰ ৰিভিউ লৈ আছে গতিকে আমি এটা পৰিকল্পনাৰে আগবাঢ়িছো কিন্তু বা - বাতৰিত আহিছে যে যিধৰণৰ কাম হ’ব লাগিছিল তেনেধৰণৰ কাম হোৱা নাই গতিকে ইয়াৰ মনিটৰিঙটো আৰু অলপ তীক্ষ্ণ কৰিব লাগিব বুলি মই ভাবো । এই কামবিলাকত যিবিলাক এষ্টিমেট বনোৱা হয় তাত প্ৰায়ভাগতে দেখা যায় ২০-৩০ শতাংশ বিলো মাৰিও কাম লয়। তাতে সন্দেহ হয়, সেইকাৰণে এইবাৰ আমি এই বিষয়টোত অত্যন্ত তীক্ষ্ণ নজৰ ৰাখিছো । গাইডলাইনত যিটো থাকে যিমানে বিলো টেণ্ডাৰ মাৰিলেও আমি দিব লগা হয় । ৩০- ৪০ শতাংশৰ বিলোতো ঠিকাদাৰে কাম লয় । তেতিয়া সন্দেহ হয় যে ইমান নিম্নহাৰত কাম কেনেকৈ লয় ? সেইটোহে আমাৰ চাবলগীয়া । মই কিছুদিন আগত বিভাগীয় বিষয়াসকলৰ লগত এখন সভা কৰিছিলো । তেখেতসকলক মই নিৰ্দেশনা দিছো যে যিসকল নতুন বিষয়া নিযুক্তি দিয়া হৈছে তাৰে একোজন বিষয়া আৰু সেই অঞ্চল স্থানীয় ৰাইজৰক লৈ এটা মনিটৰিঙ কমিটি বনাই দিম যাতে সেই অঞ্চলৰ কামসমূহ কৰাৰ ক্ষেত্ৰত তেওঁলোকে প্ৰখৰ নজৰ ৰাখিব পাৰে । মই ভাবো যে তেতিয়া এই কামখিনিৰ এটা গতি লগাব পৰা যাব। গতিকে এইবাৰ এই সিদ্ধান্ত আমি গ্ৰহণ কৰিছো আৰু ইয়াক আমি গুৰুত্বসহকাৰে ল’ম । আমাৰ যিটো ‘ চেভ ভৰলু ’ অভিযান এখেতসকলৰ এগৰাকী সদস্যই যোৱাকালি মোৰ লগত কথা হৈছে - মই তেখেতসকলোকো নিমন্ত্ৰণ জনাম আৰু এখেতসকলৰ যিখিনি বহুমূলীয়া পৰামৰ্শ সেইখিনিও আমি ল’ম কাৰণ ৰাইজৰ সহযোগ অবিহনে কেতিয়াও কামটো সম্ভৱ নহয় আৰু আজি সদনৰ মজিয়াত আপোনালোকক জনাব পাই মই আনন্দিত যে গুৱাহাটীত ইতিমধ্যে চুৱাৰেজ ট্ৰিটমেন্ট প্লেনৰ কাম অনুমোদিত হৈছে আৰু তাৰ কামো আগবঢ়াবলৈ ওলাইছো । স্বাধীনতাৰ ৭৫ বছৰ পাৰ হৈ যোৱাৰ পিচতো গুবাহাটীৰ দৰে ইমান ডাঙৰ চহৰ এখনত চুৱাৰেজ ট্ৰিটমেন্ট নথকাটো এটা আচৰিত কথা । এতিয়াও পায়খানাৰ

টেংকী ফুল হ'লে মল - জাৰৰ উলিয়াই লৈ যাব লগা হোৱাটো এটা লজ্জাকৰ কথা । কিন্তু স্বাধীনতাৰ ৭৫ বছৰ পাৰ হৈ যোৱাৰ পিচতো এই কথাবিলাক চিন্তা কৰা নহ'ল । আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডঃহিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত এতিয়া গুৱাহাটী চহৰত চুৱাৰেজ ট্ৰিটমেন্ট প্লেন্ট কৰাৰ চিন্তা কৰা হৈছে । আৰু কামো যথেষ্ট আগবাঢ়ি গৈছে। মই ভাবো এই বছৰৰ ভিতৰতে আমি কামটো আৰম্ভ কৰিব পাৰিম । গতিকে চুৱাৰেজ ট্ৰিটমেন্ট প্লেন্ট হোৱাৰ লগে লগে তাত দুষিত পানী যোৱাৰ যিটো ব্যৱস্থা সেইটো লোৱা হ'ব । যিখিনি কাম সময়ে সময়ে আমি কৰি থাকিব লগা হৈছে যেনে ফগিং কৰা- চাফচিকুন কৰা, বিভিন্নধৰণৰ ঔষধ দিয়া ইত্যাদি ইত্যদি- ৰাইজক যাতে সকাহ দিব পাৰো , এটা ভাল পৰিবেশত ৰখাৰ ব্যৱস্থা কৰিছো কিন্তু এইটোৱে পৰ্য্যাপ্ত নহয়, মই আশা ৰাখো যে মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নিৰ্দেশমতে আমি কিছু নতুন নতুন চিন্তা -চৰ্চাৰে এইবাৰ গুৱাহাটীৰ এই চাৰিটা নদী চাফ- চিকুণৰ কাম আমি আৰম্ভ কৰিম আৰু ৰাইজৰ সহযোগ আমি বিচাৰিছো । মাননীয় সদস্যগৰাকীয়ে আমাৰ দীপৰ বিল আৰু ভৰলু - বাহিনী নৈক লৈ সদায় যথেষ্ঠ সচেতন হৈ থাকে গতিকে মই তেখেতৰ পৰাও পৰামৰ্শখিনি ল'লো আৰু এইবাৰ সকলোৰে মিলি এই কামখিনি কৰাৰ চেষ্টা কৰিম, ধন্যবাদ ।

**মাননীয় উপাধ্যক্ষ ঃ** চুৱাৰেজৰ কাম আৰম্ভ হ'লে আশী শতাংশ সমস্যা সমাধান হ'ব । এতিয়া পৰৱৰ্ত্তী কাৰ্য্যসূচী ৰুল-৩০১ - অনাৰেবল্ মেম্বাৰ শ্ৰীজাকিৰ হুছেইন সিক্দাৰ ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী)** ঃ উপাধ্যক্ষ ডাঙৰীয়া, Rule 301 ৰ অধীনত কৃষকক বীজ যোগান সম্পৰ্কত আলোচনা কৰিব দিয়াৰ বাবে মই সদনক ধন্যবাদ জনাইছো। উপাধ্যক্ষ ডাঙৰীয়া অসম কৃষি প্ৰধান ৰাজ্য। আমাৰ ৰাজ্য খনত বেছি ভাগ মানুহে কৃষি কাৰ্য্যৰ লগত জড়িত আৰু ৰাজ্য চৰকাৰ খনে বা কেন্দ্ৰীয় চৰকাৰখনেও প্ৰতিটো মহুৰ্তত কয় কৃষক সকলৰ আয়ৰ দুগুন আমি কৰিম বা কৃষক সকলৰ গোটেই দায়িত্ব আমি পালন কৰিম। কিন্তু শেহতীয়া ভাবে যদি আমি গোটেই কথা বিলাক চাওঁ তেতিয়া হ'লে আমি দেখা পাম যে বিভাগে কৃষক সকলক কিমান সা সুবিধা দিছে আৰু কৃষক সকল কিমান পৰিমাণে উপকৃত হৈছে। কিন্তু এই কথাটো মই নিশ্চিত ভাৱে কম যে কৃষি বিভাগে যি ধৰণে কৃষক সকলৰ ওচৰত ঠিয় হব লাগে সেই ধৰণে হোৱা নাই আৰু খেতিয়ক সকলে বিভাগৰ ফালৰ পৰাই হ'ওক বা ৰাজ্যচৰকাৰৰ ফালৰ পৰাই হ'ওক বিশেষ -সুবিধা পোৱা নাই। মই খেতিয়ক সকলৰ বিভিন্ন দিশৰ ওপৰত আলোচনা নকৰি অকল কৃষক সকলক যোগান ধৰা বীজৰ ওপৰত ক'ম। খেতিয়ক সকলে বিভিন্ন সময়ত যি ধৰণৰ খেতি কৰে তেতিয়া তেওঁলোকে প্ৰধান কৈ বীজৰ ওপৰত নিৰ্ভৰ কৰে। এই ক্ষেত্ৰত বিভাগে বা ৰাজ্য চৰকাৰে সময়ে সময়ে কৃষক সকলক বিভিন্ন ধৰণৰ বীজ যোগান ধৰে যদিও পৰ্যাপ্ত পৰিমানে বীজ যোগান ধৰিবলৈ সক্ষম হোৱা নাই। আৰু দুখৰ বিষয় যে কৃষি বিভাগে কৃষক সকলক যি বীজ যোগান ধৰে তাৰ ওপৰত কৃষক সকলৰ বিশ্বাস নাই, আৰু খেতিয়ক সকলে ভাৱে যে বিভাগে যোগান ধৰা বিনামূলীয়া বীজ সমূহ অতি নিম্নমানৰ কাৰণ সেই বীজেৰে যেতিয়া খেতিয়ক সকলে খেতি কৰে তাৰ ফচল ভাল নহয় তাৰ ফলত কৃষক সকল লাভবান নহয়। সেই কাৰণে আজিৰ সময়ত অসমৰ বেছিভাগ কৃষকৰে কৃষি বিভাগে যোগান ধৰা বিনামূলীয়া বীজৰ ওপৰত বিশ্বাস নাই। এই কথাবিলাক সময়ে সময়ে বিভিন্ন বাতৰি কাকত আৰু বিধান সভাটো আলোচনা হৈ আছে। কাৰণ কৃষি বিভাগে বিনামূলীয়া বীজ ক্ৰয় কৰাৰ বাবে যি বোৰ সংস্থাক দায়িত্ব দিয়ে তেওঁলোকে অতি নিম্নমানৰ বীজ সমূহ ক্ৰয় কৰি কৃষক সকলক যোগান ধৰে। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে যদি কৃষক সকলক সচাকৈ উপকৃত কৰিব লাগে তেতিয়া হলে প্ৰথমতে বিভাগে

লক্ষ্য কৰিব লাগিব যে তেওঁলোকক উন্নত মানৰ বীজ যোগান ধৰা হৈছে নে নাই। লগতে এই বীজ ক্ৰয় কৰাৰ ক্ষেত্ৰত কোনো দালাল চক্ৰ জড়িত হৈছে নেকি সেইটো প্ৰথমতে বিভাগে লক্ষ্য কৰিব লাগিব। সেইহে মই আকৌ কৈছো যে অসমৰ কৃষক সকলক বিভাগে যোগান ধৰা বীজৰ ওপৰত তেওঁলোকৰ অলপো বিশ্বাস নাই। সেইহে বেছিভাগ কৃষকে দোকানৰ পৰা বীজ সমূহ ক্ৰয় কৰে আৰু এই ক্ষেত্ৰত তেওঁলোকে বহুত বেছি দামত বীজ সমূহ ক্ৰয় কৰিব লগীয়া হয়। লগতে কৃষক সকলে বীজ ভাণ্ডাৰৰ পৰা ক্ৰয় কৰা বীজ সমূহ আমাৰ অসমৰ নহয়। এইবোৰ বাহিৰৰ ৰাজ্যৰ পৰা আনি আমাৰ খেতিয়ক সকলক যোগান ধৰে। এই বহিৰাগত বীজ সমূহ কৃষক সকলে ইমানে বেছি দামত কিনিব লগীয়া হয় যাৰ ফলত খেতিয়ক সকলে তেওলোকৰ উৎপাদিত ফচলৰ পৰা একো লাভ নহয়। মাননীয় উপাধ্যক্ষ মহোদয়, কিধৰণে কৃষক সকলে অধিক দামত বীজ সমূহ ক্ৰয় কৰিব লগিয়া হৈছে তাৰ দুটামান উদাহৰণ আপোনাৰ ওচৰত দাখিল কৰিব বিচাৰিছো। যেনে বিলাহী- বেঙেনাৰ ১০ গ্ৰাম বীজৰ মূল্য ২০২৪ চনত যদি ১৫০ টকা আছিল ২০২৫ চনত তাৰ মূল্য হৈছে ৩০০ টকা। ঠিক তেনেকৈ বিলাহীৰ বীজ ১০ গ্ৰাম মূল্য যোৱা বাৰ ৪৫০ টকা আছিল এতিয়া হৈছে ৫৫০ টকা হৈছে। মাকৈ প্ৰতিকেজি যোৱা বাৰ আছিল ৩৫০ টকা এতিয়া হৈছে ৪৫০ টকা, টিয়হ ১০ গ্ৰামৰ মূল্য যোৱা বাৰ আছিল ১৭০ টকা এইবাৰ ১৮৫ টকা, ফুলকবিৰ ১০ গ্ৰামৰ মূল্য যোৱা বাৰ আছিল ৪০০ পৰা ৫০০ টকা এই বাৰ হৈছে ৫০০ ৰ পৰা ৭০০ টকা। বন্ধাকবি ১০ গ্ৰামৰ মূল্য যোৱা বাৰ ১৫০ ৰ পৰা ১৮০ টকা আছিল এইবাৰ হৈছে ১৮০ টকাৰ পৰা ২০০ টকা পৰ্য্যন্ত। আলু যোৱা বাৰ প্ৰতি কেজি যোৱা বাৰ ৩০ টকা আছিল এইবাৰ হৈছে ৫০ টকা, পিয়াজৰ গুটি প্ৰতি কেজি যোৱা বাৰ ২০০ টকা আছিল এইবাৰ হৈছে ৫০০ টকা, নহৰু প্ৰতি কেজি যোৱা বাৰ ১৫০ টকা আছিল এই বাৰ ৩০০ পৰা ৩৮০ টকা হৈছে, জলকীয়া ১০ গ্ৰামৰ মূল্য যোৱা বাৰ ৪০০ টকা আছিল এইবাৰ ৫০০ টকা হৈছে, মটৰ যোৱা বাৰ প্ৰতিকেজি ১৭০ টকা আছিল এইবাৰ হৈছে ২৫০ টকা। মৰাপাট প্ৰতিকেজি ১২০ টকা আছিল যোৱা বাৰ এইবাৰ হৈছে ২৫০ টকা, ধনীয়া প্ৰতিকেজি যোৱা বাৰ ২০০ টকা আছিল এইবাৰ ২৫০ ৰ পৰা ৩০০ টকা হৈছে , মচুৰ দালি যোৱা বাৰ প্ৰতিকেজি ৭০ টকা আছিল এইবাৰ ৮০ টকা হৈছে, মাতিমাহৰ যোৱাবাৰ প্ৰতিকেজি ৬০ টকা আছিল এইবাৰ ৭০ টকা হৈছে। এই টিয়হ, মৰাপাট, বন্ধাকবি,পিয়াজ আদি মহাৰাষ্ট্ৰৰ পৰা আহে এইবোৰ অসমত নহয় ইয়াৰ লগতে আমি যদি মাকৈ, আলু আদিৰ কথা কওঁ এইবোৰ পঞ্জাৱ, পশ্চিমবংগ আৰু হাইদৰাবাদৰ পৰা আহে।

**মাননীয় উপাধ্যক্ষ** ঃ আপোনাৰ ৫ মিনিট সময়েহে আছিল, সময় শেষে হ'ল।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী)** ঃ উপাধ্যক্ষ মহোদয়, মাত্ৰ ১মিনিট সময় কম । এতিয়া আমি যদি ধানৰ ক্ষেত্ৰত কওঁ মইগো ধানৰ বীজৰ মূল্য যোৱা বাৰে আছিল ৩৫০ টকা এইবাৰ হৈছে ৬৫০ টকা। ডাৱৰ ১ কেজিৰ দাম ৩৫০ টকা আছিল যোৱা বাৰ এইবাৰ ৬৫০ টকা হৈছে। পানধান ২৪.২৩ দাম প্ৰতিকেজি যোৱা বাৰ ৩৩০ টকা আছিল এইবাৰ হৈছে ৭০০ টকা। ইয়াৰোপৰি পেকেটত যিটো MRP লিখা থাকে তাতকৈ অধিক মূল্য লয় বীজ ভান্দাৰৰ দোকানীয়ে। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ৰ প্ৰতি আহ্বান থাকিব যে অসমৰ খেতিয়ক সকলক সম্পূৰ্ণ ভাৱে বিনামূলীয়া উন্নত জাতৰ বীজ যোগান ধৰিব আৰু বীজ ভান্দাৰৰ পৰা কিনিব লগা হলেও যাতে বেছি দাম ভৰিব নালাগে সেইটো যাতে কৃষিবিভাগে ভালদৰে নিৰীক্ষণ কৰে।

**মাননীয় উপাধ্যক্ষ** ঃ আমাৰ মাননীয় সদস্য গৰাকীয়ে অভিযোগ আনিছে যে চৰকাৰী বীজৰ ওপৰত কৃষকৰ অবিশ্বাস, এতিয়া মাননীয় মন্ত্ৰী।

**শ্ৰী অতুল বৰা, কৃষি বিভাগৰ মন্ত্ৰী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাবলীৰ নিয়ম ৩৫০ ৰ ১ নং নিয়ম অনুসৰি আমাৰ মাননীয় সদস্য গৰাকীয়ে উল্লেখ কৰিছে যে অসমৰ কৃষকক কৃষি বিভাগে যোগান ধৰা বীজৰ গুনগত মানৰ সম্পৰ্কত তেখেতে কিছু প্ৰশ্ন আনিছে আৰু সদনৰ দৃষ্টি আকৰ্ষণ কৰিছে, মই তেখেতক ধন্যবাদ জ্ঞাপন জনাইছো। কাৰণ তেখেতৰ প্ৰশ্ন খিনিৰ মই যুক্তি সহকাৰে উত্তৰ দিয়াৰ সুযোগ লাভ কৰিছো। মই এই ক্ষেত্ৰত বিধায়ক গৰাকীক তেখেতে কৰা সন্দেহ সন্দৰ্ভত তেখেতক দুটামান কথা ক'বলৈকে বিচাৰিছো যে আমাৰ চৰকাৰে যোগান ধৰা বীজ সম্পৰ্কত। মই ভাৱো যে এই ক্ষেত্ৰত কোনো বাস্তৱ ভিত্তি নাই। এটা সময় আছিল কংগ্ৰেছ চৰকাৰৰ দিনত আৰু এই সম্পৰ্কে প্ৰায়ে বা বাতৰি প্ৰকাশ পাইছিল সেয়েহে এতিয়াও বহুতৰ মনত সন্দেহ আছে যে এতিয়াও তেনেকুৱা বীজ যোগান ধৰা হৈছে। মই তথ্য সহকাৰে কেতবোৰ কথা ক'ব বিচাৰিছো যে আমাৰ চৰকাৰে বা কৃষি বিভাগে যোগান ধৰা বীজবোৰ যাতে উন্নত মানৰ হয় তাৰ ওপৰত আমি চোকা নজৰ ৰাখিছো। তেখেতে যদি আমাৰ প্ৰতিখন জিলাৰ কৃষক সকলৰ লগত প্ৰত্যক্ষ সম্পৰ্ক ৰাখিলে হেতেন আৰু মই জানো তেখেতৰ সমষ্টিতে ৫০ শতাংশতকৈ অধিক মানুহ কৃষিজীৱী তেতিয়া তেখেতে তেনেকুৱা মন্তব্য নাৰাখিলেহেঁতেন। আজি এখন বাতৰি কাকতত প্ৰকাশ পাইছে যে "অসমত উৎপাদিত ফচলে বিদেশৰ বজাৰত কি দৰে সমাদৰ লাভ কৰিছে"। অসমৰ মাত্ৰ ৬ টা কাজি নেমু জাৰ্মানীত বিক্ৰী হৈছে ২০০০ টকাত এইটো এটা সৰু কথা নহয়। আগৰ চৰকাৰৰ দিনত এনেকুৱা বা বাতৰি কেতিয়াও প্ৰকাশিত নহ'লহেতেন। আমি জানো যে ভাৱ বীজ অবিহনে ৰপ্তানি কেন্দ্ৰীক কৃষিৰ বিকাশ কেতিয়াও সম্ভৱ নহয়, এইটো হৈছে ভাল বীজৰ বাবেহে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দূৰদৰ্শী নেতৃত্বৰ বাবে ৰাজ্য খনত এক কৰ্ম সংস্কৃতিৰ পৰিবেশৰ সৃষ্টি হৈছে। আৰু এই কৰ্ম সংস্কৃতিয়ে আমাৰ কৃষক সকলকো স্পৰ্শ কৰিছে। অসমৰ ক'লা চাউল, ৰঙা চাউল, মাকৈ, আনাৰস, লিচু ; হালধিআৰু ভোট জলকীয়া ইত্যাদিয়ো বিদেশৰ বজাৰ দখল কৰিবলৈ সক্ষম হৈছে। ইয়াৰ মূল কথাটো হৈছে বীজ। বিধায়ক জনে কোৱাৰ দৰে কৃষি কৰ্য্যৰ প্ৰাৰম্ভিক আহিলা বিধে হৈছে বীজ। সেই মই তেখেতক আশ্বস্ত কৰি ক'ব বিচাৰিছো যে যদিহে আমাৰ কৃষক ৰাইজে বিচৰা ধৰণে উন্নত মানৰ বীজ নাপালেহেঁতেন তেতিয়া হ'লে বিশ্বৰ ৰপ্তানিকেন্দ্ৰীক কৃষিৰ মানচিত্ৰত অসমৰ মান উন্নত কৰিব নোৱাৰিলেহেঁতেন। ২০২২-২৩ বৰ্ষত ৪ হেজাৰ কোটি টকাৰ উৎপাদিত ফচল বিদেশৰ বজাৰলৈ ৰপ্তানি হৈছে। ভাল বীজৰ বাবে বিভিন্ন শস্যৰ উৎপাদন বৃদ্ধি পাইছে। এই ক্ষেত্ৰত মই দুটামান কথা তুলনা কৰিব বিচাৰিছো যে বীজৰ উপৰিও আমি কৃষিৰ বাবে প্ৰয়োজনীয় বহু আহিলা পাতি দিছো, কৃষি যান্ত্ৰীকেৰণ কৰিছো। ২০১৫-১৬ বৰ্ষত অসমত উৎপাদন হোৱা ধানৰ পৰিমান আছিল ৮০ মেট্ৰিক টন, কিন্তু ২০২২-২৩ বৰ্ষত এই উৎপাদন প্ৰায় ৯৪ লাখ মেট্ৰিক টনলৈ বৃদ্ধি পাইছে। তেনেদৰে ২০১৫-১৬ বৰ্ষত অসমত মাকৈ উৎপাদন হৈছিল ৮৭ হাজাৰ মেট্ৰিক টন। ইয়াৰ বিপৰীতে ২০২২-২৩ বৰ্ষত অসমত মাকৈৰ উৎপাদন ৫ লাখ ৩৩ হাজাৰ মেট্ৰিকটনলৈ বৃদ্ধি পাইছে। এই সময়চোৱাৰ ভিতৰত অসমত মাকৈৰ উৎপাদন বৃদ্ধিৰ হাৰ হৈছে ৫১১.৫৮ শতাংশ। তেনেদৰে অসমত সৰিয়হৰ উৎপাদন ২০১৫-১৬ বৰ্ষৰ ১ লাখ ৯৯ হাজাৰ ৫০১ মেট্ৰিকটনৰ পৰা ২০২৩-২৪ বৰ্ষত ২ লাখ ৫১ হাজাৰ ৯৬ মেট্ৰিকটনলৈ বৃদ্ধি পাইছে। এই তথ্য অসম চৰকাৰৰ অৰ্থনীতি আৰু পৰিসংখ্যা বিভাগে চুড়ান্ত কৰা তথ্য। কৃষি বিভাগে ৰূপায়ণ কৰি থকা RKVY, NFSM, NMEO-OS আদি বিভিন্ন আঁচনিৰ সফল ৰূপায়ণৰ বাবেই এয়া সম্ভৱ হৈ উঠিছে। যদিহে মাননীয় বিধায়ক সিকদাৰ ডাঙৰীয়াই সন্দেহ প্ৰকাশ কৰাৰ দৰে

অসমত কৃষি বিভাগে নিম্ন মানৰ বীজ যোগান ধৰি কৃষকক প্ৰতাৰণাই কৰিলেহেঁতেন, তেন্তে উৎপাদনৰ এই উৰ্ধমুখী ধাৰা কেতিয়াও সম্ভৱ নহ'লহেঁতেন।

ইয়াৰ উপৰিও, আমি গুৰুত্ব দিছো, নতুন নতুন খেতিৰ ওপৰত, যিবিলাকৰ বাণিজ্যিক মূল্য আছে, যেনে ষ্ট্ৰবেৰী, dragon fruit, apple pear, ..... (interruption)...

মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যত উন্নতমানৰ বীজ উৎপাদনৰ ব্যৱস্থা নাই বুলি সন্মানীয় সদস্য সিকাদাৰ ডাঙৰীয়াই যিটো কথা কৈছে, সেই সম্পৰ্কত মই সদনক জনাব খোজে যে, ৰাজ্যখন যাতে মানসম্পন্ন বীজ উৎপাদনত ক্ষেত্ৰত স্ব-নিৰ্ভৰশীল হৈ উঠিব পাৰে, সেই দিশত গুৰুত্ব দি অসম বীজ নিগমক শক্তিশালী কৰি তোলা হৈছে। নিগমে উৎপাদন কৰা বিভিন্ন শস্যৰ বীজ 'অসম বীজ' নামৰ এটা ব্ৰেণ্ডৰ জৰিয়তে জনপ্ৰিয় কৰি তুলিবলৈ চেষ্টা কৰা হৈছে। এপাৰ্টৰ সহায়ত অসম বীজ নিগমে ৰাজ্যখনত ৩০ টা FPC ক জড়িত কৰি ধান, সৰিসহ আৰু মিলেটৰ প্ৰমাণিত বীজ উৎপাদনৰ আঁচনি ৰূপায়ণ কৰি আহিছে আৰু ইয়াৰ উপৰিও এপাৰ্টে ৩ টাকৈ FPC ক Seed Processing Plant স্থাপনৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়াইছে।

কৃষি বিভাগে অসম বীজ নিগমৰ জৰিয়তে বিগত তিনিটা বছৰত অৰ্থাৎ ২০২১-২২ বৰ্ষৰ পৰা ২০২৪ বৰ্ষৰ অক্টোবৰ মাহলৈকে মুঠ ৮ লাখ ৩ হাজাৰ ৪০০ কুইন্টলতকৈও অধিক পৰিমাণৰ বিভিন্ন শস্যৰ বীজ কৃষকক বিভিন্ন আঁচনিৰ জৰিয়তে বিনামূলীয়াকৈ যোগান ধৰিছে। (RKVY, NFSM, NMEO-OS)

**মাননীয় উপাধ্যক্ষ** ঃ মন্ত্ৰী ডাঙৰীয়া চমুকৈ কওঁক, সময় কম।

**শ্ৰীঅতুল বৰা, কৃষিমন্ত্ৰী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, এইখিনি কথা নকলে, তেখেতৰ প্ৰশ্নৰ উত্তৰটো অসম্পূৰ্ণ হ'ব। তেখেতে কোৰাটোৰে সঁচা হ'ব। আমি যিখিনি কৰি আছো, আমাৰ মাননীয় মুখ্যমন্ত্ৰীৰ সৰল নেতৃত্বত, সেইখিনি কথা ৰাইজে গম নাপাব।

..... (interruption)...

**মাননীয় উপাধ্যক্ষ** ঃ please, there is no scope for debate under Rule 301.

**শ্ৰীঅতুল বৰা, কৃষি মন্ত্ৰী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, বৰপেটাত তেখেতৰে অঙহী-বঙহী যিবিলাকে দোকান-পোহৰ দিছে, সেই বিলাকৰ পৰা গুটি নি পেলাই খেতি বাতি কৰাৰ কাৰণে বহুত ঠাইত কেতিয়াবা পতান হৈছিল, বহুবোৰ শস্যত গুটি নধৰিছিল, এনেকুৱা বিলাক হৈ আছে।

..... (interruption)...

মাননীয় উপাধ্যক্ষ মহোদয়, ২০২৪-২৫ বৰ্ষত RKVY, NFSM, NMEO-OS, এই বিলাক আঁচনিৰ অধীনত প্ৰায় ১ লাখ ৭৬ হাজাৰ কুইন্টলতকৈও অধিক পৰিমানৰ বীজ কৃষকক যোগান ধৰা হৈছে। এই বীজৰ গুণগত মান সম্পৰ্কত কৃষক ৰাইজৰ পৰা কোনো ধৰণৰ অভিযোগ কৃষি বিভাগে লাভ কৰা নাই। ২০১৫-১৬ বৰ্ষত উক্ত আঁচনিকেইখনৰ জৰিয়তে বিতৰণ কৰা বীজ ব্যৱহাৰ কৰি ৰাজ্যখনত ২ লাখ ৬২ হাজাৰ ৮৮০ হেক্টৰ কৃষিভূমি সামৰি লোৱা হৈছিল আৰু কৃষসকল ইয়াৰ জৰিয়তে উপকৃত হৈছিল। কিন্তু ইয়াৰ বিপৰীতে ২০২৪-২৫ বৰ্ষত এই আঁচনিকেইখনৰ জৰিয়তে বিতৰণ কৰা বীজৰ সহায়ত ৪ লাখ ৫৮ হাজাৰ ৪০০ হেক্টৰ কৃষিভূমিত খেতি কৰাটো সম্ভৱ হৈছে। বীজৰ মান উন্নত নহ'লে এয়া নিশ্চিত ভাৱে সম্ভৱপৰ নহ'লহেঁতেন।

মাননীয় উপাধ্যক্ষ মহোদয়, ২০১৫ চনত ৯০ শতাংশ বীজ বাহিৰৰ পৰা ক্ৰয় কৰাৰ বিপৰীতে আজি সমপৰিমাণৰ বীজ ৰাজ্যখনত উৎপাদন হয়। ২০১৫ চনৰ আগলৈকে অসমে কৃষিকাৰ্যৰ বাবে প্ৰয়োজন হোৱা ৯০ শতাংশ বীজ ৰাজ্যখনৰ বাহিৰৰ পৰা ক্ৰয় কৰা হৈছিল। কিন্তু

ইয়াৰ বিপৰীতে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৃষিখণ্ডত অনা আমূল সংস্কাৰৰ ফলশ্ৰুতিত আজি আমাৰ ৰাজ্যখনৰ বাবে প্ৰয়োজনীয় বীজৰ ৯০ শতাংশই আমাৰ কৃষকে উৎপাদন কৰিবলৈ সক্ষম হৈছে। ধন্যবাদ। (...interruption..)

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া সন্মানীয় সদস্যা শ্ৰীমতী সুমন হৰিপ্ৰীয়া।

**শ্ৰীমতী সুমন হৰিপ্ৰিয়া, হাজো ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি মই এটা অতি উদ্বেগজনক, চিন্তা কৰিবলগীয়া বিষয় সদনত উত্থাপন কৰিবলৈ ওলাইছো। আজি আমাৰ অসম খনত মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বাধীন চৰকাৰখনে Advantage Assam 2.0 ৰ নিচিনা বহুতো প্ৰতিশ্ৰুতি পালন কৰি বহুতো সম্ভাৱনা অসমখনলৈ কঢ়িয়াই লৈ আহিছে। কিন্তু তাৰ পিছতো আমাৰ ল'ৰা-ছোৱালীসকলৰ মাজত বৰ্তমান এনেকুৱা এটা পৰিবেশৰ সৃষ্টি হৈছে যে আমি ভাবিবলৈ বাধ্য হৈছো আমাৰ ল'ৰা-ছোৱালীসকল কোন দিশত গতি কৰিছে। In which direction they are looking at? আজি ল'ৰা-ছোৱালীসকলে অভিভাৱক সকলৰ কথা কিমান শুনে? তেওঁলোকৰ মানসিকতাটো বাৰু আমি অভিভাৱকসকলে বুজি পাইছো নে নাই? আমাৰ লৰা-ছোৱালীসকল কিয় ইমান aggressive হৈ উঠিছে? fast bike or car, smart phone, anything fast they like, অলপতে কম বয়সীয়া ল'ৰা এজনে গাড়ী চলাই দুৰ্ঘটনা কৰিছিল, তেনেকুৱা ক্ষেত্ৰত নিজেও দুৰ্ঘটনাৰ স্বীকাৰ হয় বা আন কোনোবাক দুৰ্ঘটনাত পতিত কৰে। মাক-দেউতাক সকলক দেখিলে এনেকুৱা ভাৱ হয় যে বহুত সুখত আছে, হাঁহি ফুৰ্তি কৰি আছে, কিন্তু ঘৰত drugs বা mobile ৰ ক্ষেত্ৰতে হওঁক নিজৰ সন্তানসকলৰ ভৱিষ্যতক লৈ বহুত অশান্তি। গতিকে এইবোৰ বিষয়ৰ ওপৰত ভালকৈ চিন্তা কৰাৰ এটা সময় আহি পৰিছে। এতিয়াৰ যুগটো হ'ল digital যুগ। আজি কালি ল'ৰা-ছোৱালীবোৰক দেখা গৈছে যে তেওঁলোকৰ চিন্তা কৰাৰ মানসিকতাটো বয়সৰ তুলনাত ডাঙৰ হৈ গৈছে। কিছুমান সৰু সৰু লৰা-ছোৱালীবোৰে বহুত ডাঙৰ লৰা-ছোৱালীৰ নিচিনা ব্যৱহাৰ কৰে। তেওঁলোকক কিবা এটা কলে তেওঁলোকে আঘাত পায়। কেতিয়াবা এনেকুৱা দেখা গৈছে যে বাইক নিদিয়াৰ কাৰণে চুইচাইড কৰে। বহু বছৰ আগৰ সৰু ঘটনা এটা উল্লেখ কৰিব বিচাৰিছো গুৱাহাটীৰ হোষ্টেলত পঢ়ে, মোবাইল চোৰ ধৰিলে, গুৱাহাটীলৈ আহি ছোৱালীজনীয়ে চুইচাইড কৰিলে। তেওঁলোকৰ সহনশীলতাটো ইমান কিয় কমি আহিছে, এই mental weakness টো কিয় হৈছে? They can't take any pressure। এইটো অভিভাৱক হিচাপে আমি চিন্তা কৰিব লাগে। আমাৰ চৰকাৰখনে ইমান ভাল ভাল সম্ভাৱনা লৈ আহিছে। তাৰপিছতো আমি যিমান ল'ৰা-ছোৱালীৰ লগত কথা পাতিছো, তেঁওলোকে কয় যে মোক কোনেও বুজি নাপায়, মা-দেউতাই বুজি নাপায়। আজি কালি লৰা-ছোৱালীসকলৰ এইটো এটা general statement হৈ পৰিছে।

আচলতে, আমি অভিভাৱকসকলে কিবা ভুল কৰি আছো নে ল'ৰা-ছোৱালীসকলে ভুল কৰি আছে, আমি গম নাপাওঁ। আমি তেওঁলোকক সময় দিব লাগিব, তেওঁলোকৰ লগত বন্ধুৰ নিচিনা সম্পৰ্ক এটা স্থাপন কৰিব লাগিব। তেওঁলোকে কি সমস্যা লগত কঢ়িয়াই লৈ ফুৰিছে, আমি বুজি পাব লাগিব। ল'ৰা-ছোৱালীসকলে যদি অকলশৰীয়াকৈ থকা আৰম্ভ কৰে বা যদি বেছি সময় ৰুমতে সোমাই থাকে, আমি সাৱধান হ'ব লাগিব যে something is wrong, আমি নিজে তেওঁলোকৰ role model হ'ব পাৰিব লাগিব। ল'ৰা-ছোৱালীসকলে যদি তেওঁলোকৰ সমস্যাবোৰ অভিভাৱকসকলৰ লগত আলোচনা কৰে, ক'ব পাৰে যে what should I do, তেতিয়াহে অভিভাৱকসকল একো একোজন ভাল অভিভাৱক হিচাপে সফল হ'ব। গতিকে সেই পৰ্য্যায়লৈ

আহিব লাগিব, তেনেকুৱা এটা সম্পৰ্ক গঢ়ি তুলিব লাগিব। তাৰ কাৰণে আমি আমাৰ সন্তানসকলক সময় দিব লাগিব। তেওঁলোকক আমি super human বনাব যাব নালাগিব, তেওঁলোকৰ লগত আমি normal human being হিচাপে ব্যৱহাৰ কৰিব লাগিব। আমি তেনেকৈ ভাবিব নালাগিব যে মোৰ সন্তানটি বহুত super human, বহুত জানে। তেওঁলোকে যদি অভিভাৱকসকলৰ পৰা বহুত হেঁচা পায়, there will be a rebel। লৰা-ছোৱালীবোৰ আজি কালি মোবাইল চাবলৈ নিদিলে rebel হৈ যায়, কাৰণ মোবাইলত addiction টো ইমান বেছি যে তেওঁলোকৰ পৃথিৱীখন মোবাইলতে গৈছে আৰু মোবাইলত এনেকুৱা ভয়ংকৰ দৃশ্য দেখা পোৱা যায়, চাৰ্ভিছ এপ বুলি এইবোৰ ক'ৰ পৰা আহে, এইবিলাকৰ ক্ষেত্ৰত আমি চেক কৰিব লাগে। আজি এই সদনৰ পৰা মই কৈছো আমি সাবধান হৈ যাব লাগে। কেনেকুৱা ধৰণৰ এইবোৰ এই ফাচী দি দিলে, এই চুৰি-কটাৰীৰে খেলা খেলা, এই শিশু এপ বিলাকৰ ক্ষেত্ৰত আমি ষ্ট্ৰিক লগাব লাগিব আমি বন্ধ কৰিব লাগিব। আমি বহুত সাৰধান হ'ব লাগিব আৰু আমি এই ক্ষেত্ৰত প্ৰচাৰ কৰিব লাগিব। এনেকুৱা ধৰণৰ কাৰণে শিশু বিলাক এগ্ৰেচিভ হৈ যায় সিহঁতৰ খং উঠি যায়। গতিকে শিশু বোৰৰ মানসিকতাটো কেনেকুৱা হৈ গৈ আছে। আজি খেলা ধূলা নাই, বাহিৰত খেলিব নাযায়, ফুৰিব নাযায়, ব্যায়ম নাই, ঘৰৰ ভিতৰতে থাকে। কাৰণ মাক-দেউতাকৰ সময়ো নাই। গতিকে we are responsible in both ways. গতিকে তেওঁলোকক এটা সেই পৰিৱেশটো আমি দিব পাৰিছো নে নাই অধ্যক্ষ মহোদয়, আৰু আমাৰ ড্ৰাগচ ক্ষেত্ৰত মই গুৱাহাটীতে দেখিছো ড্ৰাগচ খাবলৈ পইচা বিচাৰি, ড্ৰাগচ নিদিলে মাক-দেউতাকক মাৰা গালি পাৰা, চোৰ কৰা বস্তু বেচা এই বিলাকতো কমন কথা। বহুত চোকা চোকা ল'ৰা পঢ়াত ইমান ভাল কিন্তু এনে ধৰণৰ মানসিকতা হৈছে, কেইদিন মান আগতে এটা কথা ওলাইছিল যে স্কুলৰ ল'ৰা-ছোৱালীয়ে আজি কালি চুইচাইড কৰে। গতিকে সেই মানসিকতা দূৰ্বল মানসিকতা কিয় হৈছে এই ক্ষেত্ৰত সদনে আমি চিন্তা কৰিব লাগে। কাৰণ আমি আজি যিমান ৰুল বনাই আছো যিমান আমি আঁচনি বনাই আছো সকলো আমি নতুন প্ৰজন্মৰ কাৰণে। কিন্তু তেওঁলোক যদি মানসিক ভাৱে দূৰ্বল হয় তেনেহলে সমাজ খন কেনেকৈ চলিব।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। মাননীয় মন্ত্ৰী।

**শ্ৰীপীয়ুষ হাজৰিকা, মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয়া সদস্যা গৰাকীয়ে এটা গুৰুত্বপূৰ্ণ বিষয় উপস্থাপন কৰিছে। অধ্যক্ষ ডাঙৰীয়া, মহিলা ও শিশু উন্নয়ন বিভাগটো আচলতে মই নচলাওঁ, মই চলাওঁ Social Justice and Empowerment Department. শিশু আৰু মহিলা উন্নয়ন বিভাগটো বেলেগ বিভাগ। কিন্তু অধ্যক্ষ ডাঙৰীয়া, মই যিটো বিভাগৰ দায়িত্বত আছো সেইটো de-addiction ড্ৰাগছ এডিক্চন নাইকিয়া কৰাৰ কাৰণে আমি বিভিন্ন কাৰ্যসূচী হাতত লওঁ। গতিকে তেখেতে যিখিনি আলোচনা ইয়াত কৰিলে সেইখিনিলৈকে আচলতে সেইটো সম্পৰ্ক শিশু আৰু মহিলা উন্নয়ন বিভাগৰ লগত। তথাপিতো অধ্যক্ষ ডাঙৰীয়া কওঁ, তেখেতে যিটো কৈছে অত্যন্ত গুৰুত্বপূৰ্ণ কথা কৈছে যে আজি কালি ল'ৰা-ছোৱালীয়ে পঢ়া শুনাতকৈ মোবাইলত বেছি ব্যস্ত হৈ থাকে। কেইদিন মান আগতে ঘটনা এটা শুনিলো গুৱাহাটীতে কৰবাত হৈছিল মোবাইল কাঢ়ি লোৱাৰ কাৰণেই ক্লাচ চেভেন ত পঢ়া ল'ৰা এটাই চুচাইড কৰিছিল। আজি এক সপ্তাহ ১০ দিন আগত। দ্বিতীয়তো চুইচাইড ১০ বছৰীয়া এগৰাকী ছোৱালীয়ে আজিৰ পৰা এক সপ্তাহৰ আগতে কৰিছে। গতিকে এইটো অত্যন্ত গুৰুত্বপূৰ্ণ কথা। তাৰ কাৰণে আমি কিছু নহয় কিছু ব্যৱস্থাটো হাতত লবই লাগিব। সকলোতকৈ গুৰুত্বপূৰ্ণ কথা আমি আমাৰ অভিভাৱক সকল খুব বেছি seri-

ous হ'ব লাগিব। আজি অধ্যক্ষ ডাঙৰীয়া, ময়ো পিতৃ, আমি ইয়াত থকা প্ৰায় সকলোৱে পিতৃ বা মাতৃ। মোৰো ল'ৰা-ছোৱালীয়েও মোবাইল চাই থাকে। গতিকে আমাৰ কাৰণেও অলপ কষ্ট হয়। মোৰ ল'ৰা বা ছোৱালীয়ে মোবাইল চাই থাকে। কেনেকৈ আমি উন্নয়ন কৰিব পাৰিম তাৰ কাৰণে কিন্তু সকলোৱে সচেতন হ'ব লাগিব। মোবাইল বা তেনেকুৱা যিখিনি, আমাৰ দিনত হোৱা নাছিল, সাধাৰণতে ছাত্ৰ-ছাত্ৰীয়ে বা শিশুৱে যদি সেইখিনিত আকৰ্ষিত হৈছে সেইখিনি কেনেকৈ আমি লাহে লাহে আতৰাব পাৰো তাৰ কাৰণে প্ৰয়াস কৰিব লাগিব। মই এই বিষয়ে মাননীয় মন্ত্ৰী অজন্তা নেওঁগ ডাঙৰীয়ানীৰ লগত আলোচনা কৰিম। আকৌ কৈছো শিশু, আচলতে অলপ confusing বস্তুতো। তেখেতে শিশুহে চাই। তেখেতৰ বিভাগটোত শিশুহে চাই অলপ ডাঙৰ হোৱা ল'ৰা-ছোৱালী নাচায়। মোৰ বিভাগে আকৌ ড্ৰাগছ আকৃষ্ট ল'ৰা-ছোৱালীকহে ড্ৰাগ্‌ছ নিৰ্মূল কৰিবলৈ কাম কৰে। গতিকে specific আমি কিছু চৰকাৰে এই ক্ষেত্ৰত আলোচনা কৰাতো উচিত বুলি মই ভাবো। সেই কাৰণে তেখেতে গুৰুত্বপূৰ্ণ এটা বিষয় ইয়াত উপস্থাপন কৰাৰ বাবে মই তেখেতক ধন্যবাদ দিছো। এই ক্ষেত্ৰত মই ভাৱো Social Justice Department, Women & Child Welfare Department, Education Department & Health Departmentয়ে সময়সূচী মতে পদক্ষেপ একেলগে লব লাগিব । আমাৰ ইয়াত এতিয়া শিক্ষামন্ত্ৰী ডাঙৰীয়াও আছে, স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়া এই মুহূৰ্তত নাই আৰু শিশু আৰু মহিলা উন্নয়ন বিভাগৰ মন্ত্ৰীয়ো ইয়াত বৰ্তমান নাই, কিন্তু আমি সকলোৱে এটা collective effort লগাব লাগিব যাতে আমাৰ ভৰিষ্যৎ শিশু সকলক আমি কেনেকৈ এই মোবাইলৰ প্ৰতি আকৃষ্ট হোৱাতো কম কৰাৰ কাৰণে, ড্ৰাগছ সেৱন যাতে নকৰে তাৰ পৰা যাতে আমি শিশু সকলক বচাব পাৰো তাৰ কাৰণে নিশ্চয়েকৈ আমি জৰুৰী ব্যৱস্থা হাতত লব লাগিব। এই বিষয়ে আজি মই আকৌ কৈছো আমাৰ শিক্ষামন্ত্ৰী ডাঃ ৰনোজ পেগু ডাঙৰীয়া আছে ইয়াত, স্বাস্থ্যমন্ত্ৰী ডাঙৰীয়াকো মই অৱগত কৰিম আৰু অজন্তা নেওঁগ ডাঙৰীয়ানীৰ লগতো মই আলোচনা কৰি এই ক্ষেত্ৰত আমি collective কিবা কৰিব পাৰো নেকি তাৰ চেষ্টা কৰিম। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া আছে শ্ৰী প্ৰদীপ হাজৰিকা। আপুনি ৩ মিনিট সময় লব।

**শ্ৰীপ্ৰদীপ হাজৰিকা, আমগুৰি** ঃ মাননীয় অধ্যক্ষ মহোদয়, বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্যপৰিচালনা নিয়মাবলী ৩০১ নিয়ম অনুসৰি এই নিয়মীয়া বাৰ্তা আৰু কেইবাখনো পেপাৰত একেলগে প্ৰকাশ পোৱা চন্দ্ৰপুৰ চৰ-চাপৰিত সন্দেহজনক পৰিয়ালৰ বসতি, এই বিষয়টো উত্থাপন কৰিবলৈ দিয়াৰ কাৰণে মই আপোনাক ধন্যবাদ জনাইছো। অধ্যক্ষ মহোদয়, সোণাপুৰৰ কচুতলীত চৰকাৰে অবৈধ ভাৱে যি বিলাক মানুহ তাত বহিছিল সেইবিলাকক উচ্ছেদ কৰিলে তাৰ পিছতে চন্দ্ৰপুৰত, চন্দ্ৰপুৰ বাগিছা, চন্দ্ৰপুৰ চৰ-চাপৰিত তাত এই অবৈধভাৱে এই সকল সন্দেহ যুক্ত মানুহ সকলে বহিছে। সন্দেহ জনক লোক সকলে গাওঁ সাজি বসতি কৰিবলৈ লোৱাৰ পিছত চন্দ্ৰপুৰ অঞ্চলত উদ্বেগ জনক ভাৱে বৃদ্ধি পাইছে গৰু-ছাগলী চুৰি, ডকাইটি বিভিন্ন অপৰাধ জনিত ঘটনা। একাংশ লোকে চৰ-চাপৰিৰ চৰকাৰী ভূমিত লোক সকল বহাৰ অভিযোগো উত্থাপন হৈছে। চৰকাৰী ভূমিত সন্দেহ জনক লোকে বসবাস কৰাত ভৰিষ্যতে অঞ্চলটোত গোজে গজালি হৈ নিগাজিকৈ সন্দেহ জনক লোকৰ বসতি স্থলত পৰিণত হ'ব ২ নং চন্দ্ৰপুৰ গাঁও চৰ-চাপৰি অঞ্চল। সেইটো অঞ্চলৰ ৰাইজে প্ৰকাশ কৰিছে। অধ্যক্ষ মহোদয়, এইখন হৈছে গুৱাহাটী, গুৱাহাটী অসমৰ প্ৰাণ কেন্দ্ৰই নহয়, অসমৰ ৰাজধানীয়ে নহয়, এইখন গোটেই উত্তৰ-পূৰ্বাঞ্চলৰ we can consider it to be the heart of the North-eastern region. এতিয়া এই গুৱাহাটীত এইফালে হ'ল

সোণাপুৰৰ কচুতলী, তাৰ পিছত হৈছে চন্দ্ৰপুৰ, তাৰ পিছত হৈছে খানামূখ, আমাৰ দিপৰ বিলৰ যি খনামূখ আছে। তাৰমানে এইটো চাইডে বে-দখল হৈছে, চন্দ্ৰপুৰতো বে-দখল হৈছে, কচুতলী সোণাপুৰতো বে-দখল হৈছে। এতিয়া গুৱাহাটী খনৰ সকলো ফালে এই যি ধৰণৰ বে-দখলৰ অসমৰ অন্য ঠাইত বে-দখলৰ বাকী নাইয়ে, এতিয়া সেইটো কেনেকৈ ৰাজহ বিভাগে ঠিক কৰে কেনেকৈ অসম চৰকাৰে কি কৰিব পাৰে সেইটো মই নাজানো তেখেত সকলে কি পলিচি লৈছে বা লব নিশ্চয় অহা দিনবোৰত ল'ব। কিন্তু এতিয়া এই গুৱাহাটী যি খন চহৰ এই গুৱাহাটীখনৰ কেও ফালে যিটো অৱস্থা হৈছে সেইটো এটা সাংঘাটিক অৱস্থা হৈছে। আৰু এই অঞ্চল বিলাকত যিবোৰ ঘটনা ঘটি আছে, এতিয়া আজি ইয়াত ড্ৰাগছৰ কথাটো ওলাইছে, ড্ৰাগছ আপোনাৰ বেছিভাগ সেই অঞ্চল বিলাকতে ধৰা পৰিছে। ড্ৰাগছ বিভিন্ন কোটি কোটি টকাৰ ড্ৰাগছ আহি গুৱাহাটীত বিভিন্ন ধৰণে এই অঞ্চল বিলাকত ড্ৰাগছ সোমাইছে আৰু ড্ৰাগছ বিলাক বিক্ৰী কৰি আছে সকলো ডেকা উঠি অহা যিখিনি প্ৰজন্ম সেই সকলৰ মাজত। সেই বোৰ খাই এই ল'ৰা-ছোৱালী বিলাকে গোটেই ঘৰৰ পৰিয়ালৰ এটা চিন্তা হৈছে আৰু গোটেই সমাজ খনক এটা বেয়াৰ ফালে আগবঢ়াই লৈ গৈছে। সেই কাৰণে অধ্যক্ষ মহোদয়, চৰকাৰক মই এই বিষয়টো দৃষ্টিগোচৰ কৰিছো অসমীয়া প্ৰতিদিন পেপাৰতো এইটো ওলাইছে, নিয়মীয়া বাৰ্তাত এইটো ওলাইছে, জনমভূমিত এইটো ওলাইছে ইয়াৰ উপৰিও ওচৰতে আপোনালোকে যদি চাই সৰ্থেবাৰীত তেওঁলোকৰ অগ্ৰাসনত নিঃশেষ বড়ো গাঁও, এতিয়া এইটো আমি যদিও ইয়াত ১২৬ টা সমষ্টিৰ বিধায়ক উপস্থিত আছো কিন্তু অধ্যক্ষ মহোদয় আজিও  অসমৰ বহু অঞ্চলত মানুহে কিন্তু ৰাতিপুৱাৰ পৰা গধূলিলৈকে অতি চিন্তাত সময় কটাবলগীয়া হৈছে। কিছুমান অঞ্চল এনেকুৱা আছে যে তেওঁলোকে গাঁৱতে পতা ওচৰত ভাওঁনা চাবলৈ ঘৰ এৰি যাব নোৱাৰে। এতিয়া এই বিষয়টো চৰকাৰে গুৰুত্বসহকাৰে লব লাগে। চৰকাৰৰ যি খিনি মাটি আছে চৰকাৰী মাটি যিখিনি সেইখিনি ৰক্ষণাবেক্ষণ দিব লাগে। সেই কাৰণে চৰকাৰে কেনে ব্যৱস্থা লয় মই ভাৱো ইয়াত এটা কঠোৰ ষ্টেপ লৈ এইখিনি যাতে ৰক্ষণাবেক্ষণ দিয়াৰ ব্যৱস্থা লয় তাৰ কাৰণে মই দৃষ্টিগোচৰ কৰিছো।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে, ধন্যবাদ। মাননীয় মন্ত্ৰী।

**শ্ৰীকেশৱ মহন্ত, মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি এটা গুৰুত্বপূৰ্ণ বিষয় সদনৰ মজিয়াত সন্মানীয় বিধায়ক শ্ৰী প্ৰদীপ হাজৰিকা ডাঙৰীয়াই উত্থাপন কৰিছে এইক্ষেত্ৰত নিয়মীয়া বাৰ্তাকে ধৰি কেইবাখনো বাতৰি কাকতে এই বাতৰিটো পৰিৱেশন কৰিছিল আৰু এইটো আমাৰ ৰাজহ বিভাগৰ দৃষ্টিগোচৰো হৈছিল। ইয়াত যিখিনি অভিযোগ অনা হৈছে মই বিষয়টো আপোনাক কম সময়ত যদি ক'ব লাগে চমুকৈ মই কৈ দিওঁ। বিষয়টো হৈছে, তাত স্থানীয় কিছু গাওঁৰ লোকে প্ৰায় দেৰ শ বিঘামান মাটি চাপৰিত যেতিয়া ওলাই বাৰিষাৰ পিছত, এই ৬ মাহ মান খেতিকৰিব পাৰে আৰু শাক-চবজি খেতি কৰে। সেইখিনি গোটেই আমাৰ ওচৰৰ indigeneous গাওঁৰ মানুহে কেইবছৰমান কাম কৰি আছে। মে' মাহত বানপানী হৈ যাব, সেই অঞ্চল বিলাকত সোনকালে পানী আহে। যেতিয়া খেতি কৰে, প্ৰথম নিজে কৰি লয়, পিছৰ বছৰ তেওঁলোকে কাম কৰা মানহ আনিলে, নাৱৰে আহে কাম কৰিবলৈ আৰু গুচি যায়। এইবছৰ তাত ৩৬ ঘৰ মানুহক ঘৰ সাজিবলৈ দিলে। ৩৬ ঘৰ মানুহৰ লিষ্টখন মোৰ হাতত আছে। জয়নাল আলী, আব্দুল চালেম, আইনউদ্দিন, নুৰমহম্মদ, মৰচেৰ আলী, আজাহাৰ আলী, আখতাৰ আলী, ফুলচান, চুনু মিএগ, মইনউদ্দিন, চফেৰ আলী, চুনেমান আলী, জুলিল আলী, হানিফ আলী, কাঞ্চা আলী, লক্ষণ আলী, গইনউদ্দিন, আলাখ শ্বেখ, ছজল, কৰিম আলী, আবু বক্কৰ আলী, চমেশ আলী, ইমতিয়াজ আলী, জাভেদ আলী, আনোৱাৰ

আলী, ৰচিদ আলী, জ্বলিল আলী, বাটচ্ছা আলী, মাজেম আলী, ইমতাজ আলী, জোলাচ আলী, বিল্লাল হুছেইন, ৰকিবুল হুছেইন আৰু প্ৰদ্ৰেশ আলী মুঠতে ৩৬ ঘৰ। এই সকলোৱে ৩৬ টা ঘৰ সাজি খেতি কৰিবলৈ আৰম্ভ কৰিলে। মানুহে কয়, ওচৰৰ গাওঁৰ এইখিনি খিলঞ্জীয়া মানুহে খেতি কৰিছে। প্ৰকৃততে তাত চাবলৈ গ'লে এই ৩৬ ঘৰ মানুহে তাত খেতি কৰি আছে। এই বিষয়ে ওচৰৰ কিছুমান লোকৰ সন্দেহ হ'ল যে, মাটিখিনি এইখন গাওঁৰ মানুহে চলাই আছে নে কাৰোবাক দিয়েই দিলে? গাওঁৰ মানুহক খবৰ কৰিলে কয় যে, আমি খেতি কৰিবলৈহে লগাইছো। কিন্তু খেতি কৰিবলৈ তোমালোকে আগতে ২-৩ বছৰ লগাইছিলা, ঘৰ-দুৱাৰ সজা নাছিল। এইবাৰ যে ঘৰ-দুৱাৰ সাজি ইয়াত তোমালোকে খেতি কৰিবলৈ লগালা। এনেকৈয়ে বাতৰি কাকতলৈ গ'ল, নিউজ হ'ল, খা-খবৰ পালো আমাৰ ৰাজহ বিভাগৰ দৃষ্টিগোচৰ হ'ল। আমি যোৱা দুদিন আগত সকলো ঘৰ ভাঙি তাত ঘৰ উচ্ছেদ কৰি দিলো। গতিকে এতিয়া যিটো বিষয় ইয়াত উত্থাপন কৰিছিল, এই বিষয়টো শেষত সমাধান হৈছে। উচ্ছেদ হৈ গৈছে, illegally তেওঁলোকে বহিছিল, এতিয়া সেই ঠাইখিনি মুক্ত হ'ল। বাকী বিষয়কেইটা শ্ৰদ্ধেয় শ্ৰীপ্ৰদীপ হাজৰিকা ডাঙৰীয়াই যিটো কৈছে গুৱাহাটীৰ, সেই বিষয়টো আজিৰ কথাত নাছিল। মই সেই কাৰণে তথ্য সহকাৰে হয়তো আজি বাকী গুৱাহাটীৰ যিটো আগ্ৰাসন, ইফালে, সিফালে সেইটো কথা মই আজি স্পষ্টভাৱে কোৱাৰ কাৰণে মোৰ অসুবিধা হ'ব পাৰে। কিন্তু মোৰ দৃষ্টিগোচৰ হৈছে আৰু অতি সোনকালে মই আটাইকেইটা ৰাজহ, যিকেইটা ৰাজহ চক্ৰ আছে সকলো ৰাজহ চক্ৰ বিষয়াক মই নিৰ্দেশ দিম যে তেওঁলোকৰ তাত কৰবাত তেনেধৰণৰ চৰকাৰী মাটি বে-দখলকাৰী আছে নেকি? আছে যদি তাৰ তালিকা প্ৰস্তুত হ'ব আৰু সময়ত যি ধৰণে আগবাঢ়িব লাগে, আমি আগবাঢ়িম। ধন্যবাদ।

**माननीय অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া Item No. 4. Hon'ble, Parliamentary Affairs MInister. on behalf of Finance Minister.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে কি পৰিস্থিতিত "The Assam Goods and Services Tax (Amendment) Ordinance, 2024" ( Odinance No. VI of 2024). খন জাৰী কৰিবলগীয়া হ'ল তাৰ বাখ্যামূলক টোকা দাঙি ধৰিলো। The various decisions have been taken by the Goods and Services Tax Council in the meeting requiring for amendment of the Goods and Services Tax laws accordingly the Central Goods and Service Tax 2017, 12 (12 of 2017) has been amended by the Parliament by the Finance Act 2024 (08/2024) and Finance No. ( No. 2 Act 2024) (15 of 2024).

**শ্ৰী আমিনুল ইছলাম, ধিং** ঃ চাৰ, কাৰ্য্যসূচী প্ৰথমতে introduce আছিল।

**মাননীয় অধ্যক্ষ** ঃ আপুনি এটা sentance কৈ দিলেই হ'ব যে উপস্থাপন কৰিলো বুলি।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, এটা বাখ্যা লাগে As per Rules and Procedure and Conduct of Business.

**মাননীয় অধ্যক্ষ** ঃ 2nd Item ত আছে। আপুনি কেৱল উত্থাপন কৰিলো বুলি কৈ সেইটো Explain কৰিলেই হ'ল, একেবাৰতে হৈ যাব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি এই Ordinance খন এইকাৰণে আনিবলগীয়া হ'ল।

**মাননীয় অধ্যক্ষ ঃ** আগতে উপস্থাপন, ইয়াৰ পিছত আপুনি ক'ব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, Assembly was not in session সেই কাৰণে আমি এইখন ordinance কৰি আনিবলগীয়া হ'ল আৰু ordinance খন Act লৈকে দিয়া থাকে। মই প্ৰস্তাৱ উত্থাপন কৰিবলৈ লৈছো। মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে "The Assam Goods and Services Tax (Amendment) Bill 2025" সদনত মই উত্থাপন কৰিবলৈ প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এইটো উপস্থাপন কৰিলে। এতিয়া next আপুনি ইয়াৰ ওপৰত আপুনি যিটো কৈছিল আৰু কিবা explanation আছে?

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত Explaination অন্য বিশেষ নাই, মই যিখিনি কৈছিলো explanation টোত যে Goods and Services Tax Parliament য়ে Amend কৰিছে। আমি তেতিয়া এইখন Ordinance কৰি আনিবলগীয়া হ'ল এই কাৰণে যে সেই সময়ত Assembly was not in session. সেই কাৰণে আজি সেই ordinance খন Act কৰাৰ কাৰণে আমি এইটো প্ৰস্তাৱ আনিছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। Statement খন দিলে Minister য়ে। এতিয়া Item No. 6 Hon'ble, Parliamentary Affairs MInister.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** Hon'ble Speaker Sir, In pursuance of Sub-Rule (3) of Rule 194 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, this Assembly do elect one (1) Member of the Assembly to fill up the casual vacancy occurred due to incorporation to the Council of Ministers of Shri Kaushik Rai and his membership ceased from the Committee w.e.f. 7th December, 2024 and in accordance with the principle of proportional representation by means of the single transferable vote, who shall hold office for the remaining period of the Committee on Public Accounts, Assam Legislative Assembly, which was constitued on 18th November, 2023 vide Notification No. LAPAC.90/2022/ 941.

**মাননীয় অধ্যক্ষ ঃ** Item No. 7

Hon'ble, Parliamentary Affairs Minister.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** Hon'ble Speaker Sir, "This House do elect one Member under the provision of Rule 194 (3) read with Rule 244 (1) of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly from amongst its Members according to the principle of proportional representation by means of a single transferable vote to the Committee on Estimates, Assam Legislative Assembly to fill-up the vacancy caused on 7th Decem-

ber, 2024 due to appointment of Shri Prasanta Phukan, Chairperson, Committee on Estimates to the Council of Ministers for the unexpired remaining period of the Committee."

মাননীয় অধ্যক্ষ ঃ Item No-8.

**Shri Chandra Mohan Patowary, Minister, Parliamentary Affairs etc.** ঃ Hon'ble Speaker Sir, 'This House will elect one Member under the Provision of Rule194(3) read with rule 260(B)(1) of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, from amongst its Members according to principle of proportional representation by means of the single transferable vote to Committee on Public Undertakings, Assam Legislative Assembly to fill up the vacancy casued due to appoinment of Shri Krishnendu Paul , to the Council of Ministers, for the unexpired remaining period of the Committee''.

**মাননীয় অধ্যক্ষ ঃ** Item No-9.

**Shri Chandra Mohan Patowary, Minister, Parliamentary Affairs etc.** ঃ Hon'ble Speaker Sir, 'This House will elect one Member under the Provision of Rule194(3) read with rule 260(G)(1) of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, from amongst its Members according to principle of proportional representation by means of the single transferable vote to the Committee on Welfare of the Other Backward Classes, and More other Backward Classes, Assam Legislative Assembly to fill up the vacancy casued due to appoinment of Shri Rupesh Gowala, to the Council of Ministers, for the unexpired remaining period of the Committee''.

**মাননীয় অধ্যক্ষ ঃ** Item No-10. Shri Ramendra Narayan Kalita.

**Shri Ramendra Narayan Kalita. .** ঃ Hon'ble Speaker Sir, I present the 88th, 89th, 90th, 91st and 92nd Reports of the Committee on Public Undertakings, Assam Legislative Assembly.

**মাননীয় অধ্যক্ষ ঃ** Item No-11. ৰাজ ভৱনৰ পৰা এটা বাণী পঠিয়াইছে। বাণীটো হৈছে- Under the provision of Article 207 (1) of the Constitution of India, I, Shri Lakshman Prasad Acharya, Governor of Assam, recommend the introduction of 'The Assam Goods and Services Tax (Amendment ) Bill, 2025" in the Assam Legislative Assembly. মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ

অনুমতি সাপেক্ষে মই মাননীয়া বিত্তমন্ত্ৰী অজন্তা নেওঁগ ডাঙৰীয়ানীৰ হৈ I beg to move leave to introduce the Assam Goods and Services Tax (Amendment ) Bill, 2025"

**মাননীয় অধ্যক্ষঃ** প্ৰশ্নটো হ'ল-

বিধেয়কখন উত্থাপন কৰাৰ বাবে অনুমতি দিয়াত সদনৰ সন্মতি আছেনে?

যি সকল মাননীয় সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

(সদনে সন্মতি জনায়)।

মই ভাৰো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, প্ৰস্তাৱটো গৃহীত হ'ল।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে The Assam Goods and Services Tax (Amendment ) Bill, 2025" সদনত উপস্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** Item No-12. ৰাজ ভৱনৰ পৰা এটা বাণী পঠিয়াইছে। বাণীটো হৈছে- Under the provision of Article 207 (1) of the Constitution of India, I, Shri Lakshman Prasad Acharya, Governor of Assam, recommend the introduction of 'The Assam Municipal Employees (Provincialisation )Bill, 2025 in the Assam Legislative Assembly, Hon'ble Minister Shri Jayanta Malla Baruah.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** Hon'ble Speaker Sir, on behalf of Shri Jayanta Malla Baruah, Hon'ble Minister Housing and urban Affairs I beg to move for leave, to introduce the Assam Municipal Employees (Provincialisation )Bill, 2025 in the Assam Legislative Assembly.

**মাননীয় অধ্যক্ষঃ** প্ৰশ্নটো হ'ল-

বিধেয়কখন উত্থাপন কৰাৰ বাবে অনুমতি দিয়াত সদনৰ সন্মতি আছেনে?

যি সকল মাননীয় সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

(সদনে সন্মতি জনায়)।

মই ভাৰো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, প্ৰস্তাৱটো গৃহীত হ'ল।Hon'ble Minister

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে The Assam Municipal Employees (Provincialisation) Bill, 2025 সদনত উপস্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** Item No-13.Hon'ble Minister Dr. Ranoj Pegu.

**Dr. Ranoj Pegu,**(Minister Tribal Affairs etc.)Hon'ble Speaker Sir, with your due permission I beg to move the "The Mising Autono-

mous Council (Amendment) Bill, 2025" সদনত উপস্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষঃ** প্ৰশ্নটো হ'ল-

বিধেয়কখন উত্থাপন কৰাৰ বাবে অনুমতি দিয়াত সদনৰ সন্মতি আছেনে?

যি সকল মাননীয় সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

(সদনে সন্মতি জনায়)।

মই ভাৰো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, প্ৰস্তাৱটো গৃহীত হ'ল।Hon'ble Minister .

**Dr. Ranoj Pegu,**(Minister Tribal Affairs etc.)Hon'ble Speaker Sir, with your due permission I beg to move the "The Missing Autonomous Council (Amendment) Bill, 2025" সদনত উপস্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** Item No-14.Hon'ble Minister Dr. Ranoj Pegu.

**Dr. Ranoj Pegu,**(Minister Tribal Affairs etc.)Hon'ble Speaker Sir, with your due permission মই "The Bodo Kachari Welfare Autonomous Council (Amendment) Bill, 2025" সদনত উপস্থাপন বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষঃ** প্ৰশ্নটো হ'ল-

বিধেয়কখন উত্থাপন কৰাৰ বাবে অনুমতি দিয়াত সদনৰ সন্মতি আছেনে?

যি সকল মাননীয় সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

(সদনে সন্মতি জনায়)।

মই ভাৰো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, প্ৰস্তাৱটো গৃহীত হ'ল। Hon'ble Minister .

**Dr. Ranoj Pegu,**(Minister Tribal Affairs etc.)Hon'ble Speaker Sir, with your due permission মই "The Bodo Kachari Autonomous Council (Amendment) Bill, 2025" সদনত উপস্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** Item No-15.Hon'ble Minister Dr. Ranoj Pegu.

**Dr. Ranoj Pegu, (Minister Tribal Affairs etc.)**: Hon'ble Speaker Sir, with your due permission মই "The Thengal Kachari Welfare Autonomous Council (Amendment) Bill, 2025" সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষঃ** প্ৰশ্নটো হ'ল-

বিধেয়কখন উত্থাপন কৰাৰ বাবে অনুমতি দিয়াত সদনৰ সন্মতি আছেনে?

যি সকল মাননীয় সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

(সদনে সন্মতি জনায়)।

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, প্ৰস্তাৱটো গৃহীত হ'ল। Hon'ble Minister .

**Dr. Ranoj Pegu, (Minister Tribal Affairs etc.)**: Hon'ble Speaker Sir, with your due permission মই "The Thengal Kachari Welfare Autonomous Council (Amendment) Bill, 2025" সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** Item No-16. Hon'ble Minister Dr. Ranoj Pegu.

**Dr. Ranoj Pegu, (Minister Tribal Affairs etc.)**: Hon'ble Speaker Sir, with your due permission মই "The Deori Autonomous Council (Amendment) Bill, 2025" সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষঃ** প্ৰশ্নটো হ'ল-

বিধেয়কখন উত্থাপন কৰাৰ বাবে অনুমতি দিয়াত সদনৰ সন্মতি আছেনে?

যি সকল মাননীয় সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

(সদনে সন্মতি জনায়)।

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, প্ৰস্তাৱটো গৃহীত হ'ল। Hon'ble Minister .

**Dr. Ranoj Pegu, (Minister Tribal Affairs etc.)**: Hon'ble Speaker Sir, with your due permission মই "The Deori Autonomous Council (Amendment) Bill, 2025" সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** Item No-17. Hon'ble Minister Dr. Ranoj Pegu.

**Dr. Ranoj Pegu, (Minister Tribal Affairs etc.)**: Hon'ble Speaker Sir, with your due permission মই "The Sonowal Kachari Autonomous Council (Amendment) Bill, 2025" সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষঃ** প্ৰশ্নটো হ'ল-

বিধেয়কখন উত্থাপন কৰাৰ বাবে অনুমতি দিয়াত সদনৰ সন্মতি আছেনে?

যি সকল মাননীয় সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

(সদনে সন্মতি জনায়)।

মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, প্ৰস্তাৱটো গৃহীত হ'ল। Hon'ble Minister .

**Dr. Ranoj Pegu, (Minister Tribal Affairs etc.)**: Hon'ble Speaker Sir, with your due permission মই "The Sonowal Kachari Autonomous Council (Amendment) Bill, 2025" সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** Item No-18. Hon'ble Minister Dr. Ranoj Pegu.

**Dr. Ranoj Pegu, (Minister Tribal Affairs etc.)**: Hon'ble Speaker Sir, with your due permission মই "The Rabha Hasong Autonomous Council (Amendment) Bill, 2025" সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষঃ** প্ৰশ্নটো হ'ল-

বিধেয়কখন উত্থাপন কৰাৰ বাবে অনুমতি দিয়াত সদনৰ সন্মতি আছেনে?

যি সকল মাননীয় সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে তেখেত সকলে কওঁক ‘হয়’, যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক ‘নহয়’।

(সদনে সন্মতি জনায়)।

মই ভাবো ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, প্ৰস্তাৱটো গৃহীত হ’ল। Hon’ble Minister .

**Dr. Ranoj Pegu, (Minister Tribal Affairs etc.)**: Hon’ble Speaker Sir, with your due permission মই “The Rabha Hasong Autonomous Council (Amendment) Bill, 2025” সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** Item No-19. ৰাজ ভৱনৰ পৰা বাণী পঠিয়াইছে। বাণীটো হৈছে- Under the provision of Article 207 (1) of the Constitution of India, I, Shri Lakshman Prasad Acharya, Governor of Assam, recommend the introduction of ‘The Tiwa Autonomus Council (Amendment) Bill, 2025” in the Assam Legislative Assembly. Hon’ble Minister Dr. Ranoj Pegu.

**Dr. Ranoj Pegu, (Minister Tribal Affairs etc.)**: Hon’ble Speaker Sir, with your due permission মই “TheTiwa Autonomous Council (Amendment) Bill, 2025” সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষঃ** প্ৰশ্নটো হ’ল-

বিধেয়কখন উত্থাপন কৰাৰ বাবে অনুমতি দিয়াত সদনৰ সন্মতি আছেনে?

যি সকল মাননীয় সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে তেখেত সকলে কওঁক ‘হয়’, যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক ‘নহয়’।

(সদনে সন্মতি জনায়)।

মই ভাবো ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, প্ৰস্তাৱটো গৃহীত হ’ল। Hon’ble Minister .

**Dr. Ranoj Pegu, (Minister Tribal Affairs etc.)**: Hon’ble Speaker Sir, with your due permission মই “TheTiwa Autonomous Council (Amendment) Bill, 2025” সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** Item No-20. Hon’ble Member Manab Deka.

**শ্ৰী মানব ডেকা, (লখিমপুৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, নিয়ম ৫০ ৰ অধীনত বিপ্লৱ শৰ্মা আয়োগৰ যি প্ৰতিবেদন সদনত দাখিল কৰা হৈছিল তাৰ ওপৰত আলোচনা কৰিবলৈ দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো। বিপ্লৱ শৰ্মা আয়োগৰ যি প্ৰতিবেদন আছিল, সেই প্ৰতিবেদন মূলতঃ সদনত দাখিল কৰাৰ যি দাবী আছিল সেইয়া বিৰোধী দলপতি মাননীয় দেৱব্ৰত শইকীয়া আৰু বিৰোধী দলৰ সদস্য সকলৰ আছিল। তেওঁলোকক বিশেষভাৱে ধন্যবাদ জনাইছো। যোৱা ১৭ তাৰিখে বড়োলেণ্ডৰ বিটিচিত যি বিশেষ অধিৱেশন হৈছিল। তাত মুখ্যমন্ত্ৰী মহোদয়ে এই প্ৰতিবেদন দাখিল কৰাৰ পিছত সদনৰ বাহিৰত বিভিন্ন বিতৰ্কৰ সৃষ্টি হৈছিল। সদনৰ ভিতৰৰ কথা নকওঁ মই। যেতিয়া জোলোঙাৰ মেকুৰী ওলাই পৰিল, তেতিয়া কংগ্ৰেছ দলৰ নেতৃত্বই ছালে-বেৰে কোবোৱা কিছুমান কথা মিডিয়া আৰু বিভিন্ন মাধ্যমৰ আগত প্ৰকাশ কৰা আৰম্ভ কৰিলে। অধ্যক্ষ মহোদয়,

সাগৰ মন্থন কৰিবলৈ কংগ্ৰেছ দলে দাবী জনাইছিল। সাগৰ যেতিয়া মন্থন কৰা হয়, তেতিয়া অকল অমৃত আশা কৰিলে নহ'ব, বিষ খাবলৈও প্ৰস্তুত থাকিব লাগিব। কিন্তু কংগ্ৰেছ দল আজি বিষ খাবলৈ প্ৰস্তুত নহয়। আজি আপোনালোকে যদি বিপ্লৱ শৰ্মাৰ প্ৰতিবেদনৰ ওপৰত চায়, ই কোনো ব্যক্তিৰ বিপক্ষে নহয়, ই এটা ব্যৱস্থাৰ বিপক্ষে। সেই ব্যৱস্থাটো কি আছিল? সেই ব্যৱস্থাটো আছিল যে কেৱল মেধাই যোগ্যতা নাছিল। যোগ্যতা আছিল পইচা, চিফাৰিছ। যোগ্যতা আছিল কোনোবা ডাঙৰ মানুহৰ সম্পৰ্কীয় হ'ব লাগিব আৰু এই ব্যৱস্থাটোৰ কোনে সৃষ্টি কৰিছিল? এই ব্যৱস্থাটো সৃষ্টি কৰিছিল সেই সময়ৰ মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াই। আপোনালোকে তাৰ পৰা আঁতৰি গ'লে নহ'ব। যেতিয়া আমি কওঁ, তেতিয়া কয় যে এজন মানুহৰ মৃত্যু হ'ল, তেওঁৰ কথা কিয় ক'লে? আমাৰ মৃত্যু হোৱা বহুতো হিৰ' আছে। আজি লাচিত বৰফুকনৰ গুণা-গঁথা আমি নাগাওঁ নেকি? মৃত্যু হ'ল বুলি বাদ দিছো নেকি? ঔৰংগজেৱৰ অত্যাচাৰৰ কথা আমি নাপাতো নেকি? মৃত্যু হ'ল বুলিয়েই আমি বাদ দিছো নেকি? কাৰণ সেই সময়ত তৰুণ গগৈ ডাঙৰীয়া দায়িত্বত আছিল। কেইবাজনো বিষয়াই ফাইলত মানা কৰাৰ পিছতো ৰাকেশ পাল নামৰ সেই বিশেষ ব্যক্তিজনক Chairman পৰ্য্যন্ত পাতিছিল। পৃষ্ঠাই পৃষ্ঠাই লিখা আছে কেনেকুৱা ধৰণৰ ঘটনা হৈছিল। আ-অলংকাৰৰ কথা আছে। মই তেনেকুৱা ব্যক্তিগত বিষয়ত নাযাওঁ, **বিয়া**ত কি উপহাৰ দিছে, নাই দিয়া। আমিও কংগ্ৰেছত ২০-২৫ বছৰ কাল আছিলো। তেনেকুৱা বিয়াত আমিও নিমন্ত্ৰিত হোৱা নাছিলো। কোনে কাক বিয়াত মাতে সেইটো তেওঁলোকৰ ব্যক্তিগত কথা। কিন্তু পৃষ্ঠাই পৃষ্ঠাই সেই কথাবিলাক লিখা আছে। আজি কংগ্ৰেছ দলে তাৰ পৰা দায় এৰিলে নহ'ব। কেৱল পইচাৰ নামত চাকৰিয়ে এটা ব্যৱস্থা নেকি? আমি বহুত সহজভাৱে ল'লে নহ'ব যে পইচা দিলে চাকৰি পায়। নহয়, ইয়াত ৰাষ্ট্ৰীয় সুৰক্ষাৰ কথা আছে। APSC ৰ চাকৰি। পইচা দি কোনোবাই ৰাষ্ট্ৰীয় সুৰক্ষাত আঘাত হনাত সম্ভাৱনা নথকা নাছিল। যদি পইচা দিলেই চাকৰি হ'ব পাৰে, যদি ৰাকেশ পাল ডাঙৰীয়াৰ ভাতৃৰ প্ৰেছত প্ৰশ্ন আৰু উত্তৰৰ কাকত ছপাব পাৰে তেতিয়া হ'লে কোনোবাই ৰাষ্ট্ৰীয় সুৰক্ষাৰ সুৰুঙাত ফুটাও উলিয়াব পাৰে। সেইটো আলোচনা কৰা উচিত নহয় নেকি? আজি সেই ব্যৱস্থাটোৰ নেতৃত্ব তৰুণ গগৈ ডাঙৰীয়াই দিছে, কংগ্ৰেছ দলে তাৰ দায়িত্ব ল'বই লাগিব। সেই ব্যৱস্থাটোৱে কেৱল পইচাৰে চাকৰি দিয়াই নহয়, এটা প্ৰজন্মৰ আশা-ভৰষা শেষ কৰি দিছিল। কোনো মেধা সম্পন্ন যুৱক-যুৱতীয়ে চাকৰি পোৱাৰ আশাই নাইকিয়া হৈ গৈছিল। এটা প্ৰজন্মক ধ্বংস কৰি দিছিল। সদনত ক'বলৈ বেয়া, কিন্তু ডাঃ মৃগেন শইকীয়া, পশু চিকিৎসা বিভাগৰ এজন সাধাৰণ চৰকাৰী বিষয়াই সপ্তাহে সপ্তাহে মুখ্যমন্ত্ৰীক লগ ধৰি briefing দিছিল। এনেকুৱা নহয় যে তেওঁ কোনো Commissioner/Principal Secretary/Additional Chief Secretary যিয়ে সপ্তাহে সপ্তাহে মুখ্যমন্ত্ৰীক লগ ধৰি briefing দিব। ইমানখিনি পৰ্য্যন্ত কৈছিল যে ৰাকেশ পালৰ দিনত অসমীয়া ছোৱালীৰ সতীত্ব হৰণ কৰা হৈছিল। ইয়াতকৈ বেয়া কথা আৰু আছে নেকি? আপোনালোকে কওঁকচোন। আজি দায় সাৰিব পাৰিব নেকি কংগ্ৰেছ দলে? আজি তেওঁলোকৰ স্থিতি চাওঁক আৰু আমাৰ বিজেপিৰ স্থিতি চাওঁক। এই প্ৰতিবেদনত আমাৰ বিজেপিৰ মানুহৰো নাম আছে। মই নাই বুলি কোৱা নাই। কোনোৱে দায় সৰা নাই। কিন্তু আমাৰ দলৰ সভাপতি, মই নাম নকওঁ এই সদনৰ সদস্য নহয় কাৰণে, তেওঁ ২৪ ঘণ্টাৰ ভিতৰত Press meet কৰি কৈছিল যে আমাৰ দলৰ শীৰ্ষ নেতা জনো যদি ইয়াত জড়িত থাকে আমি অব্যাহতি দিম, দলৰ পৰা আঁতৰাই দিম। কিন্তু কংগ্ৰেছ দলে যাৰ দিনত এই কেলেংকাৰী সংঘটিত কৰিছিল, সকলো কথা জলজল পটপটকৈ ওলাই আছে, সেই কংগ্ৰেছ দলৰ সভাপতিজনে বিপ্লৱ

শৰ্মাৰ দৰে এজন নিকা ন্যায়াধীশক বদনাম কৰিবলৈ বিভিন্ন statement বাহিৰত দিছে। তাৰ মানে কংগ্ৰেছ দল দুৰ্নীতিৰ পৃষ্ঠপোষক। সেইদিনা মুখ্যমন্ত্ৰী মহোদয়ে কৈছিল যে বিপ্লৱ শৰ্মা আয়োগৰ প্ৰতিবেদন তেওঁ এই কাৰণে দিব বিচৰা নাছিল কাৰণ তাত তৰুণ গগৈ ডাঙৰীয়াৰ গোটেই কু-কীৰ্তি খিনি জলজল পট পটকৈ আছে। কোনে হেঁচা প্ৰদান কৰি এই প্ৰতিবেদনখন দাখিল কৰিবলৈ বাধ্য কৰিলে? আমাৰ বিৰোধী দলৰ দলপতি গৰাকীয়ে। এতিয়া কথাটো হ'ল যে কংগ্ৰেছ দলৰ অসুবিধাটো ক'ত? কংগ্ৰেছ দলৰ অসুবিধাটো হ'ল- বৰাৰ লগত গগৈৰ কাজিয়া, গগৈৰ লগত শইকীয়াৰ কাজিয়া, শইকীয়াৰ লগত হুছেইনৰ কাজিয়া, হুছেইনৰ লগত বৰদলৈৰ কাজিয়া আৰু এই কাজিয়াৰ পাকচক্ৰত গৈ বিপ্লৱ শৰ্মা আয়োগখনো তেওঁলোকৰ বাবে ৰাজনীতিৰ বিষয়-বস্তু হৈ পৰিছে। আমাৰ বাবে ৰাজনীতিৰ বিষয়-বস্তু নাই। আমাৰ কাৰণে সকলো এক**বাৰে** স্পষ্ট। কোনোবা সদস্যই কয় মুখ্যমন্ত্ৰীক টানিব লাগে। আপোনালোকৰ শত্ৰুজনক মাৰিবলৈ আছে, আপোনালোকে মাৰক। কিন্তু আপোনালোকে বিচাৰে কাঁড়ডাল আমাৰ মুখ্যমন্ত্ৰীৰ বুকু ভেদ কৰি যাব। এতিয়া বিপ্লৱ শৰ্মা আয়োগৰ প্ৰতিবেদনত মুখ্যমন্ত্ৰীৰ নাম নাই । কিন্তু কয় যে ১৫ টা পদত নিযুক্তি হেনো তেওঁ দিছিল। শুনক, আপোনালোকে বহুত কথা নাজানে। এই মুখ্যমন্ত্ৰীজন কংগ্ৰেছৰ দিনত থাকোতেও টেটৰ জৰিয়তে লাখ লাখ হাজাৰ হাজাৰ চাকৰি নিকা পদ্ধতিৰে নিযুক্তি দিছিল। যদি তেওঁ লিষ্ট ভৰাই চাকৰি দিলে হেঁতেন, তেন্তে মেধাৰ ভিত্তিত নিযুক্তি প্ৰক্ৰিয়া কেতিয়াও নকৰিলেহেঁতেন। আজি মুখ্যমন্ত্ৰী মহোদয়ে হয়তো বেয়াও পাব পাৰে, মই তেওঁক সুধি কোৱা নাই। মই নিজেই সাক্ষী আছিলো যে মুখ্যমন্ত্ৰী মহোদয় আৰু তৰুণ গগৈ ডাঙৰীয়াৰ মাজত কাজিয়াৰ অন্য এটা কাৰণ আছিল মেধাৰ ভিত্তিত নিযুক্তি দিয়া। সৰ্ব শিক্ষাৰ অধীনত বৰ্তমানৰ মুখ্যমন্ত্ৰীয়ে সেই সময়ৰ কেন্দ্ৰীয় মন্ত্ৰী কপিল ছিবাল ডাঙৰীয়াক দিল্লীত লগ ধৰি প্ৰায় ২০ হাজাৰ পদ টেটৰ অধীনত sanction দিবলৈ তেওঁক অনুৰোধ জনাই sanction কৰি আনিছিল। কিন্তু কিয় বিধায়ক মন্ত্ৰী জড়িত হ'ব লাগে, মই দিব নোৱাৰিম নেকি বুলি তাতেই ক্ষুন্ন হৈ তৰুণ গগৈ ডাঙৰীয়াই সোণাপুৰৰ ৰাজহুৱা সভাত মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে বিৰূপ মন্তব্য কৰিছিল। সেইয়া ৰেকৰ্ডত আছে। আপোনালোকে চাব পাৰে। আজি সেইজন মুখ্যমন্ত্ৰীৰ ওপৰত প্ৰশ্ন কৰে, যিজন মুখ্যমন্ত্ৰীয়ে চৰকাৰ হোৱাৰ ৩ বছৰৰ ভিতৰত ডেৰ লাখ নিযুক্তি মেধাৰ ভিত্তিত দিবলৈ সক্ষম হৈছে? মোৰ ঘৰৰ ওচৰৰ ল'ৰা এটা যদি কংগ্ৰেছৰ দিনত তৃতীয় বা চতুৰ্থ বৰ্গৰ চাকৰি পায় বা এ.চি.এছ. পায়, মানুহে তেতিয়া বু-বু-বা-বা কৰিছিল। কোনো মানুহে খবৰ কৰা নাছিল। কাৰণ মানুহে জানিছিল যে ক'ৰবাত নিশ্চয় যোগাৰ কৰিলে বা কাৰোবাক নিশ্চয় পইচা দিলে.....interruptions.... মই কংগ্ৰেছ দলত আছিলো। আপুনি মাফ কৰি দিয়ক, মই ইমান বেয়া দলটোত আছিলো। মই মানি লৈছো, আমি চাকৰি দিয়াত নাছিলো। আজি বিজেপিৰ দিনত যদি এটা চাকৰি পায়, তেন্তে গাঁৱৰ মানুহে ৰভা দি ভোজ খায়। জানে যে ল'ৰাটোৱে মেধাৰ ভিত্তিত পাইছে। গতিকে আপোনালোকৰ মুখত নীতি-দুৰ্নীতিৰ কথা শোভা পায় নেকি? ....interruptions....

**(সদনত কংগ্ৰেছ দলৰ সদস্য শ্ৰী আবুল কালাম ৰশিদ আলম ডাঙৰীয়াই তীব্ৰ প্ৰতিবাদ কৰে)**

**মাননীয় অধ্যক্ষঃ** Please sit down. এইটো সদন হয়।

**শ্ৰী আবুল কালাম ৰশিদ আলম (পশ্চিম গোৱালপাৰা)ঃ** এইখন সদনত আমিও ক'ব পাৰিম। কিয় নোৱাৰিম? দুৰ্নীতি হোৱা নাই? এইখন চৰকাৰৰ দিনত.....interruptions....

**माननीय अध्यक्षঃ**কিয় হাত-চাপৰি মাৰি কথা কৈছে? .....interruptions.... প্লীজ বহক .....interruptions.... You are suspended from this discussion

**(মাননীয় অধ্যক্ষই মাননীয় সদস্য শ্ৰী আবুল কালাম ৰশিদ আলমক সদনৰ পৰা বহিষ্কাৰ কৰে)**

**শ্ৰী মানৱ ডেকা (লখিমপুৰ)ঃ** আপোনালোকক আকৌ ৰাকেশ পালৰ নিচিনা ব্যৱস্থা লাগে .....interruptions....

**মাননীয় অধ্যক্ষঃ** আপুনি কৈ থাকক।

**শ্ৰী মানৱ ডেকা (লখিমপুৰ)ঃ** অধ্যক্ষ মহোদয়, বিৰোধী দলৰ দলপতি গৰাকীৰ অনুৰোধত table হৈছে। মই কোনো বাহিৰৰ কথা কোৱা নাই। প্ৰতিবেদনখনৰ ভিতৰত যি আছে সেইখিনি কথাহে কৈছো। কিন্তু, ৰাকেশ পালৰ ব্যৱস্থাৰ দাবীত কংগ্ৰেছৰ বিধায়কৰ পেটৰ কামোৰণি হৈ যায় আৰু তেওঁলোকে অসমত শাসন কৰিব বিচাৰে? অসমৰ গোটেই জনজীৱনৰ ব্যৱস্থাটো বিধস্ত কৰি পেলাইছিল চাকৰিৰ জৰিয়তে, গোটেই ব্যৱস্থা তেওঁলোকে শেষ কৰি পেলাইছিল। কিন্তু আজি আমাৰ মুখ্যমন্ত্ৰীয়ে মই এইমাত্ৰ আপোনাক ক'লো যে মেধাৰ ভিত্তিত চাকৰি দিয়াৰ কাৰণে গাওঁত যদি এজন যুৱকে চাকৰি পায় গাৱৰ ৰাইজে ৰভা দি ভোজ খায় সেই ব্যৱস্থা আজি কৰা হৈছে। মই বেছি দীঘলীয়া নকৰো। মুখ্যমন্ত্ৰী মহোদয়ক মই ইয়াৰ ওপৰত বিশেষ ভাৱে কেনে ধৰণৰ ব্যৱস্থা লোৱা হৈছে তাৰ ওপৰত মন্তব্য দিব বুলি আশা ৰাখিলো আৰু শেষত মই এটাই কথা ক'লো যে এইখন ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ চৰকাৰ, ইয়াত কোনো ছেকেণ্ড ডিভিজনে ফাৰ্ষ্ট ডিভিজনক অতিক্ৰম কৰি চাকৰি পোৱাৰ ব্যৱস্থা নাই, যি কোনোবা আন্দোলন কাৰী নেতাই হওঁক, যি কোনোবা মন্ত্ৰীয়ে হওঁক, যি কোনোবা বিধায়কে হওঁক বা ডাঙৰ মানুহে হওঁক।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। শ্ৰী মনোৰঞ্জন তালুকদাৰ। ১০ মিনিট।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মানৱ ডেকাৰ মন্তব্য শুনিলো, মূল বিষয়লৈকে তেওঁ যাব খোজা নাই। মোৰ যিটো observation বা অভিযোগ বুলি ক'ব পাৰে, এই বিপ্লৱ শৰ্মাৰ প্ৰতিবেদনখন ২ এপ্ৰিল ২০২২ চনতে দাখিল কৰা হৈছিল। আমাৰ Commission of Inquiry Act 1952 ৰ ধাৰা under (iv) অনুসৰি ছয় মাহৰ ভিতৰত ইয়াৰ action taken report খন সদনত দাখিল কৰিব লাগে। এইটো কিয়া কৰা ন'হল কাৰণটো কি? মুখ্যমন্ত্ৰীয়ে কৈছে কাৰোবাৰ নাম আছে কাৰণে মই এইটো কৰা নাই, কৰিব বিচৰা নাছিলো, কংগ্ৰেছৰ হেছাত কৰিছো তাৰ মানে কি? আইনে কৈ আছে ছয় মাহৰ ভিতৰত দাখিল কৰিব লাগে কিন্তু ছয় মাহত দখিল নকৰিলে। নকৰা কাৰণো আছে, আমি যিটো জানিছো ১ এপ্ৰিল তাৰিখে দাখিল, ২ এপ্ৰিল তাৰিখে দাখিল কৰিলে। ১ এপ্ৰিল তাৰিখে ভাৰতীয় জনতা পাৰ্টি, চৰকাৰে যিটো মানৱ ডেকাই কৈছে দুৰ্নীতি বিৰুদ্ধে বিৰাট আপোচবিহীন সংগ্ৰামৰ কথা, কিন্তু ১ এপ্ৰিল তাৰিখে নাটকীয় ভাৱে নায়ক-নায়িকাই স্পষ্টকৈ বক্ৰ প্ৰথাৰে বাঁচনিভূক্ত কৰা বুলি অভিযুক্ত কৰা বিষয়াক তেওঁলোকে promotion দিয়ে। কওঁক দিছে নে নাই? ১ এপ্ৰিল তাৰিখে promotion দিছে চাৰ পিছত ২ এপ্ৰিল তাৰিখে তেওঁলোকে এই প্ৰতিবেদনখন গ্ৰহণ কৰিছে। এতিয়া কথাটো হৈছে তেৰ বৰ্ষৰ অসামৰিক সেৱাৰ এতিয়া কাৰ নাম আছিল, কাৰ নাম নাছিল, কাৰ কি হৈছে এইবিলাক কথাবতৰা যাব নে আয়োগে যিটো pinpoint কৰিছে যে বক্ৰ পথেৰে এসোপা বিষয়াই নিয়োগ পাইছে। এই নিয়োগ পোৱা বিষয়া সকলৰ বিৰুদ্ধে ব্যৱস্থা ল'ব লাগে। ২০১৩ বৰ্ষৰ অসামৰিক সেৱা পৰীক্ষাৰ কেলেংকাৰী বছৰৰ প্ৰথম যি ৩৯ গৰাকীৰ ডিব্ৰুগড় আৰক্ষীয়ে যি

চাৰ্জশ্বীট আনিছিল, তেওঁলোকক লগে লগে বৰ্খাস্ত কৰা হ'ল। এইটো বৰ্খাস্ত কৰাৰ নিয়মে। কাৰণ এই কথাটো আছে ইয়াতে termination of simplicited refers to termination without assigning any stick mark or misconduct to the Officer, if an appointment is void at initio from the beginning due to fraud, misappropriation, misrepresentation or an invalid selection process the termination may be detect as termination simpliciter আৰু এইটো যিহেতু termination simpliciter অধীনত ইমান জন বিষয়া অভিযুক্ত হৈছে, লগে লগে termination হৈ গৈছে। কিন্তু একেখিনি কথাকে এই যিটো termination হ'ল termination ডিব্ৰুগড় police report ৰ ভিত্তিত হ'ল। তাৰ পিছতে ৩৪ বিষয়াক ন্যায়িকভাৱে আয়োগে সাব্যস্ত কৰা স্বত্তেও তেওঁলোকক termination মুখ্যমন্ত্ৰীয়ে বৰ্খাস্ত নকৰিলে। বৰ্খাস্ত নকৰি তেওঁলোকে লৈ আহিল punitive termination ত । punitive termination হৈছে during the service period. তেওঁ যদি fraud কৰে, তেওঁ যদি crime কৰে তেওঁ যদি ক'ৰবাত corruption কৰে during the service period, তেতিয়াহ'লে তেওঁলোকক এই ব্যৱস্থাৰ মাজেৰে শাস্তি দিব পাৰে। punitive termination কৰা হ'ল কিয় why not termination simpliciter. Simpliciter ক termination কৰিব লাগিছিল, যি আগৰ কেইজন বিষয়াক কৰিলে। কিন্তু এই ৩৪ জনক নকৰি আমাৰ চৰকাৰে কি কৰিলে? তেওঁলোকক বচাবৰ কাৰণে তেওঁলোকে যাতে জামিন পায় তাৰ সুন্দৰ ব্যৱস্থা কৰিলে suspension কৰি। Suspension মানে depot of the salary। ৰাইজৰ টকা যিসকল বৰ্খাস্ত হ'ব লাগিছিল বৰ্খাস্ত নকৰি তেওঁলোকক ৰাইজৰ টকা খাই থকাৰ সুযোগটো সুন্দৰ ভাৱে দিলে। এই যে সুযোগটো সুন্দৰ ভাৱে দিলে, তাৰ পিছত নিলম্বন কৰিলে কিন্তু দেখা গ'ল তাৰ মাজতো ৯ জনক নিলম্বনো নকৰিলে, চাকৰি কৰি থাকিল, মই নাম বিলাক কৈ দিছো নৱনীতা শৰ্মা APS, অসীমা কলিতা APS, অমিত ৰায় চৌধুৰী APS, ত্ৰিদিপ ৰয় ACS, ৰিতুৰাজ দ'লে APS, জগদীশ ব্ৰহ্ম ACS, বিক্ৰমাদিত্য বৰা ACS, নন্দিতা হাজৰিকা ACS, সৌৰভ কুমাৰ বৰঠাকুৰ APS, still এতিয়াও চাকৰি কৰি আছে। তেওঁলোকে কিন্তু এই শৰ্মা আয়োগৰ পৃষ্ঠাই পৃষ্ঠাই তেওঁলোকৰ বিৰুদ্ধে অভিযোগ আছে । কেনেকৈ answer script তেওঁ সলনি কৰিছে, বহীত এটা আখৰ লিখা নাই, additional part ত লিখিছে। এই ধৰণৰ অভিযোগ থকাৰ পিছতো এই কেইজনে কিন্তু চাকৰি কৰি থাকিবলৈ দিছে। ৯ জনে কৰি আছে আৰু বাকী ২৫ জনক তেওঁলোকে suspension কৰিছে । এইটো এটা অদ্ভূত কথা। এই ২৫ জন suspension ত আছে ধ্ৰুৱজ্যোতি হাটীবৰুৱাৰ পৰা দ্বাৰা ধীৰাজ জৈন, হীতেশ মজুমদাৰকে ধৰি ২৫ জন suspension কৰি থৈ দিছে । অদ্ভূত কথাটো হৈছে এই প্ৰতিবেদনখন গ্ৰহণ কৰাৰ পিছত ২০ মে' তাৰিখে এই ২৫ জনৰ আকৌ বিপ্লৱ শৰ্মাৰ প্ৰতিবেদনৰ ওপৰত যাচাই কৰাৰ কাৰণে এখন চুপাৰ কমিটি কৰি দিলে। চুপাৰ কমিটিত জিষ্ণু বৰুৱাৰ নেতৃত্বত কৰিলে আৰু এই চুপাৰ কমিটিত কোন কোন মেম্বাৰ আছে আপোনালোকে জানে, পৱন কুমাৰ বৰঠাকুৰ, অতিৰিক্ত মুখ্য সচিব ভাস্কৰ জ্যেতি মহন্ত, আৰক্ষী সঞ্চালক প্ৰধান নীৰজ বৰ্মা প্ৰধান সচিব personnel বিভাগ, নলীন কৌলি, অতিৰিক্ত মহাধিবক্তা এই সকলক লৈ পেলাই চুপাৰ কমিটি কৰিলে। কিন্তু চুপাৰ কমিটি চলি থাকোতে অদ্ভূত অদ্ভূত কাণ্ড। চুপাৰ কমিটি form হৈছে, functioning কৰি আছে, তাৰ মাজতে ৰুমিং টি মুংপি APS নামৰ এজন বিষয়া বক্ৰ পথেৰে বাঁচনিভুক্ত বুলি অভিযুক্ত কৰা বিষয়া এজন। তেওঁক কি cer-

tificate দিলে , স্বয়ং গৃহ বিভাগে integrity of the Officer to be beyond doubt and no proceeding is pending. বিপ্লৱ শৰ্মাৰ যি প্ৰতিবেদন আছে সেইখনটো publish কৰাই নাই। মুখ্যমন্ত্ৰী থৈ দিলে ২ বছৰ ৯ মাহ। Why to 2 years 9 months? থৈ দিয়াৰ পিছত গৃহ বিভাগে pending vigilance enquiry is pending বুলি লিখি national investigation agency ন্যয়লৈকে তেওঁক পঠাই দিয়াৰ বাবে সুন্দৰ ব্যৱস্থাটো কৰিলে। চেষ্টা এটা কৰিছিল নহ'ল। কিন্তু এই ধৰণে চুপাৰ কমিটি গঠন কৰাৰ গোটেই বস্তুটো delay কৰাৰ আৰু ৩৯ জনক বৰ্খাস্ত কৰিলে, তাৰ পিছত ৩৪ জনক proceeding drop কৰিলে, নিলম্বিত কৰি ৰাখিলে ৰাইজৰ পইচা খাই থাকিবলৈ দিলে। এই যি ব্যৱস্থা কৰিছিল, মোৰ প্ৰশ্নটো হৈছে Why all these things, কিয় এইটো হৈছে, কিয় ২০১৪ বৰ্ষৰ ২১ জনক ডিব্ৰুগড় পুলিচে আকৌ গ্ৰেপ্তাৰ কৰে, গ্ৰেপ্তাৰ কৰাৰ পাছত তেওঁলোকক বৰ্খাস্ত কৰা হয় ২০১৪ বৰ্ষৰ, বাকীবিলাকৰ কি হ'ব, যিবিলাকৰ নাম আছে এই প্ৰতিবেদনত, আমি টো এই প্ৰতিবেদনৰ মাজেৰে গৈছো। তেওঁলোকৰ নাম আছে, তেওঁলোকৰ বিৰুদ্ধে অভিযোগ আছে। এই অভিযুক্ত সকলৰ এতিয়াও ৯ জনে চাকৰি কৰি আছে, বাকীবিলাকৰ এতিয়া suspension উঠাই দিয়া হৈছে, আকৌ চাকৰিলৈ যাব তেওঁলোকে অচিৰেই যাব। তেন্তে ভেকোভাওঁনা খন কিয় কৰিবলগীয়া হ'ল। যদি সচাঁ সচিকৈ মানৱ ডেকাই কোৱাৰ দৰে এই খন কোনে কেনেকৈ চাকৰি লৈছে, সেইটো নিবিচাৰে, যদি চৰকাৰে নিবিচাৰে প্ৰতিবেদন গ্ৰহণ কৰাৰ পৰা, কিছুমানক promotion দিয়া, তাৰ পিছত কিছুমানক এই ধৰণৰ ব্যৱস্থালৈকে লৈ যোৱা মানে punitive termination লৈ যোৱা ব্যস্থাটো কিয় কৰিলে? তেওঁলোকক চিধাচিধিকৈ বৰ্খাস্ত কৰিব লাগিছিল যি সকলৰ নাম এই প্ৰতিবেদনত আছে। সেই কাৰণে এই গোটেই বিপ্লৱ শৰ্মাৰ প্ৰতিবেদনত মৃগেন শইকীয়াৰ দৰে এটা fraud. মই fraud বুলিয়ে কৈছো, মানৱ ডেকা ইও কৈছে ডাঙৰ অফিচাৰ নহয় বা Principal Secretary নহয়, এজন কৰ্মচাৰী। Fraud যিজনৰ সাক্ষী High Court য়ে নাকচ কৰিছে, Supreme Court য়ে নাকচ কৰিছে । কিয় হ'ব গৈছিল ৰাজসাক্ষী? ৰাজসাক্ষী হোৱাৰ মাজতো কেইবাজনক ৰোহাই দি পেলাই সুন্দৰ কৰি ৰাখি থৈছে। ঠিক তেনেদৰে তিনিজনক ৰাজসাক্ষী কৰি পেলাই যাৰ বিৰুদ্ধে অভিযোগ আছে বক্ৰ প্ৰথাৰে চাকৰি লোৱাৰ সেই তিনি জনকে ৰাজসাক্ষী বনাই দিছে। এই জনক যাৰ ৰাজসাক্ষী হোৱাৰ যোগ্যতাই নাই তেওঁ সেইজনৰ বক্তব্যক লৈ পেলাই, সেইজনৰ সাক্ষ্যক লৈ পেলাই এটা উথাল-পাতাল হৈ আছে যেন এইটোহে মূল বিষয়। মূল বিষয়টো হৈছে ২০১৩-১৪ চনত বক্ৰ প্ৰথাৰে যিসকলে চাকৰি পাইছে, বিপ্লৱ শৰ্মা আয়োগে যিসকলক দোষী সাব্যস্ত কৰিছে তেওঁলোকক বৰ্খাস্ত কৰা। কিছুমানক কৰিলে, ৩৪ জনক নকৰিলে। আমি দাবী কৰিছো **আৰু বিপ্লৱ শৰ্মাও কৈছে ২০১৩ চন আৰু ২০১৪ চনত দুয়োটা batch ত পৰীক্ষা পাতিৰ গণ্ডগোল হৈছে। পৰীক্ষা বাতিল কৰি দিব লাগে। কিছুমানে বেলেগ বেলেগ যুক্তি ওলাইছে, কিছুমানে ভালকৈ পাইছে। আপোনালোকে লক্ষ্য কৰিব এতিয়া transport ৰ এসোপা মানুহৰ চাকৰি দি দিলে। তাতে মানবতাৰ বাট নাই। তেওঁলোকৰ প্ৰতি মানবতাৰ বাট। আমি কৈছো ২০১৩-১৪ চনৰ পৰীক্ষা বাতিল কৰি অচিৰেই সেই পৰীক্ষা পাতক যিকেইজন অভিযুক্ত তেওঁলোকক পৰীক্ষাৰ বাহিৰত ৰাখি অন্য যিসকলে বঞ্চিত হৈছে বুলি ভাবিছে তেওঁলোকে পৰীক্ষা দিয়াৰ সুযোগ লওক, আৰু এইটো নিশ্চিতভাৱে কৰিব পাৰে। সেই কামটো কেলেই নকৰে। সেই কামটো কৰিলে বুজি পাম যে ভাৰতীয় জনতা পাৰ্টী দুৰ্নীতিৰ বিৰুদ্ধে সচাঁসচিকৈ কিবা এটা ভূমিকা লৈছে। তাকে নকৰি চালে বেৰে কোবাই কাৰোবাক ব্যক্তিগতভাৱে আক্ৰমন কৰি**

চিঞৰ বাখৰ কৰি থাকিলে এটা serious বিষয়। ১০০ ৰ ওচৰা ওচৰি বিষয়াৰে অভিযুক্ত হৈছে আৰু বক্র প্ৰকাৰে চাকৰি লৈছে। তেওঁলোকক সোনকালে termination কৰাৰ দৰকাৰ । Termination কৰি ২০১৩-১৪ চনৰ পৰীক্ষা বাতিল হ'ব লাগে আৰু নতুনকৈ তাতে পৰীক্ষা পতাৰ ব্যৱস্থা কৰিব লাগে। সেই কামটো কৰি দেখাওক ভাৰতীয় জনতা পাৰ্টীয়ে। তাকে নকৰি কিছু বিষয়া বক্র পথেৰে আৰু সহায় কৰাৰ কাৰণে যদি ব্যৱস্থা কৰি থাকে মই স্বাভাৱিকতে আৰু বিপ্লৱ শৰ্মাৰ কথাৰে মই ক'ম যে আৰু further enquiry ৰ প্ৰয়োজন আছে বুলি। মুকলিভাৱে তেওঁলোকে enquiry কৰক।

মাননীয় অধ্যক্ষ ঃ ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম(জ্যেষ্ঠ)।

শ্ৰী আমিনুল ইছলাম(জ্যেষ্ঠ) ঃ মাননীয় অধ্যক্ষ মহোদয়, অত্যন্ত গুৰুত্বপূৰ্ণ বিষয় আজি ইয়াত আলোচনা হ'ব ওলাইছে। আমাৰ অসমৰ যুৱ সমাজৰ এটা সময়ত আমাৰো আছিল যে APSC পৰীক্ষা দিম, ভাল আমোলা এজন হ'ম। আমাৰ যুৱ সমাজৰ এটা মনৰধাৰণা। সকলোৰে এটা expectation থাকে, তাৰকাৰণে পঢ়াশুনা কৰে, preparation কৰে, পৰীক্ষা দিয়ে, viva দিয়ে, prelims দিয়ে, mains দিয়ে, everything চলে। কিন্তু তেনেকুৱা এটা ব্যৱস্থাক যদি ৯০০ পেজত যিটো আহিছে, যোৱা বিগত আমি ২০১৩-১৪ চনত যিবিলাক পাইছো ইমানদিনে ১১ বছৰ যে আমি APSC ৰ বিষয় পাই আহিছো। এই বিষয়খিনি কিন্তু আমাৰ অহা যি up-coming generation তেখেতে যথেষ্টখিনি হতাশ হ'ব যে যেনেকুৱাকৈ আমাৰ APSC কেলেঙ্কাৰী হৈছিল আৰু ৯০০ পৃষ্ঠা যিটো বিবৃতি, এই বিবৃতিৰ যিখিনি কথা ইয়াত আহিছে, সেইখিনি যদি আমি ভালকৈ মন কৰো, আমি দেখা পাম যে যিখিনি কথা তেওঁ ইতিমধ্যে উল্লেখ কৰিছে তালুকদাৰ ডাঙৰীয়াই, সেইখিনি কথা মই এইকাৰণেই ক'ব বিচাৰিম যে আমাৰ যিখিনি মানুহৰ selection কৰা হৈছে, সেই process টোৰে আমি দেখিছিলো যে এটা ভ্ৰান্ত se-lection ৰ প্ৰচেষ্টা আছিল। কিহৰ ভিত্তিত selection কৰিছিল, কিহৰ ওপৰত বেচ কৰি selection কৰিছিল , এই কথাখিনিতো যথেষ্ঠখিনি অসুবিধা আছে। আমি এই কথাবিলাক স্পষ্টভাৱে উল্লেখ কৰিব লাগিব,এইকাৰণে যে Chairman was appointed in viola-tion of clause 4(2) of the APSC regulation 1951 without following the procedure prescribed in the Assam Rules executive business 1968, page no-97.এই কথাটো clear কৰিছে যিজনে আমাক selection কৰিব, যিজনে সেই selection কমিটিৰ সভাপতি হ'ব। সেই সভাপতিজন selection কৰোতেই যি service rule,যিটো selection প্ৰক্ৰিয়া, তাতে কিন্তু বহুত বৈ গ'ল। এই কথা মই এইকাৰণে ক'ব বিচাৰিছো, ইয়াত বিভিন্ন ঠাইত আহিছে যে আমাৰ পাল ডাঙৰীয়াই ক'ত ক'ত গৈছিল, কাক লগ কৰিছিল, কেনেকৈ কৰিছিল, লক্ষ্য পথেৰে তেনেকৈ তেওঁলোকক আনিছে, সেই কথাবিলাক আছে। এই কথাবিলাক থকাৰ পিছতো যিটো one man commission কৰি দিয়া হয়, এই one man commission টো কোনো action taken দিয়া নাই যে কি কৰা হ'ব। One man commission 900 পৃষ্ঠা জুৰি প্ৰতিবেদন দিয়াৰ পাছতো কোনোদিনে action taken দিয়া নাহ যে তেখেতসকলৰ বিৰুদ্ধে কি কৰা হ'ল? ইয়াত বিভিন্নভাৱে আমাৰ যিটো Commission ৰ ৰিপোৰ্ট, এই Commission ৰ ৰিপোৰ্ট টো Government

mandatory নে, Government মানিব লাগিব, সেইটো optional, সেই ডাঙৰ প্ৰশ্ন এটা আছে। আমাৰ যিটো কমিটিৰ ৰিপোৰ্ট, এইটো Government য়ে compulsorily মানিব লাগিব, নে এইটো নামানিলেও চলিব। ইয়াত যিটো optional আছে, ইয়াত action taken যিহেতু দিয়া নাই, তেতিয়াহ'লে ইয়াৰ ৰিজাল্টটো কি আহিব? যেনেকৈ খাতাবিলাক দেখা হৈছিল, সেই সময়ত যিবিলাক selected questions ি আছিল, যিবিলাক মডেলতো নাছিল,তেখেতসকলৰ ভিত্তিবিলাক কি আছিল? সেইবিলাকতো যথেষ্ট question আমাৰ ৰৈ গৈছে। আমি ইয়াত দেখিছো যে আমাৰ যিখিনি OMR sheets আছিল, সেইখিনিতে যথেষ্ট খেলিমেলি হৈছিল। মোৰ সমষ্টিৰ এটা উদাহৰণ দিব বিচাৰিছো-CC 2013, Roll No-1, page no.-15, গিয়াজুদ্দিন আহমেদ। তেখেতে এটা writ petition কৰিছিল, WPC এটা কৰিছিল, ৫-২২-২০১৫। তাত APSC য়ে through affidavit স্বীকাৰ কৰিলে যে তেখেতৰ ক্ষেত্ৰত ৬ টা ভুল হৈছে। তেখেতক another 10 marks পালেহেতেন, এই কথাশাৰ APSC য়ে স্বীকাৰ কৰিছে। কিন্তু ৬ মাৰ্কৰ কাৰণে তেওঁ সেই মেৰিট লিষ্টত আহিব পৰা নাই। শেষত এটা sentence মই কৈ ল'ব বিচাৰিছো -He was entitled to 10 more marks with constitution section.However, the APSC did not do so and rather contended that since the examination was already over with the declaration of the result etc. nothing could be done.Thus, the grievance of the candidate is that despite being qualified,he was illegally deprived of selection and appointment. মই এই কথাটো কিয় ক'ব বিচাৰিছো কাৰণ মোৰ সমষ্টিৰ এটা উদাহৰণ দিব বিচাৰিছো। যিখিনি মানুহৰ already terminate কৰা হৈছে, কিন্তু malpractice কৰি থকা যিখিনি মানুহ ইয়াৰ লগত জড়িত হৈ আছে, সেই malpractice কৰি থকা মানুহখিনিক আজিলৈকে service ত আছে। তেখেতসকলক কি কৰা হ'ব? এই ক্ষেত্ৰত কি সিদ্ধান্ত লোৱা হ'ব? আমি যদি chapter -6 চাওঁ, illegal committee 39, তেখেতে ইতিমধ্যে উল্লেখ কৰিছে, তথাপি দুই এটা কথা কৈ গৈছো যে 39 terminate কৰা হ'ল, কিন্তু ৪৬ answer script main examination ত missing হ'ল। যাৰ examination script missing হৈছে, তেখেতসকলৰ কি হ'ব? তেওঁলোকেতো আজিৰ তাৰিখত চাকৰি কৰি আছে। যিবিলাকৰ খাতা নাই তেখেতসকল চাকৰি কৰি আছে। তাৰে পৰ্বত নিত বিত্তিৰ ওপৰত কাৰোবাৰ ওপৰত আমি আৰু কিবা জাপি দি সমস্যা সমাধান কৰিব নোৱাৰো। যদি সচাঁ অৰ্থত আমি যদি এটা legal action বিচাৰো বা এটা conclusion বিচাৰো, অহা generation ক দেখাব বিচাৰো যে যদি কিবা illegal হৈছে, তাৰ ব্যৱস্থা কৰা হৈছে। কিন্তু আজিৰ দিনত সেইসকল মানুহ ADC হৈ গল। আজি এই মানুহখিনিৰ ক্ষেত্ৰত আমি যদি চাওঁ যে কেচটো ২৩৬-২৩৭ ত illegal বক্ৰপথে কোনোবা MLA বা Ex MLA বা ডাঙৰ অফিচাৰৰ চুপাৰিচত, মই নামটো ক'ব খোজা নাই, ৰাকেশ পালৰ ঘৈনিয়েকৰ লগত ঘনিষ্ঠ, এই কথাবিলাকৰ জৰিয়তে যিটো message ইয়াত দিব বিচাৰিছে তাক conclusion ত আহিব লাগিব। পৰীক্ষাৰ ক্ষেত্ৰত যিটো ব্যৱস্থা লোৱা হৈছিল, সেই selection system টো যে এটা forgery system আছিল আৰু viva voce ৰ ক্ষেত্ৰত, য'ত viva হৈছে, সেই ঠাইখিনিত CC camera ৰ ব্যৱস্থা কিয় কৰা নহ'ল? তেখেতসকলৰ audio clip ৰ ব্যৱস্থা কিয় কৰা নহ'ল? যদি আজি viva voce ৰ ঠাইখিনিত CC camera ৰ ব্যৱস্থা থাকিলেহেতেন বা audio

clip ৰ ব্যৱস্থা থাকিলেহেতেন, এই illegal টো হ'ব নোৱাৰিলেহেতেন। Question set আৰু modelity ৰ ক্ষেত্ৰতো যথেষ্টখিনি সাবধানতা লোৱাৰ প্ৰয়োজন আছিল। আমাৰ যি strong room, য'ত আমাৰ খাতাবিলাক থাকে, তাক কোনে খুলিব, কেতিয়া খুলিব, তাৰ SOP টো কি হ'ব লাগিব , তাৰ কি SOP ত যাব, কাৰ presence ত যাব, কি অৱস্থাত যাব, সেইখিনিৰ আমি অস্পষ্ট নীতি দেখা পাইছো। ২০১৩ ৰ পৰীক্ষাৰ ক্ষেত্ৰত যেতিয়া suggestion কৰা হৈছিল, নাম বিলাক ক'লে বহুত দেৰী হৈ যাব। এইখিনি ক্ষেত্ৰত যিখিনি ব্যৱস্থা ল'ব লাগিছিল, সেই সময়ত যিখিনি ব্যৱস্থা লোৱা হৈছিল আমি দেখিছো যে - Chapter 10 ত The refference 1 and 2 ত Mr. Paul, চামিদুৰ ৰহমান, বসন্ত দলে, নন্দবাবু সিং, পবিত্ৰ কৈবৰ্ত্য, Assistant Controller of the examination APSC এইসকলৰ বিৰুদ্ধে যিখিনি criminal case হৈ আছে , যিখিনি criminal case চলি আছে এইটোৰ এটা further investigation ৰ প্ৰয়োজন আছে বুলি মই অনুভৱ কৰিছো। যদি action taken নাই, action taken লোৱাৰ বাবে চৰকাৰে কি ব্যৱস্থা ল'ব। অত্যন্ত প্ৰয়োজনীয় এটা বিষয়। কেৱল ৰিপোৰ্টটো publish কৰি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এটা কথা কৈছিল যে আমি ৰিপোৰ্টটো publish কৰিছো, আমি কংগ্ৰেছক বিচৰা নাছিলো। তেখেত সকলক ধৰক। মই ভাবো ইয়াৰ বিষয়ে অতি সোনকালে Chief Secretary ৰ অধীনত এখন high level কমিটি বনাই দি ইয়াৰ বিৰুদ্ধে ব্যৱস্থা ল'ব লাগে। দ্বিতীয় কথাটো ক'ব বিচাৰিছো যে আমাৰ যিখিনি ২০১৩ চনৰ ৪৯ গৰাকী টাৰ্গেট কৰা হ'ল আৰু annomalies 32 এইখিনিৰ কি ব্যৱস্থা কৰা হ'ল। ২০১৪ চনত ইতিমধ্যে আমি জানিছো যে ২১ গৰাকীক টাৰ্গেট কৰা হ'ল আৰু ১১-১২ জন চাৰ্জিচত আছেই। এইখিনি কি কৰা হ'ব? গতিকে এই সম্পৰ্কে আজি আমি এটা কথা স্পষ্ট কৰিব বিচাৰিছো যে এই বিষয়টো আমি বোকা চটিওৱা-চটি নকৰি অসমৰ ভৱিষ্যত প্ৰজন্মৰ বাবে আমি এটা বাৰ্তা দিব লাগে যে আমাৰ ইয়াত APSC য়েই হওঁক বা যিকোনো competitive exam হওঁক স্পষ্ট হ'ব আৰু যিবিলাক দোষী তেওঁলোকৰ ওপৰত ব্যৱস্থা লোৱা হ'ব আৰু এইটো কৰি এটা exam body set কৰি যদি ভাল ব্যৱস্থা লোৱা হয় তেতিয়া ভাল হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী ভূবন পেগু।

**শ্ৰী ভূবন পেগু, (জোনাই) ঃ** মাননীয় অধ্যক্ষ মহোদয়, জাষ্টিচ বিপ্লৱ কুমাৰ শৰ্মাৰ APSC ৰ কেলেংকাৰীক লৈ যিখন প্ৰতিবেদন, সেই প্ৰতিবেদন বিধান সভাত lay কৰাৰ পিছত আজি আলোচনাৰ বাবে Rule 50 ত আনিছে। মই মাননীয় বিধায়ক শ্ৰী মানৱ ডেকা ডাঙৰীয়া আপুনি allow কৰাৰ বাবে ধন্যবাদ জনাইছো। মই ভাবো এই আলোচনাটো আমি অসমৰ মানুহক বাৰে বাৰে দেখাই থকাটো প্ৰয়োজন আৰু জাষ্টিচ বিপ্লৱ কুমাৰ শৰ্মাৰ ৰিপোৰ্টত কি আছে যে পাঠে পাঠে প্ৰত্যেকটো শব্দ, প্ৰত্যেকটো বাক্য অসমৰ জনগণৰ দৃষ্টিগোচৰ কৰাতো অতি প্ৰয়োজন। ইমান প্ৰয়োজনীয় বিষয় এটা আজি আপুনি ইয়াত উত্থাপন কৰিবলৈ দিয়াৰ বাবে মই ধন্যবাদ জনাইছো।মাননীয় অধ্যক্ষ মহোদয়, সেই সময়খিনিত যিখিনি সময়ত ৰাকেশ পালক কেন্দ্ৰ কৰি কেলেংকাৰীটো হ'ল, মই ৰিপোৰ্টটো পঢ়িলো ইয়াত Chapter-11 ত লিখা আছে যে- A detailed and reasoned discussions of anomalies and malpractices resorted to will naturally shock the conscience of right mined people. Fraud malpractices and manupulations in conducting the examinations are beyond imaginations. মানুহে ভাবিবই নোৱাৰে ইমান কলংক, ইমান

কেলেংকাৰী। Beyond imagination by no stretch of imagination is expected of a Constitutional Body like APSC. বিশেষকৈ এটা সাংবিধানিক বডীৰ পৰা এইটো কেতিয়াও সপোনতো আশা কৰিব নোৱাৰি বুলি কৈছে। As said umpteen numbers of time in this report albeit with pain, খুব দুখেৰে জাষ্টিচ বি.কে. শৰ্মাই কৈছে যে - There is no manner of doubt that APSC was reduced to a personel property of a few, headed by the then chairman Shri Rakesh Kumar paul. Shri Rakesh Kumar paul ৰ কথাটো যেতিয়া কৈছে তাৰ পিছত যেতিয়া Shri Rakesh Kumar paul ৰ ৰিপোৰ্টটো আহিছে, ইয়াত মই চালো যে ২০০৮ চনত তেখেতক মেম্বাৰ বনোৱা হ'ল। মাননীয় অধ্যক্ষ মহোদয়, ২০০৬ চনৰ পৰা ২০১১ চনলৈ মই বিধায়ক আছিলো। তেতিয়া মোৰ চিনাকি বহুত ভাতৃ চোকা চোকা ল'ৰাই APSC ত mains ত বা prelims ত উত্তীৰ্ণ হয় কিন্তু জীৱনত oral exam ত উত্তীৰ্ণ নহয়। কিছুমানে prelims ত উত্তীৰ্ণ হয় কিন্তু mains ত fail হয়। তেতিয়া আমাৰ ওচৰলৈ আহে আৰু কয় যে তিনি-চাৰিবাৰ পৰীক্ষা দিলো কিন্তু শেষত এটা কথা গম পালো যে মোৰ চাৰ্টিফিকেট বা মেধাৰে কোনো কাম নাহে। দেউতাই মাটি অলপ বেছি ২০-৩০ লাখ টকা ঠিক কৰি থৈছে। ক'ত দিব লাগে চেনেলটো বিচাৰি দিয়ক। তেতিয়া মই বিৰোধীৰ বিধায়ক। চেনেলটো আমি নাজানো। তেতিয়া মই প্ৰতিবাদ কৰো। প্ৰতিবাদী বিধায়ক বুলি মোক পাত্তা নিদিয়ে। কিন্তু তেতিয়া আমি সকলোৱে জানো যে ৰাকেশ পাল মেইন মানুহ, ৰাকেশ পালক ধৰিলে কামটো হৈ যাব। ৰাকেশ পালে কি কৰিলে APSC was made his personal property in the form of a shop selling job. APSC ৰ building টোক দোকান বনাই দিলে। এইটো মই কোৱা কথা নহয়। ৰিপোৰ্টত লিখা আছে। ৰাকেশ পালে দোকান বনাই তাত কেৱল পইচাৰ খেল চলালে ইয়াত লিখা আছে যে Shri Rakesh Paul used to have illicit relationship with some lady candidate. ইয়াৰ উপৰিও ইয়াত লিখা আছে যে they become part and parcel of his life and used to stay in Paul's residents throughout the day. Shri Paul's wife and mother were well aware of such illicit relationships and thus were mentally disturbed. মাক আৰু ভণীয়েক mentally disturbed হৈ গৈছিল। আকৌ তেওঁ কৈছে this is precisely the reason as to why Shri Paul's wife stayed away from him at a flat near ADGP(Border) office, Guwahati. মাতৃ এজনীয়ে জন্ম দিয়া নিজৰ পুত্ৰক কি বুলি ক'লে যে Shri Paul's mother used to tell me in assamese 'চৰিত্ৰৰ পতন হৈছে'। কাৰ চৰিত্ৰৰ পতন হৈছে, ৰাকেশ পালৰ। মোক যদি আজি সোধে যে এই APSC টো কি বস্তু তেতিয়াহ'লে মই ক'ম যে অসমীয়াৰ এটা প্ৰজন্ম বা এটা দশকক এই ৰাকেশ পালে ধ্বংস কৰি পেলাইছে। জঘন্য কাণ্ড , কেৱল পইচাৰ খেলেই নহয়, সতীত্ব হেৰুৱাব লগীয়া হৈছিল। এনেকুৱা লেতেৰা কাৰবাৰ ২০০৮ চনৰ পৰা ২০১৬ চনলৈ চলিব দিলে। এনেকুৱা জঘন্যতম কাৰবাৰৰ চৰকাৰৰ দিনত কোন যুৱক-যুৱতীয়ে পঢ়া-শুনা কৰি ভাল মানুহ হ'ম বুলি বা অসমখনক চাৰ্ভিচ দিম বুলি বা জাতিটোক বচাম বুলি আগবাঢ়ি আহিব। কোনোবাই যদি আধুনিক অসম বুৰঞ্জীৰ বিষয়ে লিখে তেতিয়াহ'লে এই দহ বছৰৰ সময়খিনিক অসমৰ আটাইতকৈ ভয়ঙ্কৰ অধ্যায় হ'ব বুলি মই আজি ইয়াত ক'ব বিচাৰিছো। কিন্তু ৰাকেশ পাল এনেকুৱা এগৰাকী দুই নম্বৰী মানুহ যে

তেখেতৰ আৰম্ভণীটোৱেই দুই নম্বৰী। দৰ্খাস্ত বা চাৰ্টিফিকেটতেই তেখেতে দুই নম্বৰী কথা লিখিছে যে- হাইকোৰ্টৰ senior practicing lawyer. which was not. Justice Shri B.K. Sharma ই কৈছে যে এইটো দুই নম্বৰী। ২০০৮ চনতেই মোক মেম্বাৰ বনোৱাৰ কাৰণে এখন দৰ্খাস্ত দিছিল। কিন্তু সেই দৰ্খাস্তখনতেই তেখেতে আৰম্ভণীতেই দুই নম্বৰী কথা লিখিছে আৰু সেই দুই নম্বৰী মানুহজনকেই ২০০৮ চনত APSC ৰ মেম্বাৰ বনোৱা হ'ল আৰু পিছত চেয়াৰমেন বনোৱা হ'ল আৰু ২০১৩ চনত permanently Chairman বনোৱা হ'ল। দৰ্খাস্তখনত may be considered বুলি মেম্বাৰ বনাব লাগেবুলি সেই সময়ৰ মাননীয় মুখ্যমন্ত্ৰী গৰাকীয়ে চহী কৰি দিলে আৰু লগে লগে চেয়াৰমেন হৈ গ'ল। এই গোটেই কথাবোৰ এই ৰিপোৰ্টটোত লিখা আছে। এই ৰিপোৰ্টটো পঢ়ি দিলে লাজ পাম। এনেকৈ যে চিষ্টেম এটা চলিব পাৰে পঢ়ি দিলে লাজ পাব। কোনো নিয়ম-নীতি নাই। Specifically লিখিছে in the manner and method in which Shri Rakesh Kumar Paul had entered into the service of the APSC exogenously it was on the basis of a simple application made by Shri Rakesh paul on 6-9-2008 addressed to the Chief Minister of Assam, he was recommended for membership of the APSC without any selection process verifying entership.

may be considered বুলি মুখ্যমন্ত্ৰী জনে লিখিলে ।তাৰপিছত permanent Chairman এ আকৌ একেধৰণেই দিলে। সেই সময়ত মুখ্যমন্ত্ৰীজনৰ ৰাকেশ পাল দুই নম্বৰী বুলি জনা নাছিল নেকি ? মই পিছত চালো যে, নহয় ৰাকেশ পালক ২০০৮ চনত Member appointment দিয়াৰ পিছত ক'ৰ্টত দুই, তিনি -চাৰিবাৰ কেচ হৈছে আৰু ক'ৰ্টে observation দিছে যে - "The court noticing the kind of anomalies in conducting the particular selection that was initiated on 10/08/2006 and finalized with publication of the select list on 15/06/2009, the court made further obsevation as - The mistakes which the APSC has admitted in their counter affidavits also have the potential of eroding the credibility of the APSC in the public eyes" আৰু সেই ২০০৯ চনৰ চৰকাৰ খনত ৰাকেশ পাল আছিল Chairman of the Selection Board. ২০১১ চনত আৰু এটা Report আহিলে যে "in 2011(4) GLT649 (Dulal Deka-Vs- APSC and Ors) while setting aside the particular selection conducted by APSC, the Hon'ble Gauhati High Court observed thus:

It is for this matter, appointed to the services of the APSC as members are expected to be made of deserving persons with high integrity and academic background. But as the things stand today, appointment to the services of the APSC are made in political consideration and in the process, the quality of services and the sancity of APSC, a constitutional body are compromised. This Court can only expect that good sense would soon prevail on those, who are at the helm of affairs. Defer no time, delays have dangerous ends. Inci-

dently, it was Shri Rakesh Kumar Paul, who as the then Member of APSC had acted as the Chairman of the Selection Board in that selection ". শ্ৰী ৰাকেশ পাল ২০০৯ চনৰ পিছতো Member হৈ থাকিলে। ২০১১ চনৰ পিছত Chairman of the Selection Board হ'ল। আকৌ ২০১৩ চনত parmanent Chairman হ'ল। অধ্যক্ষ মহোদয় কোনে এই কাম বোৰ কৰি আছে? হাইক'ৰ্টে কোৱাৰ পিছত পেপাৰত কৈছে বা আন্দোলন কৰি সেই সময়ত অখিল গগৈ য়ে কৈছে। সেইটো বেলেগ কথা । কিন্তু কোনে বাৰে বাৰে তেওঁক appointment দিলে । বাৰে বাৰে document ত এটাই কথা প্ৰমাণিত হৈছে যে সেই সময়ত মুখ্যমন্ত্ৰী আছিল প্ৰয়াত তৰুণ গগৈ ডাঙৰীয়া। অধ্যক্ষ মহোদয় কথাবোৰ শুনিলে বেয়া লাগে। Appointment দিয়াৰ process বোৰ কেনেকৈ হ'ল? মৃগেন শইকীয়া নামৰ veterinary বিভাগৰ এজন সাধাৰণ officer এ মুখ্যমন্ত্ৰীৰ ওচৰলৈ ৰাকেশ পালক সপ্তাহে সপ্তাহে লৈ গৈ কি কৰিছে - "that would be arouns February 2013". Shri Paul use to visit the CM along with me almost every week. Shri Paul kept on requesting me to persued the CM to make him permanant Chairman, APSC.

During such visits, Shri Paul used to carry gifts for the CM. I know that during CM's son's (Shri Gaurav Gogoi), marriage, Shri Paul had given gold ornaments such as Chain, Rings, Bracelets etc. for his son. During one such visits to CM, I told him(CM) about the request of Shri Paul to make him permanant APSC Chairman. The CM asked me to wait for some days with assurance of doing the needful. Our visits to CM continued and in one such visit, CM told us that he had already instructed the personnel department to put up the file pertaining to making Shri Rakesh Paul, permanant Chairman of APSC.

অধ্যক্ষ মহোদয়, এই ৰাকেশ পালে উঠি অহা যুৱচামৰ সতীত্ব হৰণ কৰিছে। অসমীয়া মহিলাকো তেওঁ এৰা নাই আৰু সেই জনক আমাৰ অসমৰ সেই সময়ৰ মুখ্যমন্ত্ৰীয়ে ৰক্ষণাবেক্ষণ দিছে। সেই সময়ত অসমত কংগ্ৰেছ চৰকাৰ আছিল আৰু কেন্দ্ৰটো কংগ্ৰেছ চৰকাৰ আছিল। মই এটা কথা বুজি নাপালো যে কংগ্ৰেছ চৰকাৰে ১০ বছৰ এই কলংকিত মানুহ জনক কিয় মুক্ত ভাৱে এই লুণ্ঠন চলাব দিছিল। অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত যুৱচামক ধ্বংস কৰিছে সেই সময়ৰ কংগ্ৰেছ চৰকাৰ আৰু ৰাকেশ পালে।সেই সময়ৰ কলংকিত কংগ্ৰেছ দলৰ লগত এতিয়া কিছুমান Communist আৰু জাতীয়তাবাদী লগ খাই অসমীয়া জাতিক ৰক্ষা কৰিম বুলি সোণাপুৰৰ নিচিনা ঠাইত Resort Politics আৰম্ভ কৰিছে।

................. সদনত হুলস্থূল..................

আজি আমাৰ চৰকাৰে কোনো কেলেংকাৰী নকৰাকৈ ডেৰ লাখ যুৱক-যুৱতীক চাকৰি দিছে।

..........................সদনত হুলস্থূল.............

**माननीय অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১৭ ফেব্ৰুৱাৰি

তাৰিখে আমাৰ বি টি চি ৰ বিধান সভাত অসম বিধান সভাৰ যি অধিৱেশন অনুস্থিত হৈছিল, সেই অধিৱেশনত মাননীয় মুখ্যমন্ত্ৰীয়ে Retired Justice মাননীয় বি.কে শৰ্মাৰ নেতৃত্বত গঠিত এজনীয়া বিচাৰ পীঠৰ ২০১৩ চনৰ APSC পৰীক্ষাৰ কেলেংকাৰীৰ প্ৰতিবেদন দাখিল কৰা হৈছিল আৰু সেই প্ৰতিবেদনৰ ভিত্তিত আজি মাননীয় সদস্য মানৱ ডেকা ডাঙৰীয়াই Under Rule (50) ত আলোচনাৰ বাবে আনিছে। APSC পৰীক্ষাৰ কেলেংকাৰীৰ সন্দৰ্ভত যিখন প্ৰতিবেদন মাননীয় মুখ্যমন্ত্ৰীয়ে দাখিল কৰিলে সেই প্ৰতিবেদন খনৰ বিষয়ে আজি ইয়াত আলোচনা কৰিব দিয়াৰ বাবে মাননীয় অধ্যক্ষ মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো। যদিও আমি গোটেই প্ৰতিবেদন খন পঢ়িব পৰা নাই এটা কথা আমি অনুমান কৰিব পাৰিছো বা সেই প্ৰতিবেদনৰ ভিত্তিত এটা কথা আমি অৱগত হৈছো যে সেই সময়ত মাননীয় অধ্যক্ষ মহোদয় অসম লোক সেৱা আয়োগৰ যি APSC ৰ পৰীক্ষা হৈছিল, সেই পৰীক্ষাত কেলেংকাৰী যে সংঘটিত হৈছিল সেইটো নিশ্চিত। সেইটো ইতিমধ্যে প্ৰমানো হৈছে। ইতিমধ্যে মাননীয় সদস্য মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াই তাত কৈছে যে প্ৰায় আঢ়ৈ বছৰতকৈও অধিক সময় এই প্ৰতিবেদন দাখিল নকৰাৰ যিটো কাৰণ উত্থাপন কৰিছে, মই ভাবো যে ২০১৩ চনৰ পিছত সংঘটিত হোৱা এই কেলেংকাৰীটো আজি ১০ বছৰ পিছত হ'লেও যিহেতু এই প্ৰতিবেদনখন আজি উপস্থাপন কৰিলে বা সেই সময়ৰ ১৭ তাৰিখে উপস্থাপন কৰিলে ইয়াৰ আমি সেই সম্পৰ্কত কেতিয়া, কিয় পলম হ'ল সেই কথাটো আলোচনা নকৰি আমি বিশেষ ভাবে ইয়াৰ যিহেতু সত্য কথাটো পোহৰলৈ আহিল, গতিকে আমি সেই কথাখিনিহে আলোচনা কৰা উচিত। পলম হৈছে, সোনকালে হৈছে, এই কথাবিলাক আমি আলোচনা কৰাটো উচিত নহয়। গতিকে মই ভাবো যে সেই সময়ত যিটো সময়ত APSC কেলেংকাৰী হৈছিল, সেই কেলেংকাৰী সম্পৰ্কত বৰ্তমানৰ আমাৰ বি জে পি নেতৃত্বাধীন মিত্ৰজোটৰ চৰকাৰখনে ইতিমধ্যে এই কথাটো যেতিয়া মাননীয় মুখ্যমন্ত্ৰী অৱগত হ'ল, সেই সময়তে কেতবোৰ তেখেতে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। তাৰ বাবে মই মাননীয় মুখ্যমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰিছো। কিন্তু আমাৰ যিখিনি ইতিমধ্যে action হ'ল বা আমাৰ Rtd. Justice Biplab Kumar Sharma ডাঙৰীয়াৰ প্ৰতিবেদনত যিখিনি কথা উল্লেখ কৰা হৈছে, সেই কথাখিনি আমি প্ৰকৃতাৰ্থত কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত আমাৰ বৰ্তমান বা অনাগত দিনত কি ধৰণে ব্যৱস্থা গ্ৰহণ কৰিব, সেই সম্পৰ্কত নিশ্চয় আমি আমাৰ সদন অৱগত হোৱাটো উচিত। এতিয়া সেই সময়ৰ যিটো কেলেংকাৰী হৈছিল, সেই কেলেংকাৰীটো মই ভাবো যে এনেকুৱা কেলেংকাৰী অসমৰ ইতিহাসত হোৱা নাছিল। আৰু সেই সময়ত যি জনক APSC ৰ সভাপতি হিচাবে নিযুক্তি দিছিল, কি ভাবে নিযুক্তি দিছে সেই সম্পৰ্কত মই ক'ব নাযাওঁ আৰু সেই সম্পৰ্কত ইতিমধ্যে Rtd. Justice Biplab Kumar Sharma ডাঙৰীয়াই গোটেই কথাখিনিয়ে ইতিমধ্যে তেওঁৰ প্ৰতিবেদনত উল্লেখ কৰিছে। গতিকে আমি ভাবো যে APSC ৰ নিচিনা এটা Independent Body যি ধৰণে Committee খন গঠন হ'ব লাগে, যিটো procedure ত Committee গঠন হ'ব লাগে সেই সময়ত কিন্তু সেই procedure ত follow কৰা নাই, সেই কথাটো আমি প্ৰতিবেদনত পাইছো। গতিকে মই ভাবো যে সেই সময়খিনি অসমৰ ইতিহাসত এটা ক'লা অধ্যায় হিচাবে নিশ্চয় এইটো লিখিত ভাবে থাকিব। গতিকে মই ভাবো যে আমাৰ APSCৰ সেই সময়ৰ কেলেংকাৰীৰ মুল নায়ক আছিল ৰাকেশ কুমাৰ পাল, আৰু ৰাকেশ কুমাৰ পাল ডাঙৰীয়াই সেই সময়ত কি ভাবে কেনেধৰণে এই পৰীক্ষাটো manipulate কৰি কেনেদৰে malpractice ৰ আশ্ৰয় লৈ সেই সময়ত সেই মেধাবী আমাৰ যি সকল যুৱক যুৱতী পাৰ্থী আছিল সেই সকলক কি ভাবে বঞ্চিত কৰি আজি

তেনেকে manipulate কৰি আমাৰ যিটো answerscript manipulate কৰি কেনেধৰণে নিযুক্তি দিছিল, এই গোটেই কথাবিলাক আজি কিন্তু পোহৰলৈ আহিছে। মই ভাবো যে অনাগত দিনত এনেধৰণৰ যাতে ক'লা অধ্যায়ৰ সূচনা নহয় আৰু মই জানো যে বৰ্তমানৰ বি জে পি নেতৃত্বাধীন মিত্ৰজোটৰ চৰকাৰখনে আজি নিযুক্তিৰ ক্ষেত্ৰত যি স্বচ্চ আৰু নিকাৰে আজি নিযুক্তি দিয়াৰ বাবে ব্যৱস্থা লৈছে মই ভাবো আমাৰ যি সকল মেধাৱী যুৱক-যুৱতী আছে, সেই মেধাৱী যুৱক যুৱতী সকলে এতিয়া অনুগ্ৰহ কৰিছে যে আমি নিশ্চয় মেধাৰ ভিত্তিত নিযুক্তি পাবৰ কাৰণে সক্ষম হৈছো আৰু মেধাৰ ভিত্তিত যে চৰকাৰে বিভিন্ন যি বিভাগ আছে, এই বিভাগত যে এইখন চৰকাৰে নিযুক্তি দিছে, আজি সেই কথাটো আমাৰ যুৱক যৱতী সকলে উপলব্ধি কৰিবৰ কাৰণে সক্ষম হৈছে। গতিকে মই ভাবো যিখন প্ৰতিবেদন দাখিল কৰিলে এই প্ৰতিবেদনৰ ভিত্তিত চৰকাৰ কঠোৰ হোৱা উচিত। চৰকাৰে এই প্ৰতিবেদনৰ ভিত্তিত যাতে অনাগত দিনত বিহীত ব্যৱস্থা গ্ৰহণ কৰে, সঠিক ব্যৱস্থা গ্ৰহণ কৰে তাৰ বাবে মই ৰাজ্য চৰকাৰক অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া অখিল গগৈ।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আজি যিটো বিষয় আলোচনা হৈছে, সেই বিষয়টো মোৰ জীৱনৰ লগত জড়িত এটা বিষয়। এই বিষয়টোৰ কাৰণে APSC ৰ তদন্ত হ'ব লাগে বুলি মই দুবাৰকৈ জেললৈ গৈছিলো আৰু প্ৰায় তিনিমাহ সময় জেলত কটাবলগীয়া হৈছিল, গুৱাহাটীৰ জেলত। ২০১৫ চনৰ জুন আৰু আগষ্টত দুবাৰ জেললৈ গৈছিলো। এই বিষয়টোৰ ওপৰত মই এখন PILকৰিছিলো ১৭ জুলাই, ২০১৫ চনত আৰু ১৫ October ৰ তাৰিখে এই PIL ৰ verdict দি APSC ৰ কেলেংকাৰীৰ তদন্ত হ'ব লাগে বুলি গুৱাহাটী হাইকোৰ্টৰ Chief Justice য়ে ঘোষণা কৰিছিল আৰু তাৰ ভিত্তিতে তদন্ত বিলাক আৰম্ভ হৈছিল। মই দিয়া PIL ৰ কাৰণেই গোটেই বহীবিলাক সংৰক্ষিত কৰিবলৈ দিয়া নিৰ্দেশৰ ফলস্বৰূপেহে কেৱল এই গোটেই তদন্তটো কৰাটো সম্ভৱপৰ হৈছিল। গতিকে গোটেই তদন্ত প্ৰক্ৰিয়াটোৰ লগত মই জড়িত হৈ আছো, আৰু সেই কাৰণে এই বিষয়টোৰ ওপৰত কথা ক'বলৈ পাই মই নিজকে গৰ্ব অনুভৱ কৰিছো। অধ্যক্ষ মহোদয়, গোটেই প্ৰতিবেদনখন আমাৰ B.K. Sharma ৰ প্ৰতিবেদনখন মই thoroughly পঢ়িলো আৰু thoroughly পঢ়োতে ইতিমধ্যে কেইটামান খুব ধুনীয়াকৈ আমাৰ Treasury Bench ৰ মানুহে ভুৱন পেগু ডাঙৰীয়া, যদিও তেওঁলোকৰ বিৰুদ্ধে মই কথা কওঁ কিন্তু আজি খুব ধুনীয়াকৈ APSCৰ কেলেংকাৰীটোৰ details বিলাক কেনেকুৱা ধৰণৰ এটা - horror ধৰণৰ এটা ঘটনা ঘটিছিল। সেই কথা বিলাকৰ details এটা বৰ্ণনা দিছে। গতিকে সেই বৰ্ণনাটো মই দিবলৈ নাযাওঁ কিন্তু দুটা মুল কথা মই আঙুলিয়াই দিওঁ যে এই গোটেই কেলেংকাৰীটো কেনেকুৱা আছিল বুলি যদি কওঁ তাত একেবাৰে specifically কৈ দিছে যে এই কেলেংকাৰীটোৰ আচল ৰূপটো কেনেকুৱা? কৈছিল যে basic point- irrespective of such an argument the basic point is that the grievance of the charge in the present case is not in regard to the tempt which is attached to a specific group of persons, but to the sanctity of the recruitment process as a whole. Needless to say that when the credibility of the entire CCE 2013 vitiated by systemic illegality, the issue then is not about seeking to identify the candidates who are attending. The nature of the malpractices and fraud, perpetuated in CCE 2013 as re-

corded in this report based on evidence, demolised the very credibility of the process of selection itself and to what extent it had eroded. আৰু এই কথা কেইটা কৈ কমিটিখনে এটা recommendation দিছে recommendation টো দি কৈছে যে in the above circumstances, it is now for the Government of Assam to take a call and decide as to whether the entire CCE 2013 selection should be set aside and also whether there should be an investigation in respect of atleast CCE 2014. The kind of shocking unconsiderable malpractices that were resorted to by Shri Rakesh Kr. Paul, and his coterie deserves such kind of consideration to bring back public confidence in APSC. মুল কথাটো হ'ল তেখেতে কৈছে যে এইটো সৰু সুৰা কেলেংকাৰী নহয়। গোটেই চিচষ্টেমটো ভাঙি চিঙি পেলোৱা কেলেংকাৰী। আমি ক'বই লাগিব যে আমাৰ অসমৰ ইতিহাসৰ আটাইতকৈ বেয়া কেলেংকাৰীটোৰ নাম হ'ল APSC কেলেংকাৰী, আৰু আটাইতকৈ এই বেয়া কেলেংকাৰীটো সংঘটিত কৰাৰ ক্ষেত্ৰত কৈছে যে এই চিচষ্টেমটো এনেকুৱা ধৰণে ভাঙি পেলোৱা কাৰ্য্যটোক মাফিয়াৰাজ বুলি কয়। APSCত এনেকুৱা ধৰণৰ মাফিয়াৰাজ হৈছিল যে ইয়াত কোনজন মানুহে গণ্ডগোল কৰিছিল, কোনজন প্ৰাৰ্থীক জেইল দিব লাগে, কোনজন দোষী সেইটো important কথা নহয়। গোটেই চিচষ্টেমটো গণ্ডোগোল হৈছিল। গতিকে এই নিযুক্তিৰ দ্বাৰা যিবিলাক মানুহ উপকৃত হৈছিল, যিবিলাকক চাকৰি দিছিল, সকলোৰে চাকৰি নাকচ কৰি দিয়াটো উচিৎ বুলি ইয়াত ৰিপোৰ্ট দিয়া হৈছে। মই ভাবো অধ্যক্ষ ডাঙৰীয়া মই ভাবো ৰিপোৰ্টটোৰ সম্পৰ্কে যিয়েই আলোচনা নকৰো লাগিলে আটাইতকৈ লজিকেল কনক্লুজনত আমি বিধান সভা আহিব লাগিব সেইটো হ'ল যে, ২০১৩ , ২০১৪ চনৰ চিচিইৰ পৰা যিখিনিয়ে নিযুক্তি লাভ কৰিছিল তেওঁলোক সকলোৰে এতিয়া নিযুক্তি বাতিল কৰা হ'বনে নহয়? নাম্বাৰ ওৱান- যদি এইটো সিদ্ধান্ত লোৱা নহয় তেতিয়া হ'লে ট্ৰেজাৰী বেঞ্চে যিবিলাক লম্ফ- জম্ফ কৰিছে - তেওঁলোকে যিবিলাক সঠিক কথা কৈছে । সেই কথাবিলাকৰ কোনো মুল্য নাথাকিব । গতিকে মই, আশা কৰিম ট্ৰেজাৰী বেঞ্চ আৰু আমাৰ বিৰোধী গোটেইবিলাকে লগ লাগি আজি আমি এটা প্ৰস্তাৱ লওঁ যে ২০১৩, আৰু ২০১৪ চনৰ চিচিই পৰীক্ষাত যিসকলে পাছ কৰি চাকৰি পাইছিলে আৰু ৰাকেশ পালৰ দিনত যিমানে চাকৰি পাইছিলে এই আটাইবিলাকৰ চাকৰি আজিৰ বিধান সভাতে নাকচ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হওঁক । অধ্যক্ষ ডাঙৰীয়া , কিমান মানুহে চাকৰি পাইছিলে - ২০১৩ চনত এপইন্টমেন্ট দিছিলে - চিচিইৰ ২৪১ জন, ২০১৪ চনত এপইন্টমেন্ট দিছিলে ১৮০ জন আৰু বাকী অন্যান্য পোষ্টবিলাকত চাকৰি দিছিলে ২১০ জন , ৰাকেশ পালৰ দিনত আৰু টোটেল ৬৩১ জনক চাকৰি দিছিলে। অধ্যক্ষ ডাঙৰীয়া, আমি আটাইতকৈ গুৰুত্বপূৰ্ণ কথা মনত ৰখা দৰকাৰ যে এই চাকৰি দিয়া মানুহবিলাক সৰু সৰু পোষ্টত নাই । তেওঁলোকে এতিয়া এডিশ্যনেল এচ পি, এডিচি বা ডিচি বা এচ পি এই পৰ্য্যায়লৈ গুছি গৈছে নহ'লে কটন কলেজৰ এচিচটেন্ট প্ৰফেছৰ হৈছে , নহ'লে এগ্ৰিকালচাৰ ইউনিভাচিটিৰ এচিচটেন্ট প্ৰফেছৰ হৈছে । এই পৰ্য্যায়ৰ হাই লেভেল মানুহ - গতিকে মই ভাবো যে, চিষ্টেমটোক যদি বছাব লাগে আমি এওঁলোকৰ নিযুক্তি বাতিল কৰাৰ সিদ্ধান্ত আজি গ্ৰহণ কৰিব পাৰিবই লাগিব। এতিয়ালৈকে অধ্যক্ষ ডাঙৰীয়া এতিযলৈ ২০১৩ চনৰ এৰেষ্ট হৈছে মাত্ৰ ৪৩ জন আৰু তাৰে ৭৫ জনৰ বিৰুদ্ধে চাৰ্জশ্বীট এতিয়ালৈকে দিয়া হৈছে । ২৪১ জনৰ ভিতৰত ৭৫ জনৰ বিৰুদ্ধে চাৰ্জশ্বীট

দিয়া হৈছে । ২০১৪ চনত এৰেষ্ট হৈছে ২২ জন অথচ কেণ্ডিডেট আছিলে ১৮০ জন আৰু এজনৰো চাকৰি ২০১৪ চনত খোৱা নাই । ২০১৩ চনৰ চাকৰি খাইছিলে , চাচপেনশ্যন কৰিছিলে এতিয়ালৈকে ১৯ জন কিন্তু অধ্যক্ষ ডাঙৰীয়া এই চাচপেনশ্যনটো Stay কৰি দিছে । চৰকাৰে যদিও তেওঁলোকৰ চাকৰি বৰ্খাস্ত কৰিছিলে, কিন্তু কোৰ্টে কৈ দিলে নাই, তেওঁলোকৰ চাকৰি বৰ্খাস্ত কৰিব পৰা নাযাব- কি কাৰণে, তাৰ ৰিপোৰ্টটো মই এইকেইদিন, কোৰ্টৰ গোটেই অৰ্ডাৰ কেইটা, অধ্যক্ষ মহোদয়, মই এটা এটাকৈ পঢ়িছিলো। আৰু অধ্যক্ষ মহোদয়, পঢোতে মোৰ অনুভৱ হৈছিলে যে অকল এ পিএচ চি কেলেংকাৰীটোৱে কেলেংকাৰী নহয় । এ পিএচ চি কেলেকাৰী তদন্ত কৰাটোও এটাও ডাঙৰ কেলেংকাৰী । যিবিলকক দোষী সাব্যস্ত কৰি খেদিব লাগে বুলি কৈছিলে তেওঁলোকক নেখেদি ৰক্ষণা- বেক্ষণ দিয়াটোও এটা ডাঙৰ কেলেংকাৰী। তিনিটা কেলেংকাৰী এ পি এচ চিক লৈ চলি আছে অধ্যক্ষ ডাঙৰীয়া। আপোনালোকে যদি চায় গুৱাহাটী হাই কোৰ্টৰ অৰ্ডাৰ, Single Bench কৈছিলে যে নহয় , এই ১৯ জনৰ চাকৰি তোমালোকে খাব নোৱাৰিবা । এজনী প্ৰিয়ংকা দাস নে আন কিবা এই ছোৱালীজনীৰ চাকৰিও তোমালোকে খাব নোৱাৰিবা, তোমালোকে প্ৰচিডিওৰ লেপচ্ কৰিছা । তেতিয়া এই অৰ্ডাৰটোত গুৱাহাটী হাই কোৰ্টে বাৰংবাৰ কৈছে যে, পেৰা - ২৯, ৩০, ৩২, ৩৩, ৩৬ এই টো অৰ্ডাৰ যিদিনা দিছিলে, সেইদিনা মাত্ৰ কেইদিনমান আগতে, ১৯ ফেব্ৰুৱাৰী ২০২৫ তাৰিখে অৰ্ডাৰ দিওতে কৈছে যে, অসম চৰকাৰে ইচ্ছকৃতভাৱে বাৰংবাৰ কৈ থকাৰ পিচতো এই মানুহ কেইজনৰ চাকৰি কিয় খাব নালাগে তাৰ ওপৰত কাউন্টাৰ Affidavit দিব লাগে বুলি কোৱাৰ পিচতো অসম চৰকাৰে এতিয়াও কাউন্টাৰ Affidavit দিয়া নাই। বি.কে শৰ্মাৰ যিটো ৰিপোৰ্ট এইটো কোৰ্টে জমা দিবলৈ কৈছে যে এইটো জমা দিলে আমি একশ্যন ল'ব পাৰিম। এই ৰিপোৰ্টটো কোৰ্টে জমা দিবলৈ কোৱাৰ পিচতো চৰকাৰে জমা দিয়া নাই। আজি যদি সচাঁকৈয়ে অসম চৰকাৰৰ লগত জড়িত থকা মানুহবিলাক এই কেলেংকাৰীটোৰ লগত জড়িত নাই , আজি সিদ্ধান্ত ল'ব যে, এ পি এচ চি কেলেংকাৰীত নিযুক্তি হোৱা সকলো কৰ্মচাৰীৰ চাকৰী খোৱা হ'ব ।

(সদনত হুলস্থুল - বাদ- বিবাদ)

**শ্ৰীভূৱন পেগু, জোনাই ঃ** সেই সময়ত যিটো পাৰ্টিয়ে চাকৰী দিছিলে সেইটো পাৰ্টিকো নাকচ কৰা হওঁক।

**শ্ৰীদেবব্ৰত শইকীয়া, বিৰোধী দল দলপতি ঃ** অধ্যক্ষ মহোদয়, এনেকুৱা কথা কয় নেকি ? অধ্যক্ষ মহোদয় আপুনি উত্তৰটো দিয়ক।

(সদনত হুলস্থুল - বাদ- বিবাদ- কাৰো মাত শুনা নাযায় )

**माननीय অধ্যক্ষ ঃ** প্লিজ অনাৰেবল্ মেম্বাৰ - প্লিজ । ক'বলৈ দিয়ক। অখিল গগৈ এক মিনিট আছে, কওক।

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ ঃ** অধ্যক্ষ ডাঙৰীয়া, এই এ. পি. এচ. চি কেলেংকাৰীৰ তদন্ত হ'ব লাগে। এই বিষয়ে কোৰ্টে দুটা সিদ্ধান্ত চৰকাৰক ল'বলৈ দিছে এক নম্বৰটো হ'ল- গোটেইবিলাকৰ চাকৰি বৰ্খাস্ত কৰাৰ বাবে চৰকাৰে সিদ্ধান্ত ল'ব লাগে । আৰু দুই নম্বৰটো হ'ল যে, কোনে এই গোটেই কেলেংকাৰীটো কৰিলে তাৰ ওপৰত চিবিআই তদন্ত কৰিব লাগে বুলি চৰকাৰে সিদ্ধান্ত ল'ব লাগে।

**মাননীয় অধ্যক্ষ ঃ** হ'ব --- এতিয়া দূৰ্গাদাস বড়ো ।

**শ্ৰীদূৰ্গাদাস বড়ো, (কলাইগাওঁ) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মোক ক'বলৈ তিনিমিনিট সময়

দিয়া বাবে মই ধন্যবাদ দিছো। বিধায়ক মানব ডেকা ডাঙৰীয়াই মাননীয় মুখ্যমন্ত্রী ডঃ হিমন্ত বিশ্ব শৰ্মা দেবৰ যিটো প্ৰস্তাৱ যে তদন্ত আয়োগৰ প্ৰতিবেদন দুখনৰ ওপৰত আলোচনাৰ সুযোগ দিয়াৰ বাবে মুখ্যমন্ত্রী ডাঙৰীয়াক মই ধন্যবাদ জ্ঞাপন কৰিছো কাৰণ হয়তো আন বেলেগ চৰকাৰ হোৱাহেতেঁন এই বিষয়টো আলোচনাৰ বাবে নিদিলেহেতেঁন আৰু হয়তো জোৰ জুলুমকৈ হাউচত পাছ কৰাই ল'লেহেঁতেন । মাননীয় মুখ্যমন্ত্রী ডাঙৰীয়াই যিদিনাখন সৎ সাহসেৰে এই সদনত কৈছিলে সেই দিনাখনেই মই ভাবি থকা কথা এটা ক'বলৈ পাম বুলিয়েই অধ্যক্ষ মহোদয়ৰ পৰা তিনি মিনিট লৈছো । যিটো বিষয়ৰ ওপৰত ইতিমধ্যে এগৰাকী সদস্যই কৈ গৈছে যে লাষ্ট ৰিক'মেণ্ডেশ্যন যিটো আছিলে এই ৰিপোৰ্টৰ ওপৰত সেই বিষয়ে মই ক'ব বিচাৰিছো । এই ৰিক'মেণ্ডেশ্যনৰ ওপৰত বহু কথা কৈছে আৰু সেই কথাখিনি হয়তো বহুতো ৰৌ বৰালি সাৰি যোৱাৰ শৰ্মা কমিটিও উপলব্ধি কৰিছে সেই কাৰণে মই ভাবো যে, ২০১৩ আৰু ২০১৪ চনৰ যি দুটা বেটছত ২৪১ জন আৰু ১৪০ জন বিষয়া আছে , তাৰ ওপৰিও আৰু ২১০ গৰাকী অন্যান্য বিষয়াও আছে গতিকে সেই সময়ত এই ৬০০ ৰো অধিক বিষয়াক অন্যায়ভাৱে নিযুক্তি দিয়া হৈছিল । গতিকে মই বিচাৰিছো যে মাননীয় মুখ্যমন্ত্রী ডাঙৰীয়াই যিটো সৎ সাহসেৰে এই প্ৰতিবেদনখনৰ ওপৰত আলোচনা দিছে তেখেতক ধন্যবাদ জনাই সেই বিষয়টোত যাতে মুখ্যমন্ত্রী ডাঙৰীয়া আৰু তেখেতৰ চৰকাৰে দৃষ্টি ৰাখে যে ২০১৩ আৰু ২০১৪ চনৰ একে ঘৰৰ ১৩ গৰাকী মানুহে এপইন্টমেন্ট পাইছে। এইটো চাগে পৃথিৱীত ক'তো হোৱা নাই। কিন্তু যিসকলে চাকৰি পাইছে বা কেনেকৈ পাইছে তাৰ ওপৰত বাকী বিলাকৰ নিচিনকৈ তদন্ত হোৱা উচিত ইয়াৰে ১৩ গৰাকীয়ে মোৰ গৃহ জিলাতে পাইছে । মই বিচাৰো যে মোৰ গৃহ জিলাৰ সেই শিক্ষিত পৰিয়ালটোৰ ওপৰত তদন্ত বিচাৰো । ধন্যবাদ ..।

**শ্ৰী সুশান্ত বৰগোহাই, (থাওৰা)ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আজি অৱসৰ প্ৰাপ্ত ন্যয়্যাধীশ শ্ৰী বিপ্লৱ কুমাৰ ডাঙৰীয়াৰ যিখন প্ৰতিবেদন আমাৰ মাননীয় মুখ্যমন্ত্রী ডাঙৰীয়াই যোৱা ১৭ ফেব্ৰুৱাৰী,২০২৫ত কোকৰাঝাৰত অনুষ্ঠিত হোৱা অসম বিধান সভাৰ অধিবেশনত দাখিল কৰিছিল তাৰ ওপৰত মই দুআষাৰ ক'ব বিচাৰিছো। এই বিষয়ে ইতিমধ্যে বহুতে নিজৰ নিজৰ দৃষ্টি ভংগীৰ পৰা বহুখিনি কথাই কৈছে। কোনোবাই Marx- Lenin ৰ Perspective ত কৈছে, কোনোবাই নিজৰ নাম থকাৰ পিছটো এযাৰ কৈছে। কিন্তু আমি চাব লাগিব যে এই প্ৰতিবেদন খন সদনৰ মজিয়াত দাখিল কৰিব পৰাৰ কাৰণটো হৈছে যে, আমি এই প্ৰতিবেদন খনৰ ওপৰত বিষদ আলোচনা হোৱাটো বিচাৰিছো আৰু এইটো এই কাৰণে প্ৰয়োজন যে ...........( হুলস্থুল)............।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ** এই প্ৰতিবেদন খন ৬ মাহৰ ভিতৰতে দাখিল কৰিব লাগিছিল কিন্তু আজি ৩ বছৰৰ পিচতহে এই খন দাখিল কৰিছে।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় অখিল গগৈ ডাঙৰীয়া আপুনি বহক।

**শ্ৰী সুশান্ত বৰগোহাই, (থাওৰা)ঃ** অখিল গগৈ ডাঙৰীয়াই ইয়াত আৰু এটা কথা যোগ দিলে ভাল হয় যে তেখেতে কোৱাৰ দৰে ৩ বছৰৰ পিছতে এইখন দাখিল কৰা হৈছে আৰু ইয়াত মোৰ নামো আছিল সেইটো সদনত কৈ দিলে ভাল হয়।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ** মোৰ ওপৰটো CBI ৰ তদন্ত হোৱাটো বিচাৰিছো।

**শ্ৰী সুশান্ত বৰগোহাই, (থাওৰা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰতিবেদন খন আলোচনা হোৱাৰ এইটোয়ে প্ৰধান কাৰণ যে ভৱিষ্যতে যাতে এনেকুৱা ধৰণৰ ঘটনাৰ পুনৰাবৃত্তি নহয় কাৰণ যি সকল দুখীয়া ঘৰৰ ল'ৰা- ছোৱালীয়ে মাক-দেউতাকৰ কষ্টৰ পইচা খৰছ কৰি APSC ৰ পৰীক্ষাত

পৰীক্ষাৰ পিছত পৰীক্ষা দিব লগীয়া হয় আৰু বাৰে বাৰে লিখিত পৰীক্ষাত পাছ কৰাৰ পিছটো মৌখিক পৰীক্ষাত ফেইল কৰে আৰু তেওঁলোকে জানে যে তেওঁলোকতকৈ বহুত কম মেধাবী লৰা-ছোৱালীয়ে চাকৰী পাই অকল অৰ্থনৈতিক অৱস্থাৰ ফলত। এনেকুৱা পৰিৱেশ ভৱিষ্যতে যাতে নহয় তাৰ বাবে এই প্ৰতিবেদনৰ ওপৰত আলোচনা হোৱাটো অতিকে জৰুৰী আৰু এই প্ৰতিবেদন খনত ক'ত কি আছে তাক পুংখানুপুংখ ভাৱে আলোচনা কৰিব দিয়াৰ বাবে মই অধ্যক্ষ মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো। ইতিমধ্যে এই প্ৰতিবেদনখনৰ ওপৰত বিস্তৃত ভাৱে আলোচনা হৈছে। কিন্তু আমি যদি আজি অকল সেই সময়ৰ সেই দোষী বিষয়া সকলক শাস্তি দিয়াৰ কথা আলোচনা কৰো আৰু ভৱিষ্যতে যদি এনেকুৱা ঘটনাৰ পুনৰাবৃত্তি হয় তেতিয়া হ'লে আমি কেতিয়াও দায় সাৰিব নোৱাৰিম। গতিকে এনেধৰণৰ প্ৰক্ৰিয়া যাতে অসমত চিৰদিনৰ কাৰণে বন্ধ হয় আৰু আজি যি বিলাক ল'ৰা-ছোৱালীয়ে অসম চৰকাৰৰ চাকৰি পাইছে আৰু অসম চৰকাৰৰ ওপৰত তেওঁলোকৰ যেনে ধৰণৰ বিশ্বাস বঢ়িছে অৰ্থাৎ যদি বৰ্তমান সময়ত ভাল দৰে পঢ়া শুনা কৰা যায় তেতিয়া হ'লে কোনো মন্ত্ৰী-বিধায়ক আৰু ৰাকেশ পালৰ নিচিনা মানুহৰ ঘৰত নোযোৱাকৈ চাকৰী পাব পাৰি। সেইকাৰণে আজিৰ নতুন প্ৰজন্ম ৰাজনৈতিক পথাৰ খনৰ পৰা দূৰত আছে তেওঁলোকে নিজকে প্ৰতিষ্ঠিত কৰিবৰ বাবে। এই অসম খনক আগুৱাই নিবলৈকে যি সকলে সপোন দেখিছে, ভঙা পঁজাৰ তলত থাকি অসম চৰকাৰৰ চাকৰীৰ বাবে নিজকে প্ৰস্তুত কৰিছে। এটা সময়ত সেইসকলে মন্ত্ৰী বিধায়কৰ আশীৰ্বাদ নোহোৱাকৈ সাধাৰণ চাকৰী এটা পোৱাটো সম্ভৱ নাছিল। আজি অসম äÂßÁË1 › ¶ûþ১.৫ লাখ চাকৰী দিয়াৰ কাম সম্পূৰ্ণ কৰিলে আৰু আজি আমাৰ ঘৰৰ লৈকে কোনো তেনেধৰণৰ প্ৰাৰ্থী অহা নাই।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ** APSC ৰ ওপৰত আলোচনা হ'ব লাগে। অৰ্থাৎ মূল বিষয়টোৰ ওপৰত আলোচনা হ'ব লাগে।

**শ্ৰী সুশান্ত বৰগোহাই, (থাওৰা)** ঃমাননীয় অধ্যক্ষ মহোদয়, আমি যদি মূল বিষয়টোৰ ওপৰত আলোচনা কৰিবলৈ যাওঁ তেতিয়া হ'লে অখিল গগৈৰ নামো সাঙুৰ খাই আছে। এইবিলাক ব্যক্তিগত বিষয় আলোচনা কৰিবলৈ যোৱাটো সমিচীন নহয়। মই ইয়াত মাত্ৰ ব্যৱস্থাটোৰ কথাহে কৈ আছো।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় সদস্য আপোনালোকে বহক।

**শ্ৰী সুশান্ত বৰগোহাই, (থাওৰা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, Marx- Lenin ৰ Perspective ৰে চালে ২০১৩-১৪ মনত পৰিব।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ** APSC ৰ ২০১৩-১৪ টো বাতিল হ'ব নে নাই।

**শ্ৰী সুশান্ত বৰগোহাই, (থাওৰা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ২০১৩-১৪ চনতে যদি লাগি থাকে সেইটোই এই ব্যৱস্থাটো নাইকিয়া কৰিব নোৱাৰে। আমাৰ মূল কথাটো হৈছে যে বক্ৰ পথেৰে চাকৰি লোৱাটো বন্ধ হ'ব লাগে।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ** আপোনাৰো candidate আছে তাৰ মানে।

**শ্ৰী সুশান্ত বৰগোহাই, (থাওৰা)** ঃমাননীয় অধ্যক্ষ মহোদয, বিধান সভাই কাৰো চাকৰী নোহোৱা কৰিব নোৱাৰে। সদনত যি খন প্ৰতিবেদন দিয়া আছে তাত ঘোচ লোৱাৰ ক্ষেত্ৰত মোৰ নামটো নাই কিন্তু অখিল গগৈৰ নামটো আছে। সেই সময়ত অখিল গগৈ ডাঙৰীয়াই আন্দোলন কৰি চাকৰী দিব পৰা অৱস্থাত আছিল।

**শ্ৰী আমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং)** ঃ আপুনি সেই সময়ত কংগ্ৰেছত আছিলে সেই কাৰণে আপুনি সেই সকলক বচাব বিচাৰিছে।

**শ্ৰী সুশান্ত বৰগোহাই, (থাওৰা)** ঃ কংগ্ৰেছত থকা আৰু নথকাটো ডাঙৰ কথা নহয়।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ আপোনাৰ Candidate কেইজন আছিল কওঁক।

**শ্ৰী সুশান্ত বৰগোহাই, (থাওৰা)** ঃ ইয়াত প্ৰধান সমস্যাটো হৈছে ৰাকেশ পালৰ জড়িয়তে চাকৰি পোৱা আৰু সেইসময়ৰ মেধাসম্পন দুখীয়া ল'ৰা ছোৱালী সকলৰ মানসিক ভাৰসাম্য নোহোৱা হোৱা, তেওঁলোকৰ সপোন ভংগ হোৱা। এনেকুৱা ব্যৱস্থাৰ বিৰুদ্ধেহে আমি কথা পাতি আছো ধন্যবাদ।

**শ্ৰী অশোক সিংহাল, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয় ইয়াতে যে উল্লেখ কৰিলে অখিল গগৈ ডাঙৰীয়াৰ নামো আছে সেইটো সঁচা নে?

**মাননীয় অধ্যক্ষ** ঃ হ'ব হ'ব। এইবাৰ মাননীয় বিৰোধী দলপতি শ্ৰী দেৱব্ৰত শইকীয়া ।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলপতি** ঃ মাননীয় অধ্যক্ষ মহোদয়, ২০১৩-১৪ বৰ্ষৰ Combined Competitive Examination 2013-14 সন্দৰ্ভত মাননীয় গুৱাহাটী উচ্চ ন্যায়্যালয়ৰ অৱসৰ প্ৰাপ্ত ন্যায়্যধীশ শ্ৰী বিপ্লৱ কুমাৰ শৰ্মা ডাঙৰীয়া দেৱৰ তদন্তৰ যি দুখন প্ৰতিবেদন সদনত দাখিল কৰা হৈছিল আৰু আজি তাৰ ওপৰত মাননীয় সদস্য শ্ৰী মানৱ ডেকাই Under Rule 50 ৰ অধীনত যিটো প্ৰসংগ উত্থাপন কৰিলে তাৰ বাবে তেখেতক ধন্যবাদ দিয়াৰ লগতে এই আলোচনাত অংশ গ্ৰহণ কৰা সকলোকে মই ধন্যবাদ জনাইছো। এই APSC ৰ কেলেংকাৰী প্ৰসংগত যিটো প্ৰায় ১১ শ পৃষ্ঠাৰ তদন্তৰ প্ৰতিবেদন দাখিল কৰা হ'ল তাৰ বাবে যোৱা সময়ছোৱাৰ বহুতকে হিৰো আৰু বহুতকে খলনায়ক বনোৱাৰ এটা চেষ্টা চলি আছে। এইটো এটা দুৰ্ভাগ্য জনক কথা যে ইয়াৰ আগতেও অৱসৰ প্ৰাপ্ত IAS বিষয়া শ্ৰী সুভাষ দাসৰ নেতৃত্বত এখন সমিতি বনোৱা হৈছিল আৰু বিভিন্ন ধৰণৰ PIL দাখিল কৰা হৈছিল আৰু এই APSC কেলেংকাৰীৰ বিষয়ে সংবাদমাধ্যমত প্ৰকাশ পাইছিল যাৰ ওপৰত ভিত্তি কৰি এটা Vigilance Inquiry ২০১৩ বৰ্ষত হৈছিল। আৰু সেই তদন্ত টো হৈ থাকিব লাগে বুলি চৰকাৰৰ পৰা অনুমতি পাইছিল তাৰ ওপৰত গুৱাহাটী উচ্চ ন্যায়্যালয়ে সেই PIL বোৰৰ বাবে হস্তক্ষেপ কৰিছিলে আৰু কেইবাখনো PIL আছিল, সেইবোৰ হ'ল PIL /48 2015, PIL 79,2015 আৰু অন্যান্য বহুতো PIL আছিল। সেইগোটেইবোৰ PIL ৰ ভিত্তিত যি অৱসৰ প্ৰাপ্ত ন্যায়্যাধীশ শ্ৰী বিপ্লৱ কুমাৰ শৰ্মা ডাঙৰীয়া নেতৃত্বত যি তদন্ত আয়োগ হ'ল আৰু সেই আয়োগে আজি বহুখিনি তথ্য আমাক দিলে। লগতে তেখেত সকলে যিটো Terms of Reference দিলে সেই অনুসৰি আমাক সমাধান দিছে কি কৰিব লাগে কি কৰিব নালাগে। আমি বেমাৰ হ'লে যেনেকৈ ডাক্তৰৰ ওচৰলৈ যাওঁ আৰু ডাক্তৰে আমাক Prescription দিয়ে কিন্তু আমি যদি সেইমতে ঔষধৰ দোকানৰ পৰা ঔষধ খিনি আনি নাখাওঁ তাৰ সলনি যদি Prescription খন জেপত লৈ ঘূৰি ফুৰো তেতিয়া হ'লে বেমাৰ কেনেকৈ ভাল হ'ব। গতিকে আমি যদি বিপ্লৱ শৰ্মা আয়োগৰ পৰামৰ্শ খিনি পালন কৰো, তেখেতে কি সমাধান দিছে, তেতিয়া হ'লে যি খিনি কাৰণত PIL হৈছিল আনকি শৰ্মা ডাঙৰীয়াৰ আয়োগ গঠন হোৱাৰ পিছত চৰকাৰে তেখেতক বিপদত পেলাইছিল বুলিও সেই প্ৰতিবেদনৰ কিছুমান পৃষ্ঠাত আছে, যেনে তেখেতক অফিছ দিয়া নাছিল তেখেতক ফাৰ্নিছাৰ দিয়া নাছিল ইত্যাদি ইত্যাদি। গতিকে ইমান খিনি কষ্টৰ পিছটো তেখেতে যি তদন্ত কৰিলে মই ভাবো সেই তদন্ত সাৰ্থক হ'ব। ইয়াৰ লগতে আৰু এটা কথা আহিব যে তদন্ত হ'ব লাগে বুলি যেতিয়া কোৰ্টে ক'লে তেতিয়া অসম চৰকাৰৰ ফালৰ পৰা এখন Review petition দিয়া হৈছিল। ২০১৯ চনত গুৱাহাটী উচ্চ ন্যায়্যলয়ত আৰু এই Review petition ত কোৱা হৈছিল যে যিহেতু ১মাহৰ

ভিতৰত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ মতে তদন্ত আয়োগ হ'ব লাগে, আৰু সেয়া আছিল ২০১৫ চনৰ কথা, ২০১৮-১৯ চনলৈকে চৰকাৰ পৰিৱৰ্তন হোৱাৰ পিছটো যিহেতু Commission of Enquiry হোৱা নাই। সেই গতিকে এই order টো review কৰিব লাগে।

কিন্তু সেই সময়ৰ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ Acting ন্যায়াধীশ গোস্বামী ডাঙৰীয়া আৰু ন্যায়াধীশ চৌধুৰী ডাঙৰীয়াই চৰকাৰৰ কথাখিনি নাকচ কৰিলে আৰু Review Petition খন খাৰিচ কৰি inquiry commission খন হ'ব লাগে বুলি এটা আদেশ দিলে। এই আদেশ ১৪ জুন ২০১৯ ত হ'ল আৰু তাৰ পৰৱৰ্তী জুলাই মাহতে বোধকৰো চৰকাৰে notification দিলে, সেই সময়ৰ Chief Secretary ৰ যোগেদি যিটো Inquiry Commission Act. 1952 অনুসৰি আমাৰ কথাখিনি চাব লাগে বুলি আৰু তাৰ কথাখিনি তদন্ত কৰি থাকোতে তেখেতে বিভিন্ন কথা উন্মোচন কৰিলে আৰু সেই গোটেই বিলাকক লৈ এই report টো হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, এইখিনিৰ মাজতে বেছিকৈ চৰ্চিত হৈছে দুটামান কথা। এজন মুকুল শইকীয়া নামৰ আৰক্ষী বিষয়া, তেখেতে এখন কিতাপো লিখিছে স্বীকাৰোক্তী বুলি আৰু এজন ড° মৃগেন শইকীয়া বুলি। মৃগেন শইকীয়া বোলা জনো অভিযুক্ত আছিল, তেখেতে নিজকে ৰাজসাক্ষী হ'বলৈ CBI court ত, special court বিচাৰিছিল আৰু তেখেতৰ কথাখিনি শুনি CBI court ন্যায়াধীশে তেখেত ৰাজসাক্ষী হোৱাৰ যোগ্য নহয় বুলি কলে। তেতিয়া তেখেতে তাৰ বিপৰীতে গুৱাহাটী হাইকোৰ্টত আবেদন কৰিলে যে তেখেতক ৰাজসাক্ষী বনাব লাগে, এই ঘটনা বিলাকৰ বিষয়ে তেখেতে ক'ব। তেতিয়া গুৱাহাটী হাইকোৰ্টেও তেখেতৰ যিখিনি তথ্য তাক rely কৰিব নোৱাৰি, তেওঁক তথ্য লুকুৱাইছে বা তেওঁক বিভিন্ন ধৰণৰ বিভ্ৰান্তি কৰিছে বুলি, তেখেতক reject কৰিলে। তাৰ পিছত তেখেতে ৩ বছৰ মান অসমৰ পুলিচে বিচাৰি পোৱা নাছিল, পলাই ফুৰিছিল। যেতিয়া Commission of Inquiry হ'ল, তেখেতে আহি কিছুমান কথা কলেহি।

মাননীয় অধ্যক্ষ মহোদয়, যিখিনি তদন্ত হ'ল, তদন্তৰ বিষয়ে নিশ্চয় মাত মাতিব লগা নাই, তাত বহি বিলাকৰ বিষয়ে গোটেই চালে, বহি চাই ক'ত কেনেকৈ বিসংগতি হ'ল, গোটেইখিনি পালে আৰু গোটেইখিনি পাই তাত action ল'ব লাগে বুলিও কৈছে। এতিয়া action লোৱাৰ আগতে অসম চৰকাৰে পুনৰ Chief Secretary আৰু অন্যান্য বিষয়াসকলক লৈ এখন Special Committee ও কৰিলে যে study কৰিব লাগে। অৱশ্যেই আমি প্ৰতিবাদ কৰিছিলো কি study কৰিব লাগে, সেইটো পলম কৰাৰ বিষয় হৈছে বুলি আৰু এই কথাবিলাকৰ কাৰণে সেইসময়ত কিজানি পলম হ'ল। যি কি নহওঁক, এই গোটেই বিলাকৰ মাজত, কথাবিলাকত হ'ল যে ইমান ডাঙৰ এটা report, এই report টোৰ প্ৰতিটো পৃষ্ঠাতে কেনেকৈ নম্বৰ বেছিকৈ দিয়া হ'ল, কি কৰা হ'ল, গোটেইখিনি কথা আছে।

প্ৰথম যেতিয়া তেখেতে ২০১৩ চনৰ inquiry টো কৰিলে, তাত তেখেতে ৬৪৫ পৃষ্ঠা নে কিমানৰ report টো দিলে। পিছৰ বাৰত তেখেতে মাত্ৰ ৪০০ পৃষ্ঠাতকৈও সীমিতত তেখেতৰ কামখিনি কৰিব পাৰিলে। কাৰণ আমিও ভাৱে যে তেখেতে প্ৰথমবাৰ যিখিনি চালে, সেইখিনি কথাই বহুত repeat হ'ল, সেই বাবে তেখেতে ৩৭৮ পৃষ্ঠাতে নিজৰ প্ৰতিবেদন ১২ অক্টোবৰ ২০২৩ চনত জমা দিলে।

প্ৰথমবাৰতে তেখেতে লিখিছিল large scale malpractice হৈছে, corruption হৈছে, fraud হৈছে, at all important civil service examination of 2013 আৰু লগতে অন্যান্য examination বিলাকতো। ADO examination 2015

তো হ'ব পাৰে বুলি কৈছে। সেই কাৰণে এই গোটেই batch টোকে বাতিল কৰিব লাগে বুলিও তেখেতে পৰামৰ্শ আগবঢ়াইছে, যিটো আছে যে After all, the beneficiaries of such illegalities through home, the state administration is being run. While it is true that services of such illegal appointees have been dispensed with, but many more are still in the administration occupying high and key positions. As to what could be the state of affairs with such illegal appointees can well be imagined. With their illegal presence in services, not only the administration and for that matter public will suffer. But it will carry a wrong message afterwards compromising merit and performance of deserving candidates. এনেকৈ ১২ অক্টোবৰ, ২০২৩ চনত তেখেতেৰ দ্বিতীয় যিটো report সেইটো সমাপ্ত কৰিছিল।

প্ৰথম report টো যিহেতু বহুত বেছি দীঘল, তাত তেখেতে শেষৰ ফালে ধৰ্মৰ কথাই বেছিকৈ উল্লেখ কৰিছে, ৰাজ ধৰ্ম ৰাখিব লাগে, আমি ধাৰ্মিক হ'ব লাগে, আৰু ধৰ্ম কি, যিটো ন্যায় পথত থাকিব লাগে, যিটো অন্যায় হ'ব নালাগে, অন্যায় কৰিলে, অন্যায়ৰ বিৰোধে যুদ্ধ কৰিব লাগে, সেইবিলাকে ভাৰতীয় সভ্যতাত ধৰ্ম বুলি কয়। তেখেতে সংস্কৃতিত বহুতখিনি কথা লিখিছে, of the above verses is on practising Dharma is one's life which generates happiness, not only to his life, but also to others in the society. অৰ্থাৎ নিজকে সুখী কৰাৰ লগতে সমাজক কৰিবলৈ হলে আমি ধৰ্ম পালন কৰিব লাগে আৰু গণতন্ত্ৰত চৰকাৰে ধৰ্ম পালন কৰি সকলোকে সুখি কৰিব পাৰে।

There is a lot of questions in the verses to every individual not to indulege in any evil deeds. Consequences, for which, he alone has to suffer. আৰু যদি ধৰ্ম পালন কৰা নহয়, ভগৱত গীতা অনুসৰি তাৰ শাস্তিও আমি পাব লাগিব।

Dharma alone is the ultimate authority and the constitutional bodies occupying the ten ultimate authority must confirm and function within the four corners of Dharma. The ancient belief is reflected in the immemorial slogan "Dharma yato, Dharma Swasti, Jay". Ultimate victory is always for Dharma। অৰ্থাৎ সত্যবাদ ধৰ্ম সদায় জয়।

মাননীয় অধ্যক্ষ মহোদয়, সেই গতিকে এতিয়া ধৰ্ম পালন কৰিবলৈ হলে যেনেধৰনে আয়োগে পৰামৰ্শ দিছে, সেইখিনি গ্ৰহণ কৰিব লাগে আৰু সেইখিনি কৰাটো উচিত বুলি ভাৱো।

এতিয়া মাননীয় অধ্যক্ষ মহোদয়, আৰু দুটা কথা আহিছে, মই যিটো কৈছিলো যে দুজনমান ব্যক্তিক সাঙুৰি পেলাইও ৰাজনীতি কৰিব বিচৰা হৈছে, যিটো অতি দুৰ্ভাগ্যজনক। ইয়াত ৰাজনীতিৰ উৰ্ধত গোটেই কথাখিনি হ'ব লাগে। এই ক্ষেত্ৰত যিটো Commission of Inquiry Act. 1952 অনুসৰি হৈছিল, তাত অতি গুৰুত্বপূৰ্ণ এটা judgement পটনা হাইকোৰ্টে দিছিল Lal Krishna Advani & Others Vs- State of Bihar & Others, 1996, 10 May ত। Bhagalpur riot ৰ সময়ত Lal Krishna Advani ডাঙৰীয়া (মই নাম ল'ব নালাগে, কিন্তু কেচৰ reference নাম লোৱা গৈছে, মহোদয়) তাত খুব স্পষ্টকৈ আছে যে sec-

tion 8(b) of the Act finding of stigmatized person on the conduct of petitioner because of a bare reference with provision of section 8(b), section 8(b) ত আছে, persons likely to be prejudicially affected to be heard. If at any stage of the inquiry, the Commission considers it necessary to inquire into the conduct of any person or is of opinion that the reputation of any person is likely to be prejudicially affected by the inquiry, the Commission shall give to that person a reasonable opportunity of being heard in the inquiry and to produce evidence in his defence, provided at nothing in this sub-section shall apply where the credit of a witness is being impeached.

আৰু আছে মাননীয় অধ্যক্ষ মহোদয়, it can be safrigated the reputation is a part of fundamental right and personal liberty as the article 21 of the constitution.

সেই কাৰণে মাননীয় অধ্যক্ষ মহোদয়, ইয়াতে Commission of Inquiry ২০১৮ চনত গঠন হ'ল, যদিও অসম চৰকাৰে সেইসময়ত এখন affidavit দি Commission of Inquiry নালাগে বুলি কৈছিল, যিটো মই কলো review petition ত। তাৰ পিছত প্ৰাক্তণ মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াক বহুখিনি বদনাম কৰা হৈছে, তেখেতে প্ৰয়াত হৈছে ২০২০ চনৰ নৱেম্বৰ মাহত। Commission of Inquiry হোৱাৰ ১৮ মাহ পিছতো তেখেত জীৱিত আছিল। Commission of Inquiry Act, section 8(b) অনুসৰি তেখেতক মাতিব পৰা গ'ল হৈ। মই দোষী নে নিৰ্দোষী আজি নকওঁ, কিন্তু কিছুমান কথা যিজনে defend কৰিব নোৱাৰে এতিয়া, তেখেতক যদি বদনাম কৰি থকা হয়, সেইটো ধৰ্ম নহ'বও পাৰে মাননীয় অধ্যক্ষ মহোদয়।

তেনেকৈ অন্য এজন সতীৰ্থ বিধায়কে কোনো দেশৰ নিৰাপত্তাৰ কথা কলে, সন্ত্ৰাসবাদীৰ link ৰ লগত কিবা gift ৰ কথা কলে, এই বিলাক ক্ষেত্ৰতো যিজন মানুহক কৈছে, তেখেতক এই Commission of Inquiry Act., Section 8(b) যোগেদি আনিব পৰা গ'ল হৈ। কিন্তু এইখিনি নকৰি পেলাই যদি আমি একপক্ষীয় ভাৱে কথাবিলাক কৈ থাকো তেতিয়া হলে এয়া ন্যায় নহ'ব।

সেই গতিকে মাননীয় অধ্যক্ষ মহোদয়, মই ক'ব বিচাৰো যে বিপ্লৱ শৰ্মা ডাঙৰীয়াই যিখিনি অৱদান কৰিছে, শেহতীয়াকৈ অৱসৰৰ পিছত অসম চুক্তি ৰূপায়ণৰ কাৰণে বা এই APSC কেলেংকাৰী তদন্ত কৰি, যোৱা কালিও তেখেতে উজনিলৈ গৈছে, ঢোদৰ আলিটোৰ দূৰাৱস্থাৰ বাবে, চৰকাৰে তেখেতক এটা দায়িত্ব দিছে। এই গোটেই বিলাকৰ প্ৰতি সন্মান জনাই পৰৱৰ্তী আৰু কি কি কৰিব লাগে, Chief Secretary ৰ এটা Action Taken Report আছিল কিজানি বা অসম চৰকাৰে এই ৰিপোৰ্টক ২০২৩ চনত পোৱাৰ পিছত যিটো কথা বাতৰি কাকতত পাই আছে, সেইখিনি ওলাই আছে সেইখিনি কিন্তু ভাল বাতৰি অহা নাই। অসম চৰকাৰৰ গাফিলটিৰ কাৰণে বক্ৰ পথৰে চাকৰি কৰি থকা সকলক বৰ্খাস্ত নকৰিলে এতিয়াও। ২০১৩ বৰ্ষৰ সমস্ত নিযুক্তি বাতিলৰ লগতে ২০১৪ বৰ্ষৰো তদন্তৰ দাবী, শাস্তি দূৰৰে কথা কলংকিত চাকৰি ঘুৰাই পোৱা পথহে প্ৰসস্ত হ'ল। মূল বিষয় লঘু কৰি এপিএচচি কেলেংকাৰীক গাপ দিব বিচাৰিছে চৰকাৰে। আয়োগৰ প্ৰতিবেদনৰ ভিত্তিত নিযুক্তি বাতিলৰ দাবী আৰু যি সকলে এই ফাইলটো কৰোতে বহুত

মানুহে পিএল দিছিল, অখিল গগৈ এ পি দব্লিউ আৰু Fight against injustice তাৰে কিছুমান নাইকিয়া হৈ গৈছে, কিছুমানে লাগি আছে আৰু অন্যতম এটা সংস্থা হ'ল এই এপিএচচি Fight against injustice বোলা সংগঠন। তেওঁলোকে কৈছে মূল বিষয়ক লঘু কৰি নিযুক্তি কেলেংকাৰীক গাপ দিছে চৰকাৰে। এনেকুৱা ধৰণৰ যিটো সকলোৰে প্ৰতি আস্থা থাকে বিধান সভাৰ প্ৰতিয়ে হওঁক, ন্যায়পালিকৰ প্ৰতি হওঁক, কাৰ্য্যবাহীৰ প্ৰতি হওঁক আমি সেই আস্থা বিলাক হেৰুৱাব পাৰো ৰাজনীতি কৰিবলৈ গৈ, গতিকে ৰাজনীতি নকৰাকৈ প্ৰকৃততে গোটেই কামখিনি হ'ব লাগে আৰু কোৱা পৰামৰ্শখিনি ৰূপায়ণ হ'ব লাগে আৰু চিলেক্টিভলি যাতে কাকো ভিক্তিম বনাই বা কাকো হিৰো বনোৱা নাযায় সেই ক্ষেত্ৰত সকলোৱে যাতে সাৱধান হয় আৰু অসম খনৰ প্ৰশাসনিক ব্যৱস্থাটো দীৰ্ঘ নিৰপেক্ষ হ'ব লাগে তাৰ কাৰণে যেনেধৰণেৰে পদক্ষেপ ল'ব লাগে সেইখিনিৰ ওপৰত চৰকাৰক সহযোগ কৰিম বিৰোধী পক্ষৰ ফালৰ পৰা অসমৰ স্বাৰ্থৰ সেই আশ্বাস দি বিষয়টো পুনৰ উত্থাপন কৰাৰ বাবে আপোনাক আৰু উত্থাপক মানৱ ডেকাক ধন্যবাদ জনাই মোৰ দুআষাৰ সামৰিছো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া মাননীয় মুখ্যমন্ত্ৰী।

**ডº হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, জাষ্টিছ বিপ্লৱ শৰ্মা কমিটীৰ প্ৰতিবেদন ৪-৪-২০২২ ইং তাৰিখে দাখিল কৰা হয় আৰু তাৰ পিছত জাষ্টিছ বিপ্লৱ শৰ্মা কমিটীৰ পৰামৰ্শ সমূহ ৰূপায়ণ কৰাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে লৈ অহা ব্যৱস্থাৱলী আৰু ইয়াৰ গোটেই প্ৰেক্ষাপটটো আজি আমি সদনত আলোচনা কৰিছো। বিধায়ক মানৱ ডেকা ডাঙৰীয়াই এই সমস্ত বিষয়টো আমাৰ সদনত উত্থাপন কৰিছে। বিধায়ক মনোৰঞ্জণ তালুকদাৰ, আমিনুল ইছলাম, ভুৱন পেগু, ৰমেন্দ্ৰ নাৰায়ণ কলিতা, দুৰ্গাদাস বড়ো, অখিল গগৈ, সুসান্ত বৰগোঁহাই আৰু দেৱব্ৰত শইকীয়া ডাঙৰীয়া আদি সন্মানীয় বিধায়ক সকলেও বিষয়টোত অংশ গ্ৰহণ কৰিছে। অধ্যক্ষ মহোদয়, প্ৰথম বিষয়টোৱে হ'ল যে কংগ্ৰেছ চৰকাৰৰ দিনত ৰাকেশ পাল এ পি এচ চি ৰ অধ্যক্ষ হোৱাৰ পিছত যি দূৰ্নীতি বা নিযুক্তিৰ ক্ষেত্ৰত দূৰ্নীতি খেলি-মেলি আমাৰ পোহৰলৈ আহিছে, কিন্তু এইটো প্ৰথম নহয়। মই নাম কব নোখোজো। ইয়াৰ আগতেও কংগ্ৰেছ চৰকাৰৰ দিনত নিযুক্তি প্ৰাপ্ত লোকসেৱা আয়োগৰ অধ্যক্ষৰ বাসভৱনত আৰক্ষীয়ে বা Income tax department য়ে তালাচী কৰিছে আৰু পৰৱৰ্তী সময়ত অসমৰ মাননীয় বিৰোধী দলপতি শ্ৰীদেৱব্ৰত শইকীয়া ডাঙৰীয়াই কেইখন মান বাতৰি কাকত পঢ়িছে কিন্তু volumes of newspaper reporting হৈছিল আৰু অসমৰ ৰাইজে আশা কৰিছিল যে লাহে লাহে লোকসেৱা আয়োগ এক সংস্কাৰৰ দিশলৈ গতি কৰিব। আৰু যিবিলাক ঘটনা প্ৰথমতে হৈছিল পুনৰাবৃত্তি নহ'ব। যি কি নহওঁক অধ্যক্ষ মহোদয়, ডিব্ৰুগড় আৰক্ষী থানাত অংশুমিতা গগৈয়ে প্ৰথম ৰাকেশ পালৰ ওপৰত বা লোক সেৱা আয়োগৰ Dental Doctorৰ নিযুক্তিক লৈ এজাহাৰ এখন দাখিল কৰে। সেই সময়ত লোক সেৱা আয়োগৰ বিৰুদ্ধে FIR দাখিল হৈছে আৰু FIR খন দাখিল কৰাৰ পিছত গোটেই ঘটনাটো আমি যদি বিচাৰিলো হেতেন যে এইটো পোহৰলৈ আহিব নালাগে আৰু দুই তিনিটা বা দহটা চাকৰি black-mail কৰি ল'ব লাগে তেতিয়াহলে গোচৰটো আগে নাবাঢ়িলেহেঁতেন। অংশুমিতা গগৈয়ে এখন এজাহাৰ দিলে এজাহাৰ খনৰ খবৰ মুখ্যমন্ত্ৰী সোণোৱাল ডাঙৰীয়াই এক মিনিটতে পালে। সোণোৱাল ডাঙৰীয়াই ৰাকেশ পালক ফোন কৰিলে যে গধূলি আপোনাৰ ঘৰত পুলিচ আহিব দিনটো ঠিকথাক কৰি থৈ দিয়ক, পুলিচ আহি একো নাপালেহেঁতেন। কিন্তু ভাৰতীয় জনতা পাৰ্টীৰ চৰকাৰ খনে সাহসী সিদ্ধান্ত ল'লে যে আমি case register কৰিম আৰু এই কেছটোক আমি logical

conclusion লৈকে লৈ যাম। আজি যি সকল ব্যক্তিয়ে ভাৰতীয় জনতা পাৰ্টীৰ চৰকাৰ খনত বা কিবা APSC for Injustice এইবিলাক twitter handle ৰ নাম কৈছে, তেওঁলোকে APSC for Injustice tweet নকৰে। তেওঁলোকে পৃথিৱীৰ আমেৰিকাৰ পৰা ইংলেণ্ডৰ সকলো ঘটনা tweet কৰে। এইবিলাক হেণ্ডেলৰ কোনো credibility নাই। কিন্তু মই যিটো credible ৰ কথা কৈছো যে আজি সদনে অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াক ধন্যবাদ জনাব লাগিব যে ৰাজ্যৰ গৃহমন্ত্ৰী হিচাপে তেখেতে সাহসী সিদ্ধান্ত গ্ৰহণ কৰিলে যে লোক সেৱা আয়োগৰ তদন্ত আমি ক্ষিপ্ৰতাৰে কৰিম আৰু সাহসিকতাৰে কৰিম। লোক সেৱা আয়োগৰ তদন্ত আৰম্ভ হ'ল ডেন্টেল ডাক্তৰৰ কেছ আছিল সেই সময়ত যদি আমি বিচাৰিলোহেঁতেন তাতে সীমাবদ্ধ হৈ থাকিলহেঁতেন। কিন্তু আমাৰ চৰকাৰ খনে সিদ্ধান্ত ললে যে নহয় লোক সেৱা আয়োগত আমি কলংকটো মুক্ত কৰিম। এচ আই টি হ'ল আৰু পোন প্ৰথম পৰ্য্যায়তে আমি কেইবাজনো ব্যক্তিক লোকসেৱা আয়োগৰ তদানীন্তন অধ্যক্ষ ৰাকেশ পাল আৰু তেখেতৰ লগত সেই সময়ত জড়িত কেইবাজনো মেম্বাৰ পবিত্ৰ কৈবৰ্ত্য, ড° বসন্ত দলে, আব্বাচ আলী আহমেদ, ছৈয়দ মুছাৰক হুছেইন, মামুন আলী চৌধুৰী, ড° চামেদুৰ ৰহমান, প্ৰথম বাৰৰ বাবে ভাৰত বৰ্ষৰ ইতিহাসত লোক সেৱা আয়োগৰ অধ্যক্ষ আৰু মেম্বাৰ সকলক গ্ৰেপ্তাৰ কৰা হ'ল। ইয়াৰ আগলৈকে ভাৰতবৰ্ষত কোনো উদাহৰণেই নাই যে এপিএছচি বা Public Service Commissionৰ চেয়াৰমেন আৰু মেম্বাৰক এই ধৰণে গ্ৰেপ্তাৰ কৰে। This is the first example in the Contemporary Indian history. আৰু ইমান মানুহৰ সাহসী সিদ্ধান্ত আমি শ্বিলঙত মাতি নি হিচাপ নিকাচ কৰি ল'ব পাৰিলোহেঁতেন বা ক'ৰবাত মাতি লৈ গৈ হিচাপ নিকাচ কৰি ল'ব পাৰিলোহেঁতেন। কিন্তু আমি সিদ্ধান্ত লৈছিলো যে নহয় আমি exemplary action ল'ম। লোক সেৱা আয়োগৰ অধ্যক্ষক আইনমতে দিল কৰিম গ্ৰেপ্তাৰ কৰিম, মেম্বাৰ সকলক দিল কৰিম আৰু এই গোটেই প্ৰচেষ্টাটোক নিকা কৰাৰ আমি প্ৰয়াস কৰিম। আজি আমাৰ চৰকাৰৰ দিনত লোকসেৱা আয়োগত যিমান নিযুক্তি হৈছে ইয়াৰ পৰৱৰ্তী জাষ্টিছ বিপ্লৱ শৰ্মা commission is about 2013 and 2014. ৰাকেশ পালক বিদায় দিয়াৰ পিছত লোক সেৱা আয়োগত হোৱা প্ৰত্যেকটো পৰীক্ষা স্বচ্ছতাৰ ভিত্তিত কৰা হৈছে, অসমৰ দুখীয়া আৰু মধ্যবিত্ত শ্ৰেণীৰ ল'ৰা-ছোৱালীয়ে আজি চৰকাৰী চাকৰি পাইছে। আজি এপিএচচিত যেতিয়া আমি নিযুক্তিৰ পত্ৰ দিবলৈ সমবেত হওঁ তেতিয়া কোনো মন্ত্ৰীৰ ল'ৰাক হ'লটোত আমি দেখা নাপাও। কংগ্ৰেছ চৰকাৰৰ দিনত একোটা এপিএচচিৰ নিযুক্তিত ৬/৭ জন কেবিনেট মন্ত্ৰীৰ ল'ৰা-ছোৱালীক দিছিল। মেৰিট আছিল বা নাই মই ক'ব নাযাও, কিন্তু বাতৰি কাকতত Who is who? বুলি এখন লিষ্ট ওলাইছিল সেইসময়ত। কোন কি হয়, কোন কাৰ নহয়। আজি এনেকুৱা তালিকা বনাবৰ কাৰণে অৱকাশয়েই নাই। প্ৰত্যেকজন ল'ৰা-ছোৱালীয়ে ভাল merit ত পাছ কৰি আহিছে আৰু লাহে লাহে লোকসেৱা আয়োগৰ ওপৰত আস্থা উভতি আহিছে। আজি সকলোতকৈ এই দুৰ্নীতিৰ কিমান তদন্ত হৈছে, তদন্ত হোৱা নাই সেই বিষয়টোলৈকে যোৱাৰ আগতে মই কওঁ যে এই দুৰ্নীতিয়ে অসমৰ ভৱিষ্যত প্ৰজন্মক এটা আশ্বাস অন্তত দি থৈ গ'ল যে আজিৰে পৰা APSC ত কেতিয়াও দুৰ্নীতি হ'ব নোৱাৰে। This is the biggest achievement আৰু APSC য়েই নহয়, আজি তৃতীয় চতুৰ্থ শ্ৰেণীৰ চাকৰিলৈকে আমি সম্পূৰ্ণ স্বচ্ছ। আজি অসমৰ চৰকাৰী চাকৰি অসমৰ দুখীয়া দৰিদ্ৰ, মধ্যবিত্ত সমাজৰ বাবে উপলব্ধ হ'ব পাৰিছে। কোনেও তামোল এখন খোৱাৰ তাত অৱকাশ নাই। সম্পূৰ্ণভাৱে স্বচ্ছতাৰ ভিত্তিত আজি চৰকাৰী চাকৰি পাব পৰা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়া আজি

ইয়াত নিজক defend কৰাৰ বাবে উপস্থিত নাই। সেইবাবে আমি এনেকুৱা কথা কোৱাৰ প্ৰয়োজন নাই। যি কথা তেখেতে ইয়াত defend কৰিব নোৱাৰে। কিন্তু যিখিনি কথা out of records ত যি file ত লিখা থাকে, যি স্পষ্টভাৱে যিকোনো পৰ্য্যায়ত তাক পৰীক্ষা কৰিব পাৰি। এই গোটেই কেলেংকাৰীৰ লগত জড়িত দুটা-তিনিটা fundamental কথা আমি পৰীক্ষা কৰিব লাগিব। প্ৰথম কথা APSC নিযুক্তি কেনেকৈ হ'ল? তপনলাল বৰুৱা কমিটি গঠন কৰা হৈছিল, যেতিয়া তাৰাপ্ৰসাদ দাস ডাঙৰীয়াৰ দিনত হোৱা দুৰ্নীতিৰ তদন্তসমূহ সন্মুখলৈ আহিছিল। তেতিয়া তাত সদস্য কেনেকৈ নিযুক্তি কৰিব পাৰি তাৰ এটা স্পষ্ট recommendation আছে। আজি প্ৰথম পৰ্য্যায়ত APSC ত সিদ্ধান্ত লোৱা হৈছিল যে 50% of each member has to be from the States civil service on from the IAS, IPS যি অন্তত Secretary Level লৈকে তেওঁলোকে চৰকাৰক সেৱা আগবঢ়াইছে আৰু Second 50% Committee খনে কৈছিল যে প্ৰতিষ্ঠিত শিক্ষাবিদ বা সম-সাময়িক অভিজ্ঞতা থকা ব্যক্তি আন 50% ত চৰকাৰে নিযুক্তি কৰিব পাৰিব। Through a Charge Committee অৰ্থাৎ প্ৰথম তিনিজন লোকৰ বা দুজন লোকৰ এখন কমিটি হ'ল মুখ্য সচিব থাকিলে, কোনোবা থাকিলে panel এটা বনালে, panel টো সন্মুখলৈকে আহিলে চৰকাৰে সিদ্ধান্ত ল'ব। যদি কোনোবা ব্যক্তিয়ে কয়, মই মেম্বাৰ হ'ব খুজিছো, তাৰমানে তুমি APSC ত নিজে কিয় সদস্য হ'ব খুজিছা? That is the close of the matter. যদি আজি মোক কোনোবাই আবেদন কৰে যে, মাননীয় মুখ্যমন্ত্ৰী মহোদয় মোক লোকসেৱা আয়োগত সদস্য কৰি দিয়ক। তেতিয়া প্ৰথম disqualification তাৰপৰাই আৰম্ভ হ'ব যে খুজি APSC ত কিয় মেম্বাৰ হ'ব? এতিয়া আমি record লৈকে চাওঁ। Justice Biplab Kumar Sharma Committee ৰ প্ৰথম observation টোৱেই হৈছিল যিটো very very important observation যে, Charge Committee য়ে ৰাকেশ পালক নিযুক্ত কৰা নাছিল। তেওঁৰ নাম কোনেও recommend ও কৰা নাছিল। These are matter of records. আজি যদি সন্মুখত তৰুণ গগৈ ডাঙৰীয়াও থাকিলেহেঁতেন he cannot deny his signature যিমানখিনি record ত আছে, মই record ত ক'ম। বিয়া সভাত কি দিয়া দি হৈছিল, সেইটো record ত নাই, মুকুল শইকীয়াৰ statement ৰ ভিত্তিত কোনো কথাও ক'ব খোজা নাই। মুকুল শইকীয়াৰ statement ত শ্ৰীঅখিল গগৈ ডাঙৰীয়াৰ নাম আহিছে। মই ক'ব খোজা নাই। কাৰণ তেওঁ statement হে দিছে। This may not be part of evidence এতিয়া যদি ২০১৩ চনত গম পালোহেঁতেন মুকুল শইকীয়া ডাঙৰীয়াই লিখিছে যে, নিজৰাপাৰাৰ ঘৰত মই গৈছিলো শ্ৰীঅখিল গগৈ ডাঙৰীয়া তাত আছিল। তেতিয়া আমি tower location চালোহেঁতেন যে সেই সময়ত দুজন মানুহ একেটা tower ত আছে নে নাই ? তেতিয়া আমি prima facie গম পালোহেঁতেন হয়, দুজন মানুহ একেটা tower location ত আছে। কিন্তু আজি আমি সেই পৰ্য্যায়লৈকে যাম নাযাম, তেনেকুৱা ধৰণৰ কথালৈকে মই সোমাব খোজা নাই। মই ইমানতে record ৰাখিব খুজিছো যে what is gone out of records. ৰাকেশ পালে মাননীয় মুখ্যমন্ত্ৰী সেই সময়ত তৰুণ গগৈ ডাঙৰীয়াক লগ কৰে আৰু ০৬-০৯-২০০৮ তাৰিখে তেওঁ application দিয়ে যে মোক লোকসেৱা আয়োগৰ মেম্বাৰ হিচাপে নিযুক্তি দিয়ক। আজি যদি মোক কোনাবাই লগ কৰি কয় যে, মোক লোকসেৱা আয়োগত নিযুক্তি দিয়ক, কাগজখন হাতত লৈয়ে মই তাক close কৰিব লাগিব। কোনো qualification চোৱা নাই, তেওঁৰ background চোৱা নাই আৰু তেওঁ application খনত লিখি দিলে I am a senior advocate of Guwahati High Court আৰু মাননীয় মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াই কাগজখনৰ

ওপৰত লিখি দিলে may be considered. This is gone out of records. যিখিনি নেকি Commission য়ে record ৰ কাগজত বিচাৰি পাইছে। ইয়াৰ পিছত এই যিটো নিযুক্তি তেখেতক লিখি দিয়াৰ পিছত সেই কাগজখন immediatly file ত process হৈ আহে আৰু তৎপৰতাৰে may be considered বুলি লিখা চিঠিখনৰ ওপৰতেই আপোনালোকে যদি লক্ষ্য কৰে ০৬-০৯-২০০৮ ত ৰাকেশ পালে application দিছে আৰু ৩০-০৯-২০০৮ ত in the gape of 24 days file তলৰ পৰাও আহিল, মুখ্যমন্ত্ৰীৰ তাতো গ'ল, file Governor ৰ তাতো গ'ল আৰু তেওঁৰ appointment letter 13-09-2008 ত ওলাই গ'ল আৰু কোনেও এবাৰলৈকে খবৰো নকৰিলে যে, whether Rakesh Paul is a senior advocate of Guwahati High Court ৰ law. পিছত ওলাল যে তেওঁ High Court ৰ Senior Advocate নহয়, তেওঁ notary public আছিল। তাৰমানে কংগ্ৰেছ চৰকাৰখন কেনেকৈ চলিছিল? ৬ তাৰিখে মই আবেদন কৰিলো, মোক নিযুক্তি দিয়ক মই may be considered লিখিলো। ততাতৈয়াকৈ সেই নিযুক্তি process হ'ল আৰু মানুহজনৰ নিযুক্তি হৈ গ'ল। ঠিক আছে। সদস্য হিচাপে তেওঁৰ নিযুক্তিৰ যিটো ব্যৱস্থা, সেই ব্যৱস্থাক ৰাকেশ পালে আবেদন কৰিলে, তৰুণ গগৈ ডাঙৰীয়া মুখ্যমন্ত্ৰীৰ দায়িত্বত আছিল, তেখেতে লিখি দিলে। নিযুক্তি হ'ল। ৫ বছৰ লোকসেৱা আয়োগ চলিল, ২০০৮ ৰ পৰা ৫ বছৰ ধুনীয়াকৈ চলিল। তাত কি আছিল, কেনেকৈ চলাইছিল, চৰকাৰৰ লগত feedback থাকিবই লাগে যে এজন মানুহে কেনেকৈ চলাইছে, কেনেকৈ চলোৱা নাই। ২০১৩ তাৰিখে এইবাৰ ৰাকেশ পালে আবেদন কৰা নাই। এইবাৰ তৰুণ গগৈ ডাঙৰীয়াই নিজে এটা নোট লিখিলে মুখ্য সচিবলৈকে যে Chairman ৰ পদটো খালী আছে আৰু আপোনালোকে immediately ৰাকেশ পালক Chairman হিচাপে নিযুক্তি দিয়ক। আগৰবাৰ আহিছিল এখন application ৰ ভিত্তিত। ৰাকেশ পালে আবেদন কৰিলে মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াই লিখি দিলে may be considered সেই file টো আকৌ তেওঁৰ ওচৰলৈকে আহিল আৰু this department was look after by Ex-Chief Minister Tarun Gogoi ইয়াত কোনো cabinate মন্ত্ৰী সেই সময়ত নাছিল, ৰাজ্যিক মন্ত্ৰীও নাছিল that was his department. সেই ফাইলটো আকৌ তেওঁৰ তালৈ আহিল। ২০০৮ পৰা ২০১৩ লৈ ব্ৰহ্মপুত্ৰৰ বহু পানী বাগৰি গ'ল। এইবাৰ দৰ্খাস্ত দিয়াৰো প্ৰয়োজন নহ'ল। এইবাৰ প্ৰয়াত মুখ্যমন্ত্ৰী মাননীয় তৰুণ গগৈ ডাঙৰীয়াই মুখ্য সচিবলৈ চিঠি লিখিলে যে আপুনি ৰাকেশ পালক লোকসেৱা আয়োগৰ অধ্যক্ষ হিচাপে নিযুক্তি দিয়ক। মুখ্য সচিবে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক জনালে যে আমি যদি ৰাকেশ পালক নিযুক্তি কৰিব লাগে the terms of reference has to be finalised. কাৰণ লোক সেৱা আয়োগৰ সদস্য আৰু সভাপতি দুটা বেলেগ পদ নে একেই পদ তাৰ ওপৰত বিতৰ্ক আছে। বিভিন্ন হাইকোৰ্টৰ অৰ্ডাৰ আছে যে এজন লোকসেৱা আয়োগৰ মেম্বাৰ হ'বলৈ ৫ বছৰ বা ৬২ বছৰ। দহ বছৰ কাৰ্য্যকাল পাব পৰা কোনো ব্যৱস্থা নাছিল। অৰ্থাৎ মই যদি সদস্য এজনক সভাপতিও কৰো তেতিয়াহ'লে Residuary period ৰ কাৰণেহে সভাপতি হ'ব পাৰে। তাৰ মানে চাৰে চাৰি বছৰ মই মেম্বাৰ হ'লো তাৰ পিছত মই সভাপতি হ'ম। I can be Chairman only for six months. এই কথাটো যেতিয়া লিখিলে তেতিয়া ফাইল চলিলে, এই কথাখিনিয়েই মুকুল শইকীয়াই তেওঁৰ জবানবন্দীত লিখিছে যে কিছু দিন সময় লাগিল। ১৮ তাৰিখে এই ফাইলটো মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ ওচৰত ঘটনাবোৰ up and down হ'ল যে কিমান দিনৰ কাৰণে দিব লাগিব, ৫-১২-২০১৩ তাৰিখে

মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ফাইল ৰাজ্যপালক প্ৰেৰণ কৰে যে তেখেতক নিযুক্তি দিয়ক আৰু তেখেতৰ নিযুক্তিৰ ৫ তাৰিখে ফাইল পঠাব ৭ তাৰিখে approval হৈ গুচি আহিব within 2 days. ৰাকেশ পালৰ নিযুক্তি হ'ল। কিন্তু ৰাকেশ পালৰ নিযুক্তিত এটা কথা লিখা থকা গ'ল যে ......

**মাননীয় অধ্যক্ষ ঃ** আমি সদনৰ সময় Extend কৰিছো।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** Terms and conditions will be notified separately. তাৰ মানে তেতিয়ালৈকে মুখ্য সচিবে নিজৰ পজিশ্যনটো ধৰি আছে যে ৰাকেশ পাল residuary period ৰ কাৰণেহে হ'ব পাৰে। ৫-১২-২০১৩ তাৰিখে তেখেতৰ নিযুক্তি হ'ল। তাৰ পিছত ০৮-০৯-২০১৪ তাৰিখে আকৌ এখন চৰকাৰে নোটিফিফিকেশ্যন উলিয়াই দিলে যে ৰাকেশ পালৰ কাৰণে সুকীয়াকৈ কোনো service condition নহ'ব। তেওঁ আৰু পাঁচ বছৰ লাভ কৰিব। Look at the manipulation. প্ৰথমতে তেওঁক Senior Advocate হিচাপে নিযুক্তি দিয়া হ'ল। কিন্তু তেওঁ আচলতে সিদিনাখন Senior Advocate নাছিল। তেওঁ ৩০-০৯-২০০৮ ত প্ৰথম নিযুক্তি পালে। দ্বিতীয় নিযুক্তি দিবৰ কাৰণে ১৮-১০-২০১৩ ত ফাইল দিয়া গ'ল। তাৰ পিছত ১৮-১১ ত মুখ্য সচিবে আপত্তি কৰিলে যে তেওঁ পাঁচ বছৰৰ কাৰণে হ'ব নোৱাৰে। তেওঁৰ কণ্ডিশ্যন বেলেগ কৰিব লাগিব। প্ৰথম অৱস্থাত প্ৰয়াত মুখ্যমন্ত্ৰী ডাঙৰীয়াই মানি ল'লে যে তেওঁৰ কণ্ডিশ্যন সুকীয়াকৈ দিম। এতিয়া খালি সভাপতি কৰি দিয়ক। এখেতক সভাপতি কৰি দিয়া গ'ল আৰু subsequently ০৮-০৯-২০১৪ চনত তেওঁৰ নিযুক্তি থকা গোটেই কণ্ডিশ্যনখিনি বা যি কণ্ডিশ্যন prescribe কৰিব লাগিছিল, একো prescribe নকৰি simply কৈ দিলে যে তেওঁক ৫ বছৰ অথবা ৬২ বছৰ। তাৰ মানে Total tenure he got was ten years. এইটোৱেই আটাইতকৈ কেলেংকাৰী। কোনে কৈছিল, ক'ত কৈছিল ইমানলৈ যোৱাৰ আগতে, প্ৰথম গোটেই নীতি-নিয়ম। প্ৰথম নিযুক্তিত ভুল আছিল, ঠিক আছে। আমি মানি ল'লো যে প্ৰথম নিযুক্তিটোত তেওঁ দৰ্খাস্ত এখন দিলে, মই নিযুক্তি দি দিলো। কিন্তু ২০০৮ ৰ ২০১৪ চনলৈকে চিষ্টেমটোৱে সেই ব্যক্তিজনক সহায় কৰি গৈয়েই থাকিল। গতিকে কোনোবাই যদি কয় ২০১৩-২০১৪ ৰ ফাইল খুলিব লাগে তেনেকুৱা নহয়। খুলিব লাগিলে ২০০৮ ৰ পৰাই খুলিব লাগিব। খুলি দিয়াটো সহজ। খুলি দিবতো পাৰি। কিন্তু এতিয়া ২০০৮-২০০৯ ৰ ইমান ৰেকৰ্ড আছে। এতিয়াই মই ক'লো যে বহুত বিলাক technological reason আছে। এতিয়া যদি দুইটা মোবাইলৰ টাৱাৰ মিলাব লাগে তেনেহ'লে তিনি বছৰৰ ওপৰত দিবই নোৱাৰে। So, lapse of time, এইটোৱেই justice ক kill কৰি দিয়ে। এতিয়াও আমি এটা বিশেষ গোচৰৰ কাৰণে পূৰণা কাগজ-পত্ৰ চাব খুজি আছো। Technology এ সেইটো সময়ত চাপোৰ্ট নকৰিছিল। আজিৰ ইণ্ডিয়া বদলি গ'ল। ২০০৮-০৯ চনত technology নাছিল। যিয়েই নহওঁক আজি এই গোটেই কথাখিনি ৰাকেশ পালৰ এবাৰ নিযুক্তিত ভুল হ'ব পাৰে, দ্বিতীয়বাৰ নিযুক্তিত ভুল হ'ব পাৰে, তৃতীয়বাৰলৈকে the file has been pursued and finally all condition is withdrawn. তেওঁক ৫ বছৰ বা ৬২ বছৰলৈকে ১০ বছৰৰ এটা tenure এটা দিয়া হ'ল। এনেকুৱা নহয় যে সময়ছোৱাৰ ভিতৰত বিৰোধী দলপতি দেৱব্ৰত শইকীয়া ডাঙৰীয়াই আজি paper clip দেখুৱাইছে। এনেকুৱা paper clip লোৱা নাছিল। হাজাৰ হাজাৰ paper clip ওলাইছিল। কংগ্ৰেছ দলেতো paper clip চোৱাটো প্ৰয়োজনেই অনুভৱ কৰা নাছিল। আজি মোক paper clip দেখুৱাইছে, যদি paper clip চালোহেঁতেন ৰাকেশ পালৰ নিযুক্তিয়েই

নহ'লহেঁতেন। আজি এই ধৰণে অসমৰ লোক সেৱা আয়োগৰ ক্ষেত্ৰত, it is a repeated crime by the Congress Government. First crime was committed during a period of another Chief Minister. Second crime has been committed during the tenure of another Chief Minister. Not just 1 but 2-2 Chief Ministers have compromised with the integrity of the Assam Public Service Commission. This is the history of the Congress party. তাৰ পিছত সময়ত তেখেতৰ নিযুক্ত হ'ল। নিযুক্তি হোৱাৰ পিছত যেতিয়া আগলৈকে আমি আগবাঢ়ি যাওঁ বিপ্লৱ শৰ্মাৰ কমিটিয়ে লিখিছে যে প্ৰয়াত মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ সন্তানৰ বিবাহত তেওঁক তিনি লাখ টকা মূল্যৰ গহণা যোগান ধৰা হ'ল। আমি Income Tax লৈকে লিখিছো যে whether that has been reflected in his statement or not. কিন্তু গুৰুত্বপূৰ্ণ কথা যে আজিলৈকে এই বিপ্লৱ শৰ্মা কমিটিৰ তদন্ত লোৱা আজিলৈ বিশ দিন হৈ গ'ল। মাননীয় সাংসদ গৰকীয়ে এতিয়লৈকে Twitter and Facebook ত লিখা নাই যে ঘটনাটো অসত্য। মাননীয় সদস্য অখিল গগৈ ডাঙৰীয়াই তেওঁক defend কৰাৰ বাবে চেষ্টা কৰিছে। তাৰ মানে চিষ্টেমটোৰ প্ৰতি কিমান অৱজ্ঞা যে কোন বিপ্লৱ শৰ্মা, কোন লোক সেৱা আয়োগ ? আমাৰ ওপৰত যদি লিখিছে আমি তাৰ উত্তৰ দিবলৈ বাধ্য নহয়। যেনেকৈ অসমৰ এটা বিশেষ পৰিয়াল, ভাৰতৰ এটা বিশেষ পৰিয়ালে যেনেকৈ ভাৱে যে I am above the law. আজি আন এজনে ভাবি লৈছে যে we are above the law. মাননীয় সদস্য অখিল গগৈ ডাঙৰীয়াৰ ক্ষেত্ৰত লিখিছে, এইটো কৈছে যে সোণৰ চেইন, আঙু ঠি, ব্ৰেচলেট কিমান হ'ব পাৰে? এইটো unlimited amount. আজিলৈকে অসমত কিবা এটা কথা ওলালে, আমাৰ বিষয়ে যদি কিবা এটা উঠে চুঙা লৈ খেদি ফুৰে। আমাৰ ওপৰত এইটো উঠিছে, উত্তৰ দিয়ক উত্তৰ দিয়ক। কিন্তু ৰাজপুত্ৰ হোৱাৰ কাৰণে আজিলৈকে এটা সামান্য সামাজিক মাধ্যমত ষ্টেটমেণ্ট দিয়া নাই যে allegation টো wrong. আমাক একো নালাগে। আমি কাকো অবিশ্বাস নকৰো। এজন ব্যক্তিৰ অভিযোগ এটা। এতিয়া মাননীয় সদস্য দেৱব্ৰত শইকীয়া ডাঙৰীয়াই ভাষণ দিলে। তেওঁ ভাষণত এবাৰো নক'লে যে সাংসদ গৰাকীৰ ওপৰত উঠা অভিযোগটো মিছা বা মোক সদনত এইটো মিছা বুলি জনাব দিছে। আপুনিতো নিজে ক'ব নোৱাৰে। ................interruption.............

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই নকওঁ । কিন্তু মই কৈছোৱেই যে 8B section মতে মাতি আনি verify কৰিব পৰা গ'লহেঁতেন। কিন্তু verify কৰা নাই কিয়?

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** মই কৰিম এতিয়া। ক'ত এৰি দিম। আপুনিয়েই কৈছে। This may be again recorded. এতিয়া ঘটনাটো হৈছে যে মাননীয় সদস্য দেৱব্ৰত শইকীয়া ডাঙৰীয়াই আজি সদনত এই বিষয়টোৰ ওপৰত অংশ গ্ৰহণ কৰিব। কালি আমি TV আৰু Facebook ত কৈ দিছো যে বিপ্লৱ শৰ্মা কমিটিৰ প্ৰতিবেদন হ'ব। মাননীয় অধ্যক্ষ মহোদয়, এই গোটেই চাৰ্কোলাৰ খনত যে আজি এই বিষয়টো আহিব যোৱাকালিৰেই নোটিফাই কৰিছে। Atleast সদনত ৰেকৰ্ড হওঁক যে মোৰ বিয়াত মই তেনেকুৱা কোনো উপহাৰ লোৱা নাছিলো। এজন কংগ্ৰেছৰ সদস্যক তেখেতে অধিকৃত কৰিব পাৰিলেহেঁতেন যে আপুনি হাউছৰ ডিবেটত ক'ব যে মোৰ ওপৰত লোৱা অভিযোগটো মিছা আৰু এইটো মই প্ৰত্যাখান কৰিছো। আজি বিশদিন হৈ গ'ল মাননীয় সদস্য অখিল গগৈ ডাঙৰীয়াক চাব, he is more loyal than the Congress Party. ।

তেওঁ লগে লগে Press conference কৰি ক'লে যে বিয়াত কি দিলে কোনে জানে? বিয়াত বহুতে যিকোনো বস্তু দি গুছি যায়। মোৰ ল'ৰাৰ বিয়া হোৱা নাই। কাইলৈ মোৰ ল'ৰাৰ বিয়াত যদি আদানি আম্বানি আহি ১০০ কোটিকৈ টকা দি থৈ যায়, তেতিয়া অখিল গগৈ ডাঙৰীয়াই এনেকুৱা statement দিব নেকি যে নন্দিলৰ গাত একো দোষ নাই, তাক দি থৈ গৈছে। এইটো ৰেকৰ্ড হ'ব পাৰে নেকি? আমিবোৰ সাধাৰণ মধ্যবিত্ত পৰিয়ালৰ পৰা ইয়ালৈকে অহাৰ কাৰণে আমাৰ ক্ষেত্ৰত আইন-কানুন বেলেগ নেকি? হয়তো অখিল গগৈ ডাঙৰীয়াৰ কাৰণে আইন-কানুন বেলেগ। তেখেতে ৩ লাখ টকা লোৱাৰ ওপৰত আমি সকলোৱে তেখেতক তিৎকাৰি মাৰি আছো। Because he has raised from a small family. কিন্তু ৰজাৰ ঘৰত আমি কোনেও সাহস কৰা নাই। অখিল গগৈ ডাঙৰীয়াই নিজক যিমান defend কৰিছে, তাতকৈ ৰজাক বেছি defend কৰিছে

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ** মই পইচা লোৱা বুলি ক'তো নাই দেই। .... interruptions.....

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰীঃ** কমল মেধিয়ে আপোনাৰ behalf ত কৈছে .... interruptions......

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ** কমল মেধি আপোনালোকৰ পাৰ্টিৰ মানুহ আৰু তেওঁ .... interruptions......

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰীঃ** আপুনি আমাক দিছে, কেনেকৈ দিছে নাজানো নহয়...interruptions.........

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ** আপুনি ইমান ভাল যদি, পাৰ্টিৰ পৰা খেদালো বুলি কৈ দিয়ক ..........interruptions...আপোনাৰ পাৰ্টিৰ পৰা খেদাই দিয়ক....interruptions...

**মাননীয় অধ্যক্ষঃ** প্লীজ উত্তৰটো দিবলৈ দিয়ক।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, কমল মেধি ডাঙৰীয়াক আমি কেইদিনমান ৰাখিছো। কিন্তু আপোনাৰ লগত কি আছে আমি নাজানো। আপুনি মাজে মাজে উলিয়াই দিয়ে আৰু আকৌ লৈ লয়। গতিকে আপোনাৰ এই history এবাৰৰ নহয়। আপুনি আমাৰ তাত থৈছে নে কি কৰিছে পিছতহে গ'ম পাম। এই কথাটো বাৰু বাদ দিয়ক। এইটো কথা আমি পিছত আলোচনা কৰিম। কমল মেধি ডাঙৰীয়াৰ লগত অখিল গগৈৰ hot and cold relationship, মাজে মাজে বেয়া হয়, পিছত আকৌ ঘূৰি আহে। দুইজনৰ কি আছে, নাজানো। মই ইয়াত কমেন্ট দিব বিচৰা নাই কাৰণ সাধাৰণ ঘৰৰ মানুহৰ এনেকুৱা ঢলে ধৰাটো প্ৰৱণতা। কিন্তু অখিল গগৈ ডাঙৰীয়াই তেওঁক APSC ৰ Chairman দিব নোৱাৰে। কমল মেধিয়েও দিব নোৱাৰে। গতিকে, নিয়ম ভংগ কৰি APSC ৰ Chairman কোনে দিলে? তেওঁৰ ল'ৰাৰ বিষয়ে যেতিয়া অভিযোগ আহে তেতিয়া সাধাৰণ মানুহৰ মনত নিশ্চয় প্ৰশ্ন উঠিব। আজি অখিল গগৈ ডাঙৰীয়াক বা মোক বা আপোনাক কোনোবাই কিবা দিলে সেইটো ভয়ত দিব যাতে আমি তেওঁৰ কথা বেছিকৈ কৈ নুফুৰো। কিন্তু আমি তেওঁক নিযুক্তি দিব নোৱাৰো। তেওঁক ১০ বছৰৰ বাবে APSC ত দিব নোৱাৰো। যি জনে ১০ বছৰৰ বাবে দিব পাৰে তেওঁৰ ঘৰৰ বিয়াত যদি সোণৰ অলংকাৰ দিয়ে তেন্তে it is a prima facie case of corruption, unless it is denied. আজি এই মুহূৰ্তলৈকে কংগ্ৰেছ দলৰ সাংসদ গৌৰৱ গগৈ ডাঙৰীয়াই deny কৰা নাই। যদি deny কৰা নাই, তেন্তে it can be accepted that he has taken that money in his marriage. অখিল গগৈ ডাঙৰীয়াই এটা ভাল কথা কৈছে যে বিয়াত দিলেতো গ'ম নাপায়। কংগ্ৰেছ দলৰ এজন Spokesperson বেদব্ৰত বৰাইও কৈছে যে বিয়াত দিলে তেওঁ কেনেকৈ গ'ম পাব? তাৰ

মানে আজিৰ পৰা যদি আপোনালোকে দুৰ্নীতি কৰিব বিচাৰে তেন্তে কাৰোবাৰ ঘৰৰ বিয়া এখন পাতি লওঁক। কংগ্ৰেছ দলৰ জানে যে তেওঁলোকে ক'ত দুৰ্নীতি কৰিব পাৰে। মই যি বেদব্ৰত বৰাৰ কথা কৈছো তেওঁ দলৰ Chief Spokesperson হয়। তেওঁ কৈছে যে বিয়াত উপহাৰ লোৱাটো ভুল নহয়। তেওঁলোকৰ সভাপতিয়েও কৈছে যে ই ভুল নহয় । তাৰ মানে এতিয়া আমাৰ বিষয়া আদি সকলোকে কংগ্ৰেছ দলে দুৰ্নীতিৰ এটা ব্যৱস্থা শিকাই দিলে যে তেওঁলোকে বেলেগত নালাগে ভতিজা-ভাগিনৰ বিয়া পাতি তাত লৈ ল'ব পাৰিব। Corruption কেনেকৈ কৰিব পাৰি তাৰো public tips/free advice কংগ্ৰেছ দলে দিয়ে। অখিল গগৈ ডাঙৰীয়া নিজেই Anti-Corruption activist হৈ তেখেতে সেইটোক justify কৰে। এই অভিযোগটো যদি কিবা কাৰণত হিমন্ত বিশ্ব শৰ্মাৰ ওপৰত আহিলহেঁতেন তেন্তে শেষেই হৈ গ'লোহেঁতেন ........interruptions.......

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** মই কথা এটা কওঁ, মই সঁচাকৈয়ে নাজানো যে বিয়াত যদি কিবা দিয়ে, সেইটো Income Tax ত দেখুৱাব লাগে। এই বিষয়ে মই নাজানো বুলি আপোনালোকক স্বীকাৰ কৰিছো।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰীঃ** আপোনালোকে চাব, বহুতে ভাৱে অসমৰ মিডিয়াই অখিল গগৈক সমৰ্থন কৰে। কিন্তু এই ঘটনাটোত অখিল গগৈ appointing authorityও নহয়, তেওঁ ৰাকেশ পালক নিযুক্তি দিব নোৱাৰে। কিন্তু অখিল গগৈৰ ওপৰত যিমান News বাজিছে, গৌৰৱ গগৈৰ ওপৰত সিমান বজোৱা নাই। কিয়নো অখিল গগৈ সাধাৰণ ঘৰৰ ল'ৰা হয়। These are serious allegation. অখিল গগৈ ডাঙৰীয়াৰ allegation is that by the way of discussion, তাত কোনো proof নাই ..........interruptions....

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** আপোনাৰ politics টো বৰ ধুনীয়া হৈছে।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰীঃ** মই কোনো politics কৰা নাই। আপুনি ইমান justice ৰ কথা কৈ যদি এইটো politics বুলি ভাৱি থাকে তেতিয়া হ'লে অন্যায় হ'ব .......interruptions...

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** বেছি দীঘলীয়া হৈছে।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰীঃ** শুনক, আৰু বহুত ক'বলৈ আছে। দেবব্ৰত শইকীয়া ডাঙৰীয়াৰ এটা কথা মই মানি লৈছো যে Tarun Gogoi can not defend himself, গৌৰৱ গগৈ ডাঙৰীয়াই নিজক defend কৰিব পাৰে নে নোৱাৰে? Has he defended? আজিলৈকে কোনোবাই Facebook, Twitter ত দেখিছে নেকি? কাক লগাই দিছে? ভূপেন বৰাক। যে তুমি defend কৰা মোক। মই ইমান ডাঙৰ ৰজা, মই কেনেকৈ নিজে ক'ম? আৰু defend কৰোতে কৰোতে বিপ্লৱ শৰ্মাৰ পিছতে লাগি আছে যে তেওঁক এনেকুৱা মানুহ বুলি জনা নাছিলো। তাৰ মানে বিপ্লৱ শৰ্মাই লিখিব লাগিছিল যে তৰুণ গগৈয়ে ৰাকেশ পালক নিযুক্তি দিয়া নাই, সৰ্বানন্দ সোণোৱালেহে ৰাকেশ পালক নিযুক্তি দিছে। তেনেকৈ লিখিব লাগিছিল নেকি? এই গোটেই তদন্তটোৰ কাৰণে মই এটা কথাই বিচাৰিম যে অসম কংগ্ৰেছ দলে অসমৰ যুৱ শক্তিৰ ওচৰত ৰাকেশ পালৰ হোৱা নিযুক্তিৰ কাৰণে ক্ষমা বিচাৰিব। They must render a public apology যে আমাৰ দিনত ই এটা ভুল আছিল। ভৱিষ্যতে কেতিয়া ক্ষমতাত আহো নাজানো, কিন্তু যদি কেনেবাকৈ ক্ষমতাত আহিব পাৰো এনেকুৱা ভুল আৰু আমি জীৱনত দ্বিতীয়বাৰ নকৰো। অসমৰ যুৱ-প্ৰজন্মৰ এইটো অধিকাৰ। They owe this from the Congress Party. তাৰ পিছত ৰাকেশ পাল ডাঙৰীয়াৰ বিষয়ে যিবিলাক কথা লিখা গ'ল, তেওঁৰ পত্নীয়ে কি ক'লে,

তেওঁৰ মাতৃয়ে কি ক'লে, গৌতম ৰয়, নীলমণি সেন ডেকা, সুমিত্ৰা পাটিল এই গোটেই ঘটনাবিলাক য'ত যেনেকৈ হৈছে মই তাৰ ওপৰত ক'ব বিচৰা নাই। যি ধৰণে ৰাকেশ পালক নিযুক্তি দিয়া হ'ল আৰু যি ধৰণে ৰাকেশ পালক ২০০৮ৰ পৰা সৰ্বানন্দ সোণোৱাল ডাঙৰীয়া মুখ্যমন্ত্ৰী নোহোৱালৈকে দুৰ্নীতি কৰাৰ license দিয়া হ'ল, হাজাৰ জনৰ সপোন ধ্বংস কৰিবলৈ অনুমতি দিয়া হ'ল, আমাৰ স্বাধীন অসমত ইমান ডাঙৰ অন্যায় অসমৰ যুৱ প্ৰজন্মৰ বিৰুদ্ধে কেতিয়াও হোৱা নাছিল। ৮৮০ জন শ্বহীদ, এইবিলাক মই পাহৰি গৈছো। But this is the highest level of crime the Congress Party has committed for the youth of Assam. মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ পিছত আমি এটা এটাকৈ action লৈছো। কেইগৰাকীমান বিষয়াৰ বিৰুদ্ধে action লোৱা নাই বুলি অভিযোগ উঠিছে। ন্যায়াধীশ বিপ্লৱ শৰ্মা আয়োগৰ প্ৰতিবেদনখন পঢ়িব। তেখেতে তাত নিজেই লিখি দিছে যে এওঁলোকে otherwiseও APSC পালেহেঁতেন। Cut Off marksত manipulation ৰ নম্বৰটো যদি বাদো দিওঁ, তথাপিতো তেওঁলোকে otherwise ও APSC পালেহেঁতেন বুলি লিখা আছে। But against them also .....interruptions...

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ** তাততো স্পষ্টকৈ লিখা আছে যে ২০১৩ ৰ গোটেই Batchটো cancel কৰিব লাগে। আপুনি সেইটো এৰাই বেলেগ কথা ক'লে কিন্তু আপুনিয়েই .....interruptions...

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰীঃ** মই কৈ আছো। মই তালৈকে যাব খুজিছো .....interruptions...

**মাননীয় অধ্যক্ষঃ** উত্তৰটো শুনি লওঁক।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰীঃ** তাৰ পিছত যেতিয়া লোক সেৱা আয়োগৰ প্ৰতিবেদন আহিল বিপ্লৱ শৰ্মা ডাঙৰীয়াই ক'লে যে ২০১৩-১৪ দুয়োটাৰে গোটেই batch টো কেনচেল কৰিব লাগে। জিষ্ণু বৰুৱা, পৱন বৰঠাকুৰক আমি কমিটি কৰি দিলো আৰু আমাৰ গোটেই judicial বিশেষকৈ তাত যিখিনি আমাৰ judicial মানুহ আছিল, সকলোৱে ক'লে যে এনেকুৱা পৃথিৱীত ক'তো নিয়ম নাই । আপোনালোকে অৰ্ডাৰ এখন উলিয়াই দিব পাৰে। তাৰ পাছৰ দিনা খনে High Court য়ে ষ্টে অৰ্ডাৰ উলিয়াই দিব। কাৰণ যিজন মানুহৰ বিৰুদ্ধে কমিটিয়ে কোনো কমেন্টে দিয়া নাই, সেই মানুহজনক আপুনি কেনেকৈ চাকৰিৰ পৰা খেদিব পাৰিব। Law বুলি টো কিবা এটা আছে। গতিকে আজি যদি আপোনালোকে বিচাৰে অহাকালি মই অৰ্ডাৰ এটা উলিয়াই দিব পাৰো।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ** অৰ্ডাৰ উলিয়াই দিয়ক, তেতিয়া আমি গম পাম যে আপুনি তাত জড়িত নাই।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** অধ্যক্ষ মহোদয়, এই অৰ্ডাৰটো উলিয়াবলৈ যিসকলে কৈ আছে তেওঁলোকে basically culprit খিনিক defend কৰিব বিচাৰিছে। কাৰণ কিয়, যদি চৰকাৰে এটাও ভুল অৰ্ডাৰ উলিয়ায় তেতিয়াহ'লেতো culprit খিনিও একেলগে re-instate হ'ব। আজি যদি মই হত্যা কৰা নাই, যদি চন্দ্ৰমোহন পাটোৱাৰীয়ে হত্যা কৰিছে আৰু মোকো যদি অভিযুক্ত কৰে কেচটো দুয়োটাৰে মুক্ত হৈ যাব। সেই কাৰণে আমি আচল কথাটো ধৰি আছো । প্ৰথম দুৰ্নীতিত অভিযুক্তখিনিৰ ওপৰত বিচাৰ হওঁক আৰু যদি আমি তাত কাৰো লগত নাম নাই একেলগে কৰো গোটেই বিলাকে এখন অৰ্ডাৰতে Re-instate পাব আৰু গুৰুত্বপূৰ্ণ কথাটো হ'ল কোনোবাই যদি Re-instate পায় আমাৰ মানুহে উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ জনক নকৈ আপুনি

কিয় Re-instate কৰিলে তেতিয়াও চৰকাৰক গালি পাৰে। আজি আমি উচ্চ ন্যায়ালয়ত Re-instate ৰ বিপৰীতে আমি আপীল কৰিছো। ইয়াৰ পিছত উচ্চ ন্যায়ালয়ে যি ৰায় দিয়ে তাৰ ভিত্তিত উচ্চতম ন্যায়ালয়লৈ যাবলৈও সাজু হৈ আছো। আমি কাকো এৰি নিদিউ। উচ্চতম ন্যায়ালয়ৰ সিদ্ধান্তৰ পিছতহে আমি সেইটো সিদ্ধান্ত মানি ল'ব লাগিব চৰকাৰ হিচাপে, তাত কোনো কথা নাই। এই কেচটো যদি কেনেকৈ দিয়া হৈছে চৰকাৰে তাক পৰিচালিত কৰাত ঠিক হৈছে নে নাই উচ্চ ন্যায়ালয়ত যদি অখিল গগৈ ডাঙৰীয়াই ও সেইটো আলোচনা কৰিব খোজে মই মুখ্য সচিব ডাঙৰীয়াক কম এইটো আপুনিও আলোচনা কৰিব ল'ব কোনো আপত্তি নাই তাত । প্ৰথম বাৰ অসমত এনেকুৱা হৈছে যে 39 officer has been dismissed from the service. The Hon'ble High Court has upheld আজিলৈকে অসমৰ ইতিহাসত departmental proceedings নকৰাকৈ চাকৰিৰ পৰা বৰ্খাস্ত কৰাৰ কোনো নজিৰ নাছিল । আমি প্ৰথমবাৰৰ বাবে departmental proceedings অবিহনে কৰিছো, কাৰণ সেই সময়ত যিহেতু probationary period আছিলে আমি লগে লগে প্ৰথম ৰিপোৰ্টত যিখিনি মানুহৰ নাম আহিছিল গোটেই খিনি মানুহক চাকৰিৰ পৰা বৰ্খাস্ত কৰি দিলো । এৰেষ্ট কৰা হ'ল, তেওঁলোকক আপোনালোক সকলোৱে জানে এজনকো ৰেহায় দিয়া হোৱা নাই প্ৰথম batch ত। দ্বিতীয় batch টো আমি এটা এটা কৈ এক্সন লৈছো । উচ্চ ন্যায়ালয়ৰ এজনীয়া বিচাৰপীঠে ৰায় দিছে আৰু সেই ৰায়দানৰ ওপৰত ভিত্তি কৰি খণ্ড বিচাৰপীঠলৈ গৈছো তাৰ পিছত আকৌ খণ্ড বিচাৰপীঠে কৈছে এজনীয়া বিচাৰপীঠলৈ যোৱা । তেতিয়া আমি আকৌ আমি এজনীয়া বিচাৰপীঠলৈ গৈছো। হাইকোৰ্টে ৰায়দান দিয়াৰ পিছতো contempt হলে হওঁক বুলি আমি আজিলৈকে এজনকো Re-instate কৰা নাই, কোনো উদাহৰণে নাই। হাইকোৰ্টৰ ৰায়দানৰ পিছতো সাহসৰে Re-instate নকৰাকৈ থকাটোৰ।

**শ্ৰী অখিল গগৈ, শিৱসাগৰ** ঃ order টো...

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** Order টোত একো লিখা নাই। কাগজ, বিপ্লৱ শৰ্মা সমিতিৰ ৰিপোৰ্টখন হাইকোৰ্টৰ সন্মুখতে আছে আৰু আমি কৰ পৰা কাগজ দিব লাগে।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ সমিতিৰ ৰিপোৰ্টৰ কাউন্টাৰ affidavit টো দিয়া নাই।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** গুৱাহাটী উচ্চ ন্যায়ালয়ে যদি কৈছে, কাগজ দিয়া নাই কাৰণে আমি Re-instate কৰিছো, এতিয়াটো কাগজ দিলো, এতিয়া Order টো খালী কৰি দিয়ক। মই আপোনাক confidently কৈছো we have laid down all the papers, এতিয়া Order টো review কৰি দিয়ক। আপুনি অনুসৰণ কৰা নাই। আপোনালোকে খালী injustice ৰ twitter handle টো চাই থাকে, আমাৰ খিনি নপঢ়ে। হাইকোৰ্টে অৰ্ডাৰ দিলে, অৰ্ডাৰ দিয়াৰ পিছত অৰ্ডাৰটো আমি খণ্ড বিচাৰপীঠত আপিল কৰিলো। খণ্ড বিচাৰপীঠে ক'লে তোমালোকে এজনীয়া বিচাৰপীঠলৈ যোৱা, আকৌ তালৈ আহিলো। আমি কাকো Re-instate কৰা নাই। এজন ব্যক্তিয়েও চাকৰিত পুনৰ যোগদান কৰা নাই আৰু যোগদান কৰিব নোৱাৰে। যেতিয়ালৈকে উচ্চতম ন্যায়লয়ে নকয় যে এখেতক যোগদান কৰাৰ অনুমতি দিয়া we will go all the way আমি কাকো Re-instate নকৰো।

**শ্ৰীমনোৰঞ্জন তালুকদাৰ, সৰভোগ** ঃ কিছুমানে কাম কৰি আছে, এতিয়াও।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী** ঃ কোনো কাম কৰা নাই। যাৰ ওপৰত বিপ্লৱ শৰ্মা সমিতিৰ report য়ে কৈছে, তেখেত illegal বুলি, এই ৯ জনৰ recommendation টো আপুনি নিজে

পঢ়ি ল'ব। এই ৯ জনৰ বিপৰীতে কলমত কি লিখা আছে, আপুনি নিজে পঢ়ি ল'ব, মই ব্যক্তিগত হ'ব খোজা নাই। এই ৯ জনৰ total marks টো যোগ কৰিলেও তেখেতে report ৰ কলমত কি লিখা আছে, সেইটো আপোনালোকে নিজে পঢ়ি ল'ব। Now report is before you, আপোনালোকে চাই ল'ব। তাত বিপ্লৱ শৰ্মা ডাঙৰীয়াই নিজে ভাগ ভাগ কৰি দিছে। শেষত তেখেতে কৈছে ২০১৩-১৪ ৰ খিনি খেদি দিয়ক বুলিও কোৱা নাই, Government can think of, আমি তেতিয়া legal ক সুধিছো যে এনেকৈ পাৰি নেকি? কৈছে যে এনেকুৱাটো কোনো নিয়ম নাই, যাৰ ওপৰত অভিযোগ আছে, তাকে পাৰিব। Any way, যদি আপোনালোকে ভাৱে কোনোবা উকিলে যদি আপোনালোকক ভাল case, law দি recommend কৰিব পাৰে যে নহয়, গোটেই বিলাক খেদি দিব পৰা ব্যৱধান আছে, তেতিয়া আমাৰ কোনো আপত্তি নাই। আমি কাকো ইয়াত defend কৰিবৰ কাৰণে অনা নাই। কিন্তু চৰকাৰৰ এটা ভুল সিদ্ধান্তই নিৰপৰাধী এজনৰ বিপক্ষে লোৱাৰ সিদ্ধান্তই অপৰাধীজনক সহায় কৰে। It helps the criminal to accept from the the law of the Land, সেইকাৰণে আমি কোনো কেচ close কৰা নাই, আমাৰ তদন্ত চলি আছে। We are open to any new suggestion. Any suggestion based on Law and facts. We are ready to accept. কাৰণ এইবিলাক আমাৰ লগত কোনো চিনাকিও নহয়, চিনিও নাপাওঁ, আমাৰ লগত একো কথা নাই। খালী মই এটাই কথা জানো যদি evidence থকা মানুহৰ against ত evidence নথকা মানুহৰ কেচ এটা যদি লগাই দিওঁ, then everybody will be benefited. আমি যাতে মানুহখিনিক benefit নিদিওঁ। সেইটোৰে কথা আৰু this is the recommendation of two Chief Secretaries. দুইজনক লৈ মই কমিটি কৰি দিছিলো যে আপোনালোকে কমিটি কৰি মোক recommendation দিয়ক আৰু আমি তাত সোমোৱাও নাই। মাননীয় অধ্যক্ষ মহোদয়, আজি আমি APSC ত কেনেকৈ চাকৰি দিছো। এইবাৰ APSC ৰ ৰিজাল্ট দিয়াৰ পাছত APSC ৰ Chairman ডাঙৰীয়াই মোক এটা whatsapp মেছেজ দিছিল ভাৰত ভূষণ চৌধুৰী। তেখেতে মোক কৈছিল যে চাৰ, ৰিজাল্ট হ'ল, সকলো হ'ল কিন্তু ইয়াৰ মাজত এনেকুৱা ল'ৰা আছে আপুনি যদি পঢ়িবৰ বাবে এবছৰ তেওঁলোকক ছুটী দি দিয়ে, দিল্লীত পঠাই দিয়ে, ১০ জন ল'ৰা ইয়াৰ পৰা IAS পাব। This is the level of examination we have conducted. মই মিটিঙতো সেইদিনাখন কৈছো অৱসৰ প্ৰাপ্ত অধ্যক্ষ তেওঁ ৰিজাল্ট দি লিখিলে whatsapp ত যে ইয়াৰ ভিতৰত অন্তত ১০ জন ল'ৰাই IAS পোৱাৰ merit আছে। আজি আমি এইটো level ত গৈ আমি APSC ত নিৰপেক্ষতা আনিছো। আজি সকলো কথাত আমাক সমালোচনা কৰিব পাৰে, কিন্তু চৰকাৰী চাকৰিত স্বচ্চতা অনাৰ ক্ষেত্ৰত এইখন চৰকাৰে যি ঐতিহাসিক সিদ্ধান্ত লৈছে, তাৰ কোনো তুলনা অসমৰ সমসাময়িক বুৰঞ্জীত নাই। আশা কৰো যে এই ধৰণে অসমৰ নতুন প্ৰজন্মই ন্যায় পাব, justice বিপ্লৱ শৰ্মা কমিটিয়ে অসমৰ প্ৰতিজন মুখ্যমন্ত্ৰীক সোৰৰাই দিব যে ভৱিষ্যতে যাতে এনেকুৱা কাম নহয়। We should not shoot the messenger. আজি কংগ্ৰেছ দলৰ সভাপতি গৰাকীয়ে on record, বিপ্লৱ শৰ্মাক ভাল মানুহ বুলি ভাবিছিলো, তেওঁ ভাল মানুহ নহয়। এইফালে বিৰোধী দলপতি গৰাকীয়ে কৈ আছে যে ৰিপোৰ্টটো সদনত আনিব লাগে আৰু তেওঁৰ দলৰ সভাপতিয়ে কৈ আছে যে এইটো report টোৰে ঠিক নহয়। They talk in two different line. আজি দেবব্ৰত শইকীয়াই কৈছে section এটা দি notice দিব লাগে, অহাকালি যদি মই গৌৰৱ গগৈক notice দিওঁ কি হ'ব যোৰহাটত জিকাৰ

কাৰণে ভয় খাই চৰকাৰে notice দিলে। But we have taken the suggestion on record. দেবব্ৰত শইকীয়া ডাঙৰীয়াই কৈছে section টো মই চাই ল'ম।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** এইটো আপোনাৰ দ্বাৰা নহয়। এইটো Commission of inquiry 1942,8(B).

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** আপুনি মোক suggestion এটা চাই দিব। Action taken report ৰ সময়ত infact আমাৰ বিদায়ী DGP জনে এটা সময়ত মোৰ ওচৰলৈ এটা ফাইল লৈ আহিছিল যে আমি ইয়াৰ ওপৰত এটা decision ল'ব লাগে। কিন্তু political নহ'বৰ কাৰণে মই ক'লো যে house ত report টো আহক। এতিয়া কংগ্ৰেছ দলে সিদ্ধান্ত লৈ জনাব যে whether we should issue a notice to Gaurav Gogoi or not. তেওঁতো publicly deny কৰিও statement দিয়া নাই। এতিয়া সেইটো যদি আপোনালোকে ৰাজনীতি বুলি নকয়, তেতিয়াহ'লে we will take this to a logical conclusion.ইয়াত কৰিবলগীয়া কাম আৰু আছে। আৰু যদি ৰাজনীতি বুলি নকয়, তেতিয়াহ'লে আমি এইটো কেচত একো নকৰো কাৰণ এটা প্ৰকাণ্ড ডাঙৰ হাতী আহি আছে। যি ওলাব গৈ আছে সেইটো একোৱে নহয়। গতিকে we can wait for another few months.

মাননীয় অধ্যক্ষ মহোদয়, মই বহুত দীঘলীয়াকৈ নকওঁ, সদনৰ হৈ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ শৰ্মা ডাঙৰীয়াক ধন্যবাদ আৰু অভিনন্দন জনাইছো যে তেখেতে আমি কৰা তদন্তৰ লগত আৰু কেইবাটাও বিষয় আমাৰ নজৰলৈ আনে। আজি আমি action taken report দিয়া নাই। Next house ত আমি action taken report আনিম যে commission ৰ report ৰ ওপৰত আমি কি কি বিহীত ব্যৱস্থা লৈছো আৰু আপোনালোকে তেতিয়া আৰু discuss কৰাৰ কাৰণে সুযোগ সুবিধা পাব। সদনক মই আস্বস্ত কৰিছো যে এই গোটেই কেচটো আমি sincerely খেলিম, কাকো আমি সহজে চাকৰিত reinstate বা ঘূৰি আহিব নিদিওঁ আৰু we will take all possible legal reports going upto Supreme Court বা যিমান যি আছে। যিমান legal reports ল'ব লাগে আমি ল'ম আৰু সেইধৰণে আমি অসমত এটা কলংকিত অধ্যায়ৰ সামৰণি মাৰিবৰ কাৰণে যত্ন কৰিম, উচিত শাস্তিৰ জৰিয়তে। অসমৰ নৱ প্ৰজন্মক ন্যায় দিয়াৰ বাবে, নিযুক্তিত স্বচ্ছতা অনাৰ কাৰণে আমাৰ প্ৰচেষ্টা আমি অব্যাহত ৰাখিম। ধন্যবাদ।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা clarification আছে। মহোদয়, Punjab Public Service Commission ৰ chairman ক দূৰ্নীতিৰ অভিযোগত গ্ৰেপ্তাৰো কৰা হৈছিলে। এইটো প্ৰথম নজিৰ নহয় অসমত। দ্বিতীয় কথাটো হৈছে, যিটো report

----interruption-----

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** সদস্য আৰু অধ্যক্ষ দুয়োজনকে একেলগে গ্ৰেপ্তাৰ কৰাৰ contemporary উদাহৰণ মই নাই বুলি কৈছো, আপুনি চাই ল'ব।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** দ্বিতীয়তে, Page -63(A) ত প্ৰথম report তে Supreme Court ৰ এটা ruling আছে। এটা entire batch কে খাৰিজ কৰি দিবৰ কাৰণে Supreme Court য়ে অৰ্ডাৰ দিছিলে। মুখ্যমন্ত্ৰী মহোদয়ে যাতে এইটো ভালদৰে চায় আৰু মই এইটো অনুৰোধ কৰিছো যাতে এই entire batch কে খাৰিজ কৰি দিব পৰা যায়।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা clarification আছে। Directly ৩৯ জনক আপোনালোকে বৰ্খাস্ত কৰি দিলে আৰু এইটো termination simpliciter ত পাৰে। কিন্তু বাকী ৩৪ জনক তেওঁলোকে appointment ৰ সময়ত যিটো কাম কৰিলে refers to a termination without assigning any sigma or misconduct to this officer, if an appointment is void 'ab initio' from the begining due to fraud, misinterpretation or an invalid selection of process. এতিয়া এই ৩৪ জনো তাত পৰে। কিন্তু এই ৩৪ জনক আপোনালোকে DP কেনেকৈ কৰিলে? তেওঁলোকক বৰ্খাস্ত কৰিব লাগিছিল। কাৰণ তেওঁলোকে service ত এইটো কাম কৰা নাই, before appointment কৰিছে।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ ওপৰত যেতিয়া প্ৰথম probation period ৰ মানুহ কেইজনক আমি without DP suspension কৰিছিলো, তাৰ ওপৰত বহুত ডাঙৰ judgement ওলাইছিলে। তাত এটাই কথা কৈছে যে Government has the right upto probation period. Probation period ৰ পিছত আমি DP কৰিবই লাগিব। That is the order. আৰু ইয়াৰ ওপৰত আমি যিকেইটা কেচ পৰি আছো তাৰ ওপৰত আৰু বেলেগ বেলেগ কেচো আছে। কিন্তু মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াক মই অনুৰোধ কৰিম যে যদি কোনোবা ভাল অধিবক্তাই আমাক judicial comment দিয়ে যে without DP at this stage also আমি খেদিব পাৰো, তেনেহ'লে আমি খেদি দিম। কিন্তু High Court য়ে DP য়ে কৰিব দিব খোজা নাই। DP ও stay কৰি দিছে। DP নোহোৱাকৈ খেদাটো next stage.আমি যিকেইটা কেচৰ against ত DP কৰিছো, তাৰে কেইবাটাও DP High Court য়ে stay কৰি দিছে। গতিকে আমি যদি খপজপকৈ সিদ্ধান্ত লওঁ তেতিয়াহ'লে তেওঁলোকে কোৰ্টৰ পৰা এখন অৰ্ডাৰ লৈ আহিব। তেতিয়া আমি এনেকুৱা এটা পৰিৱেশত পৰিম যে আমি reinstate কৰি দিব লাগিব আৰু তাৰ পাছত এটা অস্বস্তিকৰ পৰিৱেশ হ'ব। সাধাৰণ মানুহেতো বুজি নাপায় যে High Court ৰ অৰ্ডাৰত reinstate কৰিছে। মানুহে ভাবিব আমি reinstate কৰিছো। সেইকাৰণে মোৰ অনুৰোধ যে ইয়াত আমি open আছো। যদি মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়া এটা ৰাষ্ট্ৰীয় ৰাজনৈতিক দলৰ ব্যক্তি, দিল্লীতো তেখেতৰ জনাশুনা আছে, যদি আমি legal advice পাওঁ যে কোনটো Supreme Court ৰ case ৰ অধীনত without DP ১০ বছৰ পিছতো, চাকৰি confirm হোৱাৰ পাছতো যদি আমি খেদিব পাৰো, with DP আমি পাৰো যিহেতু 'ab initio' appointment was wrong.Without DP ও আমি পাৰো নেকি আপুনি চাই দিয়ক আৰু যদি পাৰো, to con-

sider that মোৰ কোনো সমস্যা নাই।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অলপ আগতে মুখ্যমন্ত্ৰী ডাঙৰীয়াক কৈছিলো যে চৰকাৰৰ গাফিলতিৰ কাৰণে কোৰ্টে লিখি দিছে। মই মুখ্যমন্ত্ৰী ডাঙৰীয়াক Court order 19-02-2025 যিটোত ক'লে যে প্ৰিয়ঙ্কা দাস নামৰ এগৰাকী ছোৱালীয়ে কেচ দিছিলে যে মোক কিয় চাকৰিৰ পৰা খেদিব। সেইটোত single bench য়ে ক'লে যে চাকৰিৰ পৰা খেদিব নোৱাৰে। তেওঁলোকে তাৰ কাৰণ দেখুৱাই দিলে। তাৰ পিছত আমাৰ চৰকাৰৰ ফালৰ পৰা double bench ত গ'ল। তেওঁলোকে appeal কৰিলে আৰু সেই appeal ত কি অৰ্ডাৰ দিলে- তাৰ পেৰা নং-২৯,৩০,৩২,৩৩ আৰু ৩৬ টো মই মুখ্যমন্ত্ৰী ডাঙৰীয়াক পঢ়ি চাবলৈ অনুৰোধ কৰিম। তাৰে মই আধা লাইন গাই দিছো -When no affidavit in opposition has been filed by the appellant,inspite of resonable time granted vide order no.dated-13-11-2024,06-12-2024,07-01-2024,08-01-2025 and 13-01-2025 এই পাঁচবাৰ কোৰ্টে কৈছে যে তোমালোকে counter affidavit দিয়া আৰু আজি যি ৰিপোৰ্টৰ বিষয়ে আলোচনা হৈছে, সেই বিপ্লৱ শৰ্মা ৰিপোৰ্টটো তোমালোকে জমা দিয়া। চৰকাৰে ইচ্ছাকৃত ভাৱে এই মানুহবিলাকক চাকৰি দিবৰ বাবে আৰু মুখ্যমন্ত্ৰীৰ বুদ্ধিটোতো আমি গম পালোৱে---interruption-----

**মাননীয় অধ্যক্ষ ঃ** আপুনি প্ৰশ্নটো কৰক। ভাষণ দিব নালাগে।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মুখ্যমন্ত্ৰী মহোদয়ক এটাই অনুৰোধ কৰিছো যে যদি মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ মানুহ নাই তেতিয়াহ'লে B.K. sarma ৰ ৰিপোৰ্ট অনুসৰি দুটা সিদ্ধান্ত দিব লাগে। মই নিজকো কৈছো যে ইয়াত CBI inquiry দিয়াৰ কথা কৈছে বিপ্লৱ শৰ্মাৰ ওপৰত responsibility fix কৰিবৰ কাৰণে। মোৰ বন্ধু এজনৰো নাম আছে আৰু তাত মোকো সাঙুৰি লোৱা হৈছে। মোৰ ওপৰতো CBI inquiry দিব লাগে আৰু দ্বিতীয়তে, বিপ্লৱ শৰ্মাৰ ৰিপোৰ্ট অনুসৰি গোটেই set টোকে একেবাৰে cancel কৰিব লাগে বুলি যিটো order আছে, সেইটোৰ ব্যৱস্থা কৰিব লাগে।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যদি কয় আমি ধৰিলো আৰু আমাকে যদি কৰি দিয়ে। এই কেচটো BJP য়ে ধৰিলে, আমি ধৰিলো। আকৌ আমাকে যদি বুলি কৈ দিয়ে তেতিয়াহ'লে মানুহে এইটো কেচ বুলিয়ে নধৰিব। আপোনালোকে যদি পুলিচকে চোৰ বুলি কৈ দিয়ে, তেতিয়া পুলিচে ক'ব যে চোৰ হৈ থকাই ভাল। আমিয়ে ধৰিলো কেচটো আৰু এতিয়া কৈ আছে যদি আপোনাৰ কোনো চিনাকি মানুহ নাই। যদি মোৰ কোনো চিনাকি মানুহ থাকিলেহেতেন, প্ৰথমতে কেচটো নকৰিলোহেতেন। আপুনি যিটো 'যদি' ক'লে, সেই 'যদি'টো কিয় কৈছে যে don't do honestly there after. আপুনি কি মেছেজ দিব খুজিছে, যে ভৱিষ্যতে যদি কোনোবা corrupted officer ক আপোনালোকে এৰেষ্ট কৰে আপোনালোকক লগাই দিম

যে আপোনালোকৰ সম্পৰ্ক আছে। আজি অন্ততঃ ধন্যবাদ দিয়ক যে বি.জে.পি য়ে আজি ৰাকেশ পালৰ ঘটনাক জনতাৰ সন্মুখলৈ আনিলে। আজি ইমানখিনিলৈকে বি.জে.পি য়ে লৈ আহিলে। আজি অসমত স্বচ্ছ নিযুক্তিৰ পৰিবেশ এটা বি.জে.পি য়ে নিৰ্মাণ কৰিলে। যদি ধন্যবাদ জনোৱাৰ সাহস নাথাকে মই নাভাবো সমালোচনা কৰাৰ নৈতিক অধিকাৰ কাৰোবাৰ আছে নে নাই that has to be examined. মাননীয় অধ্যক্ষ মহোদয়, মই উচ্চতম ন্যায়ালয়ৰ judgement ৰ ওপৰত যাব খোজা নাই। Date কেইটা আপুনিয়েই চাব যে এনেকৈ affidavit দিয়া date দিয়ে নেকি? Affidavit in opposition দিয়া এটা sizable সময় দিয়ে। মোৰ সাহস আছে। সাহসৰ কোনো অপবাদ নাই। হাইকোৰ্টৰ Judge ৰ কথাও মই ক'ব পাৰো। মোৰ সাহসৰ কোনো অভাৱ নাই। আপুনি যিকেইটা date পঢ়ি দিলে, সেই date কেইটা দেখিলেই গম পায় যে there was a urgency. তিনিবছৰতো affidavit নাহে। এই কেচটোত গোটেই date কেইটা পঢ়িলেই চাব 20/11, 2/11. এবাৰতেই চাৰি-পাঁচবাৰকৈ হাইকোৰ্টত এই কেচটো আহিছে। সাধাৰণ মানুহৰ কেচ এনেকৈ আহে নেকি? এইকাৰণেই মই কিছুমান কথাত মাত দিব নোখোজো। আপুনি পঢ়ি দিয়া date কেইটাই চাওঁক 13/11, 6/12,7/1,8/1, 13/1. এইটো কেচ হাইকোৰ্টত দুমাহত পাঁচবাৰ আহি গ'ল। আজি প্ৰিয়ঙ্কা দাস ইমান ডাঙৰ মানুহ হৈ গ'ল যে তেওঁৰ কেচটো হাইকোৰ্টত বাৰে বাৰে top list আহি যায়। মই এইটোকে কৈছো যে I am not entirely with this judgement. যেতিয়া public employment জড়িত আছে, হাজাৰ হাজাৰ নিবনুৱা যুৱকৰ ভৱিষ্যত জড়িত আছে High Court should have summons Chief Secretary যে আপুনি কিয় affidavit দিয়া নাই কওঁক। This is not a case judgement will be delivered without affidavit in opposition. High Court য়ে Chief Secretary ক মাতিব লাগিছিল। যদি এই অৰ্ডাৰটো মই দিওঁ, গোটেই APSC তদন্তত খেলি-মেলি আহিব, অসমৰ যুৱ প্ৰজন্ম হতাশ হ'ব। আপুনি মোৰ সন্মুখত আহক আৰু আপুনি মোক কৈ দিয়ক কিয় affidavit দিয়া নাই। দিয়াৰ বাবে সময় ক'ত? পাঁচদিনৰ মূৰে মূৰে date পৰিলে ক'ত affidavit পাব। গোটেই বিলাক আপুনিয়েই পঢ়ি দিয়া date. সেইকাৰণে মই ইয়াত যাবই খোজা নাছিলো। আজি আমি affidavit দিছো। জাষ্টিচ বিপ্লৱ কুমাৰ শৰ্মাৰ কমিশ্যনৰ ৰিপোৰ্ট আপুনি নিজেও জানে যে Assembly ত produce নোহোৱাকৈ Government য়ে কোৰ্টত দিব নোৱাৰে, This is a Law.

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, সৰভোগ ঃ** আপুনি delay কৰিছে।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** মই কিয় delay কৰিছো যোৱাবাৰেই মই কৈছিলো। কিবা এটা তাড়নাত পৰি মই delay কৰিছিলো। তাৰ কাৰণে যদি মোক দোষী বুলি ভাবে মই দোষী। যোৱাবাৰ হাউচৰ আৰম্ভণীতে কৈছিলো যে এই প্ৰতিবেদনখন মই দিব খোজা নাছিলো। তাৰকাৰণে কিবা ব্যক্তিগত সম্পৰ্ক এটা থাকে, তাড়না এটা থাকে। এইটো মই অকপটে স্বীকাৰ কৰিছো যে মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াৰ নামটো অহাৰ কাৰণে এই প্ৰতিবেদনখন মই হাউচত আনিব খোজা নাছিলো। But duty is above relation. যেতিয়া মোক ডিউটিটো remind কৰি দিয়া হ'ল যে আপুনি দিবই লাগিব। ডিউটিৰ ওপৰতটো relation নাহে। Then I got it. High Court could have waited যে এইটো টো Assembly. ইমান তাৰিখে High Court ত আহিয়ে আছে। Assembly has been summon. এখন নিৰপেক্ষ কাম কৰা চৰকাৰৰে দায়িত্ব নহয়। Executive, Legislative, Judiciary every body has to work

in tandem.আজি আমি এতিয়া গোটেইখিনি কাগজ দিছো, affidavit দিছো। আমি বিপ্লৱ শৰ্মা কমিটিৰ প্ৰতিবেদনখনো দিব পৰা অৱস্থাৰে আহিলো। আলোচনা হৈ গ'ল। ইতিমধ্যে কিজানি দিলেই। আমি re-instate ও কৰা নাই। Same judgement can be resumed. আমি affidavit opposition দিয়া নাই কাৰণে সেই judgement টো দিয়া হৈছিল।

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো ৰেকৰ্ডত থাকিব লাগে যে আপুনি ইচ্ছাকৃত ভাৱে বি.কে. শৰ্মাৰ প্ৰতিবেদনখন ইয়াত দাখিল কৰিব খোজা নাছিল। আপুনি কাৰণটো তৰুণ গগৈ দেখুৱাই আছে কিন্তু কাৰণটো আপোনাৰ ভিতৰৰ লিষ্টখন। আপুনি যিখিনি লিষ্ট দিছিল সেই মানুহখিনিৰ চাকৰি যায় বুলি আপুনি দিয়া নাই।

**শ্ৰী দেৱব্ৰত শইকীয়া, নাজিৰা ঃ** যি হৈ গ'ল হৈ গ'ল। এতিয়া আশ্বাস দিব লাগে যে এতিয়া একশ্যন ল'ব লাগে।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** আপুনি মোৰ লৈকে নিদিব। অসমৰ সকলো মানুহে জানে যে অসমত যদি নিৰপেক্ষ নিযুক্তি দিয়া এজনেই মানুহ আছে সেই মানুহ জনৰ নাম হিমন্ত বিশ্ব শৰ্মা। এইবিলাকত মোৰ ওপৰত আইনা মাৰি লাভ নাই। অসমৰ মানুহে হাজাৰ বাৰ প্ৰমাণ কৰি দিছে যে হিমন্ত বিশ্ব শৰ্মাক আমি অবিশ্বাস নকৰো। আজি TET ৰ পৰা আৰম্ভ কৰি ডেৰ লাখ নিযুক্তিৰ অহা ৭ তাৰিখে ৰিজাল্ট দিব। কৰ'বাত গণ্ডগোল আছে নেকি এটা উলিয়াই দিব। মোৰ গাত বোকা চতিয়াই লাভ নাই। আপুনি বহুত চেষ্টা কৰিছে। তাৰ মই বহুত ওপৰত। এইবিলাক কৈ লাভ নাই। ২০০৯ চনৰ পৰা এই অখিল গগৈ breaking, অখিল গগৈ live, এজনে এইবাৰো নীলা ফাইল দেখুৱালে। হিমন্ত বিশ্ব শৰ্মাক এইবিলাকৰ ওপৰত বুলি অসমৰ মানুহে ইতিমধ্যে কৈ থৈ দিছে। এখেতক গালি-গালাজ কৰি লাভ নাই। এখেতে কৰি আছে। অসমত যদি কোনোবাই স্বচ্ছ নিযুক্তি কৰিছে, শিক্ষা মন্ত্ৰীৰ পৰা আজিলৈকে মোৰ বাদে কোনেও কৰা নাই আৰু কোনেও সাহসো কৰা নাছিল। মোৰ গাত চতিওৱা-চতি কৰি থাকি লাভ নাই। প্ৰতিশ্ৰুতি সদনত দিছো হাইকোৰ্টৰ judgement টো এনেদৰে সাহসেৰে critisied কৰিব পৰা সাহস কেৱল Dr. Himnta Biswa Sarma ৰ হে আছে। আপুনি কিন্তু নোৱাৰিলে। মই চিধা-চিধি কলো যে এই judgement টোৰ লগত I am not in agreement. তাৰমানে মোৰ commitment টোৰ লেভেল কিমান সেইটো আপুনি বুজি লওঁক। আপুনি তাৰিখ কেইটা গাই দিলে আৰু দোষটো আমাৰ ওপৰত আনি দিলে। কিন্তু আপুনি এই কথাটো নক'লে যে হাইকোৰ্টে অলপ অপেক্ষা কৰিব লাগিছিল। কাৰণ আপোনাৰ bail ৰ কেচ আছে, মোৰ কিন্তু কেচ নাই।

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ** আপোনাৰ কেচ কেনেকৈ থাকিব, আপুনি চাৰ্জচিটয়েই লুকুৱাই দিয়ে।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** চাৰ্জচিট লুকুৱাটো আপোনালোকে যিমান অপভংশ কৰে কোনেও লুকোৱা নাই।

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ** আপুনিটো বেলেগ বস্তু।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** মইটো বেলেগ বস্তু হয়েই। নহ'লে অখিল গগৈ ডাঙৰীয়াই ইমানদিনে অসমক শেষ কৰি দিলে হেতেন। মই বুলিহে আপোনাক ৰখালো। নহ'লে আপুনি যিটো unedited life বা কিবা কিবি আৰম্ভ কৰিছিল আৰু আপুনিটো অসমখনক কমিউনিষ্টলৈ লৈ গ'ল হেতেন। আপুনিটো মোক অদ্ভুত বস্তু বুলি ক'বই লাগিব। আজি আপুনি চিন্তা কৰিব লাগিব যে যদি মই ইয়াত নাথাকিলো হেঁতেন তেতিয়াহ'লে ইয়াত আপুনি ইয়াত থাকিল হেঁতেন।

আপোনাৰ কাৰণে মই বস্তু হয়েই। আপোনাক যদি কোনোবাই ৰখাই নিদিলে হেঁতেন যিধৰণে আপুনি অসমৰ মানুহখিনিক লৈ গৈছিল গতিকে মইটো আপোনাক ৰখাই দিলো। সেইকাৰণে আপোনাৰ কাৰণে মই সদায় বস্তৰেই। যোৱাকালি আপুনি মাননীয় শ্ৰী প্ৰদ্যুৎ বৰদলৈক যিধৰণে গালি-গালাজ দিলে, গতিকে আপুনি সকলো কৰিব পাৰে। আপুনি মোৰ বাদে সকলোকে ভয় খুৱাই লৈছে। আজিও মোৰ অফিচলৈ অফিচাৰে ফাইল লৈ আহে আৰু কয় চাৰ, এইটো অখিল গগৈয়ে কৈছে। নকৰিলে দিগদাৰ হ'ব। এনেকুৱা কথা আজিও মোৰ ওচৰলৈ আহে। মই কওঁ বাকী বিধায়ক .নাই নেকি, বেলেগ বিধায়কৰ কাৰণে এনেকৈ চিৰিয়াচ হৈ আহে নেকি? আপোনাৰ কাৰণে মই সদায় অদ্ভুত বস্তু। গতিকে মোৰ এইটোৰে ক্ৰেডিট যে মই অসমক left moment টোক অকলেই ৰখাই দিলো।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, সৰভোগ ঃ** Left আপুনি নকৰে আমিহে কৰো।

**শ্ৰী আমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং) ঃ** Left ৰ ডাইলগটো আপোনাৰ ইঙ্গিতত চলি আছে।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ** Kindly left টো grant নকৰিব।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** আপুনি left নহয়, ultra left. অসমত যিধৰণে নৈৰাজ্যবাদ লৈ অহাৰ এটা ডাঙৰ ষড়যন্ত্ৰ চলিছিল Akhil Gogoi was the front man. আজি সেই গোটেই নৈৰাজ্যবাদ ধাৰাতোৰে মোৰ ল'ৰা-ছোৱালীক ক্ষুৰধাৰ সমালোচনা, যি টি কয়। তথাপিও মই থিয় হৈ থাকিলো। মোৰ দুবছৰীয়া শিশুকো আপুনি গালি পাৰিছে। মোৰ উদ্দেশ্য এইটো নহয়। I have to regist him and I have registed you for all the time to come. এইটোৰে মোৰ ক্ৰেডিট। মাননীয় অধ্যক্ষ মহোদয়, সামৰণিত এইটোৰে ক'ব বিচাৰিছো যে this is my commitment. কালি হয়তো Judge জনেও মোৰ ওপৰত ও কিবা condemn কৰিব। মই বাহিৰত ও কোৱা মানুহ। মোৰ একো ভয় নাই। মই অৰবিন্দ কেজৰিৱাল নহয় যে দিল্লীৰ Assembly ৰ ভিতৰত সোমাই ক'ম, বাহিৰত নকওঁ। একেটা কথা মই বাহিৰতো কোৱা মানুহ। মাননীয় অধ্যক্ষ মহোদয়, মোৰ কথাটো হ'ল যে APSC ত দুনীৰ্তিত লিপ্ত সকলক শাস্তি দিয়াৰ দায়িত্ব অকল বিধান সভা আৰু কাৰ্য্যপালিকাৰে নহয়, It is also a responsibility cast upon the judiciary আৰু মই ভাবো যে এই দায়িত্বটো তিনিওটা সদনে অৰ্থাৎ কাৰ্য্যপালিকা, ন্যায়পালিকা, আৰু বিধান মণ্ডলে আলোচনা কৰিব লাগে। সেই কাৰণে মই আকৌ এবাৰ সদনক আশ্বাস দিছো যে Action taken Report টো আনিম আৰু এবাৰ Action taken Report ৰ ওপৰতো আপোনালোকে আলোচনা কৰিব। মই আমাৰ বিষয়া সকলোকো ক'ম যে - this case should be dealt in highest priority and will try to take it to the logical conclusion. ধন্যবাদ।

**শ্ৰী ভূ ৰন পেগু, (জোনাই) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যেতিয়া বিতৰ্ক হৈ আছিল মই এটা কথা কৈছিলো, মুখ্যমন্ত্ৰী ডাঙৰীয়াই কথাটো আনিব বুলি ভাবিছিলো যে যি সকলে দূৰ্নীতি কৰি চাকৰিটো পালে, তেওঁলোকক আমি বৰ্খাস্ত কৰাৰ কথা কৈ আছো। ঠিকেই আছে কিন্তু, সেই সময়ৰ যিসকল মেধা সম্পন্ন যুৱক -যুৱতীয়ে এই দূৰ্নীতিৰ কাৰণে চাকৰি নাপালে সেই সকলৰ প্ৰতি সমবেদনা জ্ঞাপন কৰি , সিহঁতৰ প্ৰতি এটা apology সেই সময়ৰ চৰকাৰ চলোৱা কংগ্ৰেছ পাৰ্টীয়ে দিব লাগে বুলি মোৰ ফালৰ পৰা অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। সদন ৪ মাৰ্চ, ২০২৫ ৰ ৰাতিপুৱা ৯.৩০ বজালৈ স্থগিত ৰখা হ'ল।